পৰিছিল ?

১৬। গীতমালা ১৪ আৰু যিৰিমিয়া ১৭ত কি কথাৰ উল্লেখ কৰা হৈছে ?

১৭। গুণাহৰ বেচ কি ?

১৮। আল্লাহে নাজাতকাৰী কোৰবানী কেতিয়া প্ৰথম বিচাৰিছিল ?

১৯। সকলো কোৰবানী বিচৰাত আল্লাহৰ উদ্দেশ্য কি ?

২০। সকলো কোৰবানীৰ চৰম প্ৰতীক কোন ?

২১। মছীহি উপদেশত অৱতাৰৰ অৰ্থ কি আৰু ইয়াৰ উদ্দেশ্য কি ?

২২। মছীহি উপদেশত নাজাতৰ অৰ্থ কি ?

২৩। তৌৰাতত ত্ৰিত্বৰ ভিতৰত ঐকতাৰ বিষয়ে কিবা উল্লেখ আমি পাওঁ নে ? এটা উদাহৰণ দিয়ক।

২৪। এথানিচিয়ান ধৰ্ম্মমতৰ সাৰ অংশ কি ?

২৫। ইছ্‌লাম ধৰ্ম্মই আক্ৰমণ কৰা ত্ৰিত্ব প্ৰকৃত মছীহি ত্ৰিত্ব হয় নে ?

২৬। ত্ৰিত্বৰ ঈমানৰ বিষয়ে ইছ্‌লাম ধৰ্ম্মৰ দাৰ্শনিক আৰু ধৰ্ম্মতত্ত্ববিদসকলৰ ধাৰণা কি ?

২৭। এই পুথিখনত আলোচনা কৰা প্ৰশ্ন আৰু উত্তৰবোৰৰ বিষয়ে আপোনাৰ মতামত কি ?

এই সাধাৰণ জ্ঞানৰ প্ৰশ্নসমূহৰ উত্তৰ লিখি আপোনাৰ সম্পূৰ্ণ নাম আৰু ঠিকনাৰ সৈতে আমালৈ পঠিয়াওক।

**আমাৰ ঠিকনা--**

*দ্বাৰ-উল-মছীহ*

ডাক বাচক নং-২৩৪

গুৱাহাটী-৭৮১ ০০১

অন্ত



# সত্যৰ জয়

"আৰবৰ এজন মুছলমান শ্বেখে কৰা প্ৰশ্নসমূহৰ উত্তৰ।"

ইস্কান্দাৰ জাদীদ। *দি গুড ওৱে ঃ ৰিকন/ চুইজাৰলেণ্ড।*

অসমীয়া প্ৰকাশক—

***দ্বাৰ-উল-মছীহ***

ডাক বাকচ নং ঃ ২৩৪,

গুৱাহাটী - ৭৮১ ০০১

# “সত্যৰ জয়”

Assamese Translation of “VICTORY OF THE TRUTH” A short Comperative Study of Islam and Christianity with Questions and Answer. Complied and written by Dr. Iskander Jadeed of Saudi Arabia. It is translated into Assamese by Mr. Mridul Das, Mrs. Provamoni Das and Mr. Dilip Sharma, edited by Khursheed Alam and published by ***'Dar-Ul-Masih'***, Guwahati-781 001, Assam. Price Rs. 25/- Only.

Published By: ***The Good Way***
Rikon, Switzerland.

প্ৰথম অসমীয়া সংস্কৰণ ঃ জুলাই, ২০০৭ (***Dar-Ul-Masih***)
***দ্বাৰ-উল-মছীহ***
ডাক বাকচ নং ঃ ২৩৪,
গুৱাহাটী - ৭৮১ ০০১
© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

1000 Copies

Price Rs. 25/- Only.

Printed at **ComPress**, Ambari,Guwahati-1

বিঃ দ্ৰঃ কোৰাণ শ্বৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, “*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎ পুৰ, গুৱাহাটী - ৩*”ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম. এ.)** অনুদিত “**কোৰাণ বোধ**”ৰ পৰা লোৱা হৈছে।



*তেজেৰে আমাৰ পাপৰ পৰা আমাক মুক্ত কৰিলে, আৰু আমাক ৰাজ্যস্বৰূপ আৰু নিজ পিতৃ আল্লাহৰ উদ্দেশে ইমাম কৰিলে, তেওঁৰ মহিমা আৰু পৰাক্ৰম সদা-সৰ্ব্বদায় হওক! আমিন*’ (প্ৰকাশিত বাক্য ১:৬)।

আমিন!

## সাধাৰণ জ্ঞানৰ প্ৰশ্ন

আপুনি যিহেতু এই পুথিখন পঢ়িলে, এতিয়া তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিয়ক আৰু আমি পৰৱৰ্ত্তী পুথিখন আপোনালৈ পঠাম:

১। মছীহি উপদেশত ঈমানৰ অৰ্থ কি?

২। মানৱ মনে অদৃশ্যক ধৰিবলৈ পাৰে নে?

৩। ঈমানৰ ব্যাখ্যাৰ বাবে কেইটিমান উদাহৰণ দিয়ক।

৪। ছুৰা ৫ আল‘-মাইদা ১১৬ত কোনটো ধৰ্ম্ম বিৰোধী মতৰ কথা উল্লেখ কৰা হৈছে?

৫। নিজৰ বিষয়ে ঈছাৰ সাক্ষ্যৰ উদাহৰণ দিয়ক।

৬। আল্লাহ পিতৃয়ে মছীহ পুত্ৰৰ কি ধৰণে সাক্ষ্য দিছিল?

৭। মছীহৰ বিষয়ে চাহাবাৰ সাক্ষ্যৰ সাৰ অংশ কি?

৮। মছীহি উপদেশ মতে পাক ৰূহ কোন?

৯। মছীহি নাজাতৰ মূল ভেঁটি কি?

১০। কিতাবুল মোকাদ্দছ অধ্যয়ন কৰাৰ যোগেদি আমি কি শিকোঁ?

১১। গুণাহ নোহোৱাকৈ কোনোৱে জন্মেনে? এই বিষয়ে কিতাবুল মোকাদ্দছে কি কয়?

১২। ঈছাৰ নামৰ অৰ্থ কি? তেওঁৰ লগত গুণাহৰ সম্বন্ধ আছে নে?

১৩। নাজাত আনুষঙ্গিক নে আল্লাহৰ এক অনন্ত পৰিকল্পনা?

১৪। আল্লাহে প্ৰথম মানৱক কাৰ আকৃতিত সৃষ্টি কৰিছিল?

১৫। আদম আৰু হাৱাই চয়তানৰ প্ৰলোভনত কেনেকৈ

কিতাৰুল মোকাদ্দছৰ সত্যৰ প্ৰতিবাদ কৰি আৰু গ্ৰহণ কৰিবলৈ অমান্তি হৈ এজন মানুহ আছিল, যেন তেওঁ গোটেই পৃথিবী-ব্যাপী মছীহিসকলক কলে: “তোমালোকৰ ভুল হৈছে। তোমালোকৰ কিতাৰুল মোকাদ্দছত আৰু তোমালোকৰ ধৰ্ম্মত এটা ভুল আছে। তোমালোকৰ কিতাৰুল মোকাদ্দছ আছমানত উঠাই লোৱা হৈছে? এতিয়া তোমালোকে আন এখন কিতাব কবুল কৰা?” ই গ্ৰহণযোগ্য নে?

পুৰনি নিয়মৰ নবীসকলে আৰু মছীহৰ উম্মতসকলে, এনে কি মছীহই নিজৰ বিষয়ে যি প্ৰকাশ কৰিছিল, সেই সকলোবোৰ তোমাক দেখুৱাবলৈ, (সলীবৰ বিষয়টো দেখুৱাই) তোমাক এক যাত্ৰাত লৈ যাম বুলি মই ভাবিছিলোঁ। বুৰঞ্জী লেখক আৰু দেখা সাক্ষীবিলাকে যি যি কৈছে সেইবিলাকলৈও। কিন্তু সেইটো মই অৰ্দকাৰী পালোঁ, কাৰণ আমালৈ ব্যক্ত কৰা সকলোবোৰ পুস্তকৰে বেহেস্তী ৰাজ্য আৰু সকলোবোৰ ঐতিহাসিক লিখিত বৃত্তান্তৰ সৈতে পৃথিবী মণ্ডলে তেওঁৰ সলীবত মৃত্যুৰ সাক্ষ্য দিছে।

৪। তোমাৰ প্ৰশ্নৰ অন্তিম অংশটোৰ বিষয়ত, মই কব খোজোঁ, নতুন নিয়মে আমাক জনায় যে যেতিয়া ঈছাই ইহুদীবিলাকক তেওঁৰ আহ্বান জনাইছিল, তেওঁ কৈছিল, *“পিতৃয়ে মোক যি যি দিছে, সেই সকলোৱেই মোৰ ওচৰলৈ আহি’ব; আৰু মোৰ ওচৰলৈ অহা জনক মই কোনোমতে বাহিৰ নকৰিম”* (ইউহোন্না ৬:৩৭)। তেওঁ এই বুলিও কৈছিল, *“ময়েই পুনৰুত্থানো আৰু জীৱনো; যি কোনোৱে মোত বিশ্বাস কৰে, তেওঁ মৰিলেও জীব”* (ইউহোন্না ১১:২৫)।

ঈছালৈ অহাৰ অৰ্থ: সলীবত তেওঁ সিদ্ধ কৰা নাজাতৰ যোগেদি, তেওঁক ব্যক্তিগত নাজাতদাতা ৰূপে গ্ৰহণ কৰা। ঈছাত বিশ্বাসৰ ভিতৰত আছে তেওঁৰ ঈশ্বৰত্বত বিশ্বাস। তুমি যদি সঁচাই সন্মত হ’বলৈ বিচাৰা, ঈছাই শান্তিৰ ৰজা স্বৰূপে যিৰূচালেমলৈ আহোঁতে যিৰূচালেমবাসীয়ে যি গান কৰিছিল, আঁহা আমি একেলগে সেই গীত দোহাৰোঁ, “প্ৰভুৰ নামেৰে যি জন ৰজা আহিছে, তেওঁ ধন্য!”

তেতিয়া আমি নাজাতৰ গীতত নাজাতপ্ৰাপ্ত জাকৰ লগত যোগ দিব পাৰোঁ, এই বুলি কৈ, *“যি জনে আমাক প্ৰেম কৰে আৰু নিজ*



*প্ৰিয় ভাই,*

আপোনালৈ আল্লাহৰ অনুগ্ৰহ আৰু শান্তি বৰ্ষিত হওঁক। মই আপোনাৰ মুল্যৱান চিঠি পাইছো যত উল্লেখ কৰিছে যে আপুনি মোৰ লগত আপোনাৰ মতামত বিনিময় কৰিব বিচাৰে। ‘সত্যৰ জয়’ কিতাপখনৰ উদ্দেশ্য হ’ল এনে সুন্দৰ মতামত বিনিময় কৰা। আহক, আমাৰ মানসিক আৰু ধৰ্মীয় উগ্ৰতা পৰিহাৰ কৰি, ধ্বংসৰ গৰাহৰ পৰা মানৰ জাতীক উদ্ধাৰৰ চেষ্টা কৰো। এই উদ্দেশ্য আগত ৰাখি মই আপোনাক স্বগতম জনাইছো।

আপোনাৰ এটা প্ৰশ্ন পঢ়ি মই ক্ষন্তেক ৰৈ, দ্বিতীয়টোলৈ গৈছো, যত আপুনি কৈছে- “ঈছা, মৰিয়ম আৰু পাক ৰূহুৰ ওপৰত দেৱত্ব আৰোপ কৰাৰ অধিকাৰ সন্মিলনক কোনে অধিকাৰ দিছিল?”

মই দুখিত হৈ ক্ষন্তেক বিৰতি লৈ ভাবিছো আপোনাৰ শুভ উদ্দেশ্যক এই প্ৰশ্নই কালিমা সানিছে। আপোনাৰ মন্তব্যই আমাৰ আলোচনাত মানুহৰ নাজাতৰ বিষয়টো প্ৰতিহত হৈছে। আপোনাৰ অবাঞ্ছিত প্ৰশ্নই মছীহি ধৰ্মৰ সত্যতাকহে আল্লাহৰ সত্য ধৰ্মৰূপে পৰিগণিত কৰিছে। এয়া আৰু অবাঞ্ছিত এই বাবেই যে, আপুনি নিজকে সত্যৰ ৰক্ষক বুলি কৈছে। আচলতে আপুনি বাস্তৱৰ পৰা আতৰি গৈ সত্যৰ বিৰোধীতা কৰিছে। আপুনি আনুসংগিক কিছুমান দলীয় বিশ্বাসক মানিলৈ (মৰিয়মক আল্লাহৰ সমকক্ষ হিচাবে ধৰি) প্ৰকৃত মছীহি ধৰ্মক সমালোচনা কৰিছে।

আপোনাৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়াৰ আগতে, মই আপোনাক অৱগত কৰিব লাগিব যে আপুনি আপোনৰ লক্ষ্য বিঘ্নিত কৰিছে এইষাৰ কৈ, “মোৰ প্ৰশ্নবোৰ পৰীক্ষা কৰি তাৰ উত্তৰ দিয়ক, যেন আপুনি আপোনাৰ ভূল অৱগত হয় আৰু বুজিব পাৰে যে আপুনিও ইয়াৰ ভূক্তভোগী।” মই ঈছাৰ কথাবোৰ পঢ়িছো যিজনে কৈছে, *“...মোৰ কালামত যদি তোমালোকে থাকা, তেন্তে সচাঁকৈয়ে তোমালোকে মোৰ শিষ্য। আৰু তোমালোকে সত্যক জানিবা আৰু সেই সত্যই তোমালোকক নাজাত*

*কৰিব"* (ইউহোন্নাঃ৮:৩১-৩২)।

সচাঁ কথা কবলৈ হ'লে, ঈছাৰ কথাবোৰে মোক সকলো বান্ধোনৰ পৰা মুক্ত কৰিছে। প্ৰতিশোধৰ মনোভাৱো তাৰে এটা। আল্লাহৰ পাক ৰূহে মোক তেওঁৰ কালামত দৃঢ় হৈ থাকিবলৈ শক্তি দিছে যিজনে কৈছে- *"কিন্তু মই তোমালোকক কওঁ, তোমালোকৰ শত্ৰুবিলাকক প্ৰেম কৰিবা আৰু তোমালোকক তাড়না কৰাবিলাকৰ নিমিত্তে মুনাজাত কৰিবা। তেহে তোমালোকৰ বেহেস্থত থকা পিতৃৰ সন্তান হ'বা; কিয়নো তেওঁ দুষ্ট আৰু সন্ত দুয়োৰো ওপৰত তেওঁৰ সুৰ্য উদয় হ'বলৈ দিয়ে আৰু ধাৰ্মিক অধাৰ্মিক এই দুয়োৰো ওপৰত বৰষুণো বৰষায়"* (মথিঃ ৫:৪৪-৪৫)।

বিশ্বাস কৰক, আপোনাৰ চিঠিৰ সামঞ্জস্যহীন কথাবোৰ পঢ়ি চাই মই আপোনাৰ বাবে মোনাজাত কৰিছো। আপোনাৰ উত্তৰবোৰ পঢ়াৰ আগতে মোৰ আন্তৰিক অভিনন্দন গ্ৰহণ কৰিব।

ý×ÃÃ¦¨ ‡µ±1aæÃ±¿ðõÃ¼



**সকলোবোৰ দাবীৰ ক্ষেত্ৰত মছীহ নিৰ্দ্দোষী। তেওঁক সলীবত দিয়া হোৱা নাছিল। আমি কেতিয়া সন্মত হম?**

**উত্তৰ:** ১। তৌৰাত শুদ্ধ। বিধান পুস্তকত (তৌৰাত) যি সকলো লিখা আছে সেইবোৰ পালন নকৰাবিলাকৰ পৰা অভিশাপ গুচাবলৈ মছীহক সলীবত ওলমোৱা হৈছিল।

২। এজন মছীহিয়ে তেওঁৰ ডিঙিত সলীব আৰি লবলৈ গৰ্ব অনুভৱ কৰে। পৌলে কি কৈছিল শুনক, *"আমাৰ প্ৰভু ঈছা মছীহৰ সলীবত বাজে, আন কোনো কথাত শ্লাঘা কৰা মোৰ পৰা দূৰ হওক; সেই সলীবৰ দ্বাৰাই জগতখনেই মোলৈ আৰু মই জগতখনলৈ সলীবত হত হলোঁ"* (গালাতীয়া ৬:১৪)।

৩। মছীহৰ মৃত্যু, নবীসকলৰ নবুৱতী, মছীহৰ মৃত্যু হোৱা দেখা আৰু তেওঁৰ পুনৰুত্থানৰ পাছত তেওঁক দেখা মছীহৰ উম্মতসকলৰ সাক্ষ্যৰ ওপৰত আধাৰিত এক সত্য ঘটনা। ইতিহাসো এই সত্য ঘটনাৰ সাক্ষী। আমি যদি চাহাবাসকলৰ দৈবজ্ঞানপ্ৰাপ্ত লেখনিবোৰ সাৱধানে চালি-জাৰি চাওঁ, আমি দেখিম যে মছীহি ধৰ্ম্মৰ আৰম্ভনিৰে পৰা প্ৰচাৰ কৰা নতুন নিয়মখন গ্ৰহণ কৰা হৈছিল আৰু লাখ লাখ মানুহে নাজাত লাভ কৰিছিল। নতুন নিয়মেই হৈছে শুভ বাতৰি। পৌলে এই বিষয়ে কৈছিল:

*"হে ভাইবিলাক, যি শুভবাৰ্ত্তা মই তোমালোকৰ আগত প্ৰচাৰ কৰিলোঁ, তাকে তোমালোকক জনাইছোঁ; তাক তোমালোকে গ্ৰাহ্য কৰিলা আৰু তাতে থিৰেও আছা; আৰু যি বাক্যেৰে মই তোমালোকৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰিলোঁ, তাক যদি তোমালোকে ধৰি আছা, তেন্তে তাৰ দ্বাৰাই নাজাতো পাইছা; নতুবা তোমালোকে বৃথা বিশ্বাস কৰিলা। কিয়নো মই যি শিক্ষা পালোঁ, তাৰে এই প্ৰধান শিক্ষা তোমালোকক দিলোঁ যে, শাস্ত্ৰ অনুসাৰে মছীহ আমাৰ গুণাহৰ নিমিত্তে মৰিল; আৰু তেওঁক কবৰ দিয়া হ'ল; আৰু শাস্ত্ৰ অনুসাৰে তৃতীয় দিনা তোলা হ'ল"* (১ কৰিন্থীয়া ১৫:১-৪)।

পৃথিবীত শুভবাৰ্ত্তা প্ৰচাৰ হোৱাৰ পাঁচশ বছৰৰ পাছত, এই

*“যি জনা বৰ্ত্তমান, ভূত, ভৱিষ্যত আৰু সৰ্ব্বশক্তিমান, সেই প্ৰভু পৰমেশ্বৰে কৈছে, মই আল্‌ফা আৰু ওমিগা”* (প্ৰকাশিত বাক্য ১:৮)।

২। থোমাৰ সাক্ষ্য: *“আকৌ আঠ দিনৰ পাছত, তেওঁৰ উম্মতসকল থোমাই সৈতে ভিতৰত থাকোঁতে, দুৱাৰবোৰ বন্ধ হৈ থকাতো, ঈছাই আহি মাজত থিয় হৈ কলে, ‘তোমালোকৰ শান্তি হওক।’ তেতিয়া তেওঁ থোমাক কলে, ‘ইয়াত তোমাৰ আঙুলি দি মোৰ হাত চোৱা; আৰু তোমাৰ হাত মেলি মোৰ কোষত সুমুউৱা; আৰু অবিশ্বাসকাৰী নহৈ বিশ্বাসকাৰী হোৱা।’ থোমাই উত্তৰ দি তেওঁক কলে, ‘হে মোৰ প্ৰভু, হে মোৰ আল্লাহ!’ ”* (ইউহোন্না ২০:২৬-২৮)।

৩। পিতৰৰ সাক্ষ্য: *“ঈছাই বাৰ জন চাহাবাক কলে, ‘তোমালোকেও যাবলৈ ইচ্ছা কৰা নে?’ চিমোন পিতৰে তেওঁক উত্তৰ দিলে, ‘হে প্ৰভু, আমি কাৰ ওচৰলৈ যাম? অনন্ত জীৱনৰ কথা আপোনাৰহে। আৰু আপুনি যে আল্লাহৰ পবিত্ৰ জনা, ইয়াকে আমি বিশ্বাস কৰি জানিছোঁ”* (ইউহোন্না ৬:৬৭-৬৮)।

*“পাছে তৃতীয়বাৰ তেওঁ সুধিলে, ‘হে ইউহোন্নাৰ পুতেক চিমোন, তুমি মোক প্ৰীতি কৰিছা নে?’ ...তেওঁ কলে, ‘হে প্ৰভু, আপুনি সকলোকে জানে; মই যে আপোনাক প্ৰীতি কৰিছোঁ, তাক আপুনি জানি আছে।’ ঈছাই তেওঁক কলে, ‘মোৰ মেৰবিলাক চৰোৱা।’ ”* (ইউহোন্না ২১:১৭)।

৪। পৌল চাহাবাৰ সাক্ষ্য: “...*আৰু শৰীৰৰ সম্বন্ধে মছীহও তেওঁবিলাকৰ পৰাই হ’ল; তেওঁ সৰ্ব্বোপৰি আল্লাহ যুগে যুগে ধন্য!”* (ৰোমীয়া ৯:৫)।

**প্ৰশ্ন: তৌৰাতে (কিতাবুল মোকাদ্দছৰ প্ৰথম পাঁচখন পুস্তক) কৈছে, “কিয়নো যাৰ শৰ আৰি থোৱা হয়, সি আল্লাহৰ অভিশপ্ত” (দ্বিতীয় বিবৰণ ২১:২৩)। আপোনাৰ বুকুত সলীব কঢ়িয়াই ফুৰাত আপুনি গৰ্বিত। আমি জোৰ দি কওঁ যে আপোনাৰ**



# সত্যৰ জয়

**প্ৰশ্নঃ ছেন্ট আগাষ্টিনে কৈছিলঃ “মই এজন বিশ্বাসী, কিন্তু মনৰ সৈতে সেয়া একমত নহয়।” তেতিয়া পাগল আৰু মনক দমন কৰি ৰাখোতাৰ মাজত পাৰ্থক্য কি?**

**উত্তৰ ঃ** এই উদ্ধৃতি সম্পৰ্কত আপোনাৰ ব্যাখ্যা দিয়া নাই। এজন মানুহৰ বাবে যিকোনো উক্তি নিজৰ খেয়াল অনুসাৰে ব্যাখ্যা কৰাতো সহজ। ‘বিশ্বাস’ শব্দটোৱে যিহক মনে হৃদয়ঙ্গম কৰিব নোৱাৰে তাক গ্ৰহণ কৰিবলৈ বাধ্য কৰে। প্ৰভুৰ বাক্যই কৈছে “এতিয়া বিশ্বাসে হৈছে আশা কৰা বস্তুৰ সাৰাংশা, দেখা নোপোৱা বস্তুৰ প্ৰমাণ।” এয়া বিজ্ঞানীসকলে বিশ্বাসৰ ওপৰত দিয়া সূত্ৰৰ পৰা বেলেগ নহয়। তেওঁলোকে কৈছে এয়া এক বিশ্বাস যি সাক্ষ্যৰ ওপৰত আধাৰিত, বিচাৰ শক্তিৰ ওপৰত নহয়। বিশ্বাস এক প্ৰত্যয় য’ত বিশ্বাসী সকলে আশা কৰে, দেখা নোপোৱা বস্তুৰ প্ৰমাণ। মৃতকৰ পুনৰুত্থানত বিশ্বাস গঢ় লৈছে আল্লাহৰ সাক্ষ্যত তেওঁৰ কালামত। আমি বেহেস্তত বিশ্বাস কৰো, কিন্তু দেখা নাই। আল্লাহৰ কালামে ইয়াৰ অস্তিত্বৰ সাক্ষ্য দিয়ে।

ইয়াত এই সূত্ৰৰ গ্ৰহণযোগ্যতাৰ ওপৰত আৰু কিছু প্ৰমাণ দিয়া হ’ল—

১। আমি ঐতিহাসিক ঘটনাবোৰক বুৰঞ্জীবিদসকলে দিয়া সাক্ষ্য অনুসাৰে বিশ্বাস কৰো আৰু বৈজ্ঞানিক সত্যতাক বিজ্ঞানীৰ সাক্ষ্যত। আমি আৰু বিশ্বাস কৰো সৃষ্টি, পতন আৰু পাপ মোচনত তেওঁৰ কিতাপত থকা ঈশ্বৰৰ বাণীৰ ওপৰত যিয়ে কৈছে, “সৃষ্টিখন ঈশ্বৰৰ বাক্যৰ দ্বাৰাই স্থাপন কৰা হ’ল, তাতে দৃশ্য বস্তুবোৰ যে প্ৰকাশিত বস্তুবোৰৰ পৰা উৎপন্ন কৰা হ’ল, এনে নহয়” (ইব্ৰী ১১ঃ৩)।

আমি অনন্ত জীৱন, পৰিবৰ্তন, ন্যায়-বিচাৰকৰণ, পবিত্ৰকৰণ, পুনৰুত্থান আৰু ক্বিয়ামতকো বিশ্বাস কৰো। এই আটাইবোৰ আল্লাহৰ সাক্ষ্যৰ ওপৰত বিশ্বাস কৰা হয়।

২। কিতাবুল মোকাদ্দছে বিশ্বাসক ব্যাখ্যা কৰিছে। ইঞ্জিল শৰীফক ঈছাৰ সাক্ষ্য বুলি কোৱা হয়। ঈছা মছীহ এজন দাৰ্শনিক হিচাবে অহা নাছিল, কিন্তু এজন সাক্ষ্য দিওতা। তেওঁ নীকদীমক কৈছিল, *“মই তোমাক অতি স্বৰূপকৈ কওঁ,*

*আমি যিহকে জানো, তাকে কওঁ আৰু যিহকে দেখিলো তাৰে সাক্ষ্য দিওঁ, কিন্তু তোমালোকে আমাৰ সাক্ষ্য গ্ৰহণ নকৰা"* (যোহন ৩:১১)।

বাপ্তিস্ত যোহনে ইহূদীবিলাকক কৈছিল, *"যি জনা ওপৰৰ পৰা আহিছে, তেওঁ সকলোতকৈ ওপৰ, যিজন পৃথিৱীৰ পৰা হয়, তেওঁ পাৰ্থিব আৰু পৃথিৱীৰ কথাকেহে কয়; যিজনা স্বৰ্গৰ পৰা আহিছে, তেওঁ সকলোতকৈ ওপৰ। তেওঁ যিহকে দেখিলে, শুনিলে, তাৰে সাক্ষ্য দিয়ে; কিন্তু তেওঁৰ সাক্ষ্য কোওে গ্ৰাহ্য নকৰে। তেওঁৰ সাক্ষ্য যেয়ে গ্ৰাহ্য কৰিলে, ঈশ্বৰ যে সত্য এই কথাত তেওঁ মোহৰ মাৰিলে"* (যোহন ৩:৩১-৩৩)। ঈছাৰ চাহাবাকসকলে আছিল সাক্ষ্য দিওতা। মছীহই তেওঁলোকক প্ৰতিশ্ৰুতি দিছিল, *"কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পাক ৰূহ আহিব, তেতিয়া তোমালোকে শক্তি পাবা আৰু যিৰূচালেম আদি কৰি গোটেই ইহুদীয়া আৰু চমৰিয়া দেশত আৰু পৃথিৱীৰ সীমালৈকে তোমালোক মোৰ সাক্ষী হ'বা"* (পাঁচনিৰ কৰ্ম ১:৮)।

তেওঁলোকে তেওঁলোকৰ শিক্ষা দৰ্শনৰ ওপৰত গঢ় দিয়া নাছিল যেতিয়া তেওঁলোকে খ্ৰীচত সাক্ষ্য দিছিল। চাহাবা পৌলে কৈছিল যে দৰ্শন যি মানুহৰ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত সেয়া প্ৰভুৰ সম্বন্ধত তুলনা কৰিলে নিবোৰ্ধ। চাহাবা সকল দাৰ্শনিক নাছিল কিন্তু সাক্ষ্যদিওতা আৰু তেওঁলোকে আধ্যাত্মিক বিষয়বোৰ মানুহৰ জ্ঞানৰ দ্বাৰা প্ৰমাণ কৰা নাছিল। বিশ্বাসৰ ওপৰত কিতাবুল মোকাদ্দছ সম্বন্ধীয় শিক্ষাৰ এটি প্ৰমাণ হ'ল যে বিশ্বাস সাক্ষ্যৰ ওপৰত প্ৰতিষ্ঠিত। পাপমোচন সম্পৰ্কে প্ৰভুৰ আত্মাই কি প্ৰকাশ কৰিছে তাক বিশ্বাস কৰিবলৈ প্ৰভুৰ বাক্যই আমাক আদেশ কৰিছে। কিতাবুল মোকাদ্দছে কৈছে, *"যিজনে আল্লাহৰ পুত্ৰত বিশ্বাস কৰে, সেই সাক্ষ্য তেওঁৰ অন্তৰত আছে; যিজন আল্লাহত বিশ্বাস নকৰে, তেওঁ তেওঁক মিছলীয়া পাতিলে; কিয়নো আল্লাহে নিজৰ পুত্ৰৰ বিষয়ে যি সাক্ষ্য দিলে, তেওঁ তাত বিশ্বাস নকৰিলে আৰু সেই সাক্ষ্য এই যে আল্লাহে আমাক অনন্ত জীৱন দিলে আৰু সেই জীৱন তেওঁৰ পুত্ৰত আছে"* (১ যোহন ৫:১০-১০)।

এইটোৱে বিশ্বাসৰ সত্যতাৰ ওপৰত আটাইতকৈ ভাল ব্যাখ্যা।

চমুকৈ, বিশ্বাস হ'ল প্ৰভুৰ বাণী যাৰ ভেটি ঈশ্বৰৰ সাক্ষ্য। যিয়ে ইয়াক গ্ৰহণ কৰে, স্বীকাৰ কৰে যে প্ৰভু সত্য। ইয়াক অগ্ৰাহ্য কৰাই প্ৰভুক মিছলীয়া সজোৱাৰ দৰে। এয়া ব্যভিচাৰতকৈও নিকৃষ্টতম।

যদি আমি মানুহৰ সাক্ষ্য গ্ৰহণ কৰো, প্ৰভুৰ সাক্ষ্য তাতকৈও মহান। কিতাবুল



আৰোহণৰ আগতে ঈছাই তেওঁৰ উম্মতসকলক গোটাই তেওঁলোকক কৈছিল,

"মূচা নবীৰ শৰীয়তত, নবীসকলৰ পুস্তকত আৰু জবূৰ শৰীফত মোৰ বিষয়ে যি যি বচন লিখা আছে, সেই সকলো সিদ্ধ হ'ব লাগে বুলি তোমালোকৰ লগত থাকোঁতেই যি কথা মই কৈছিলোঁ, মোৰ সেই কথা এই।"

তেতিয়া তেওঁ তেওঁলোকৰ মন মুকলি কৰিলে যাতে তেওঁলোকে শাস্ত্ৰৰ কথা বুজিব পাৰে। তেওঁ তেওঁলোকক কলে: *"এইদৰে লিখা আছে যে মছীহই দুখ ভোগ কৰি, তৃতীয় দিনা মৃতবিলাকৰ মাজৰ পৰা পুনৰায় উঠিব; আৰু যিৰূচালেমৰ পৰা আৰম্ভ কৰি সকলো জাতিৰ আগত মন-পালটন আৰু পাপ-মোচনৰ কথা তেওঁৰ নামে ঘোষণা কৰা হ'ব। তোমালোক এই সকলোৰে সাক্ষী আছা। আৰু চোৱা, মোৰ পিতৃয়ে যি প্ৰতিজ্ঞা কৰিছিল, তাক তোমালোকলৈ পঠাই দিম; কিন্তু ওপৰৰ পৰা শক্তি নোপোৱামানে এই নগৰতে থাকা।*

*পাছে তেওঁ তেওঁবিলাকক বৈথনিয়া গাঁৱৰ সন্মুখলৈকে উলিয়াই নি, তেওঁৰ হাত দাঙি তেওঁবিলাকক আশীৰ্ব্বাদ কৰিলে। এইদৰে তেওঁবিলাকক আশীৰ্ব্বাদ কৰা সময়ত, তেওঁ তেওঁবিলাকৰ পৰা পৃথক হ'ল আৰু তেওঁক বেহেস্তলৈ নিয়া হ'ল। তেতিয়া তেওঁবিলাকে তেওঁক সেৱা কৰি, অতি আনন্দেৰে যিৰূচালেমলৈ উলটি আহিল আৰু সদায় ধৰ্ম্মধামত আল্লাহৰ স্তুতি কৰি থাকিছিল"* (লূক ২৪:৪৪-৫৩)।

লূকৰ ইঞ্জিলৰ এই সামৰণিৰ আয়াতবোৰৰ মতে, আমি দেখিবলৈ পাওঁ যে ঈছাৰ প্ৰস্থানৰ সময়ত উম্মতসকলে তেওঁক আৰাধনা কৰিছিল। আনসকলে মছীহৰ ঈশ্বৰত্বক বিশ্বাস কৰাৰ বিষয়ে কিতাবুল মোকাদ্দছত অনেক উল্লেখ কৰিছে।

১। প্ৰিয় উম্মত ইউহোন্নাই কৈছিল, *"আদিতে কালাম আছিল আৰু কালাম আল্লাহে সৈতে আছিল আৰু কালামেই স্বয়ং আল্লাহ। তেওঁ আদিতে আল্লাহে সৈতে আছিল। তেওঁৰ দ্বাৰাই সকলোৱেই হ'ল; আৰু যি যি হ'ল, সেইবোৰৰ এটাও তেওঁৰ বিনে নহ'ল। জীৱন তেওঁতেহে; সেই জীৱনেই মানুহৰ পোহৰ:* (ইউহোন্না ১:১-৪)।

আছিল। তেওঁলোকে কৈছিল যে সকলো মঙ্গল আৰু আত্মিক বস্তু মঙ্গলৰ দেৱতাৰ পৰা উদ্ভৱ হয়, আনহাতে সকলো বেয়া আৰু ভৌতিক বস্তু অমঙ্গলৰ দেৱতাৰ পৰা উদ্ভৱ হয়। যিহেতু তেওঁলোকে লক্ষ্য কৰিছিল যে দুয়োজনৰ মাজৰ সংগ্ৰাম অবিচ্ছিন্ন, তেওঁলোকে কবলৈ বাধ্য হৈছিল যে এই দুজন দেৱতা চিৰন্তন আৰু সমতুল্য, আৰু এজনে আনজনক পৰাজয় কৰাটো সম্ভৱ নহয়।

যি নহওক, মছীহি ত্ৰিত্বৰ সেই দেওপূজক ধৰ্ম্মমতবোৰৰ সৈতে কোনো সম্পৰ্ক নাই। তেওঁলোকৰ ধাৰণাত ত্ৰিত্বক বাতিল কৰিব পৰা একো নাই। উদাহৰণ স্বৰূপে, “আল্লাহ” নামটো ইছলাম ধৰ্ম্মৰ আগৰ পৰাই আছিল আৰু তথাপি এই তথ্যই কোৰাণৰ বাবে কোনো সমস্যাৰ সৃষ্টি কৰা নাছিল। ইছ্লাম ধৰ্ম্মৰ আগৰ আৰবসকলে তেওঁলোকৰ কবিতা আৰু লেখনিত তেওঁক উল্লেখ কৰিছিল। দেওপূজকৰ সময়ৰ পৰা কিছুমান প্ৰথা যে মুছলমানসকলৰ ওপৰত জাৰী কৰা হৈছিল, এই কথাই কোৰাণৰ পৰা ?াস কৰে নে কি ? একেদৰে, হজ যাত্ৰা, শিল দলিওৱা সমদল আৰু ক’লা শিলটোক চুম্বন কৰা, এই সকলোবোৰ ইছ্লাম ধৰ্ম্মৰ পূৰ্বতেই দেওপূজক আৰবসকলৰ প্ৰথা আছিল।

“আল্-আছ্ৰা” - “নিশাৰ ভ্ৰমণ” আৰু “আল্-মিৰাজ্” - “বেহেস্তলৈ উঠি যোৱা”, এই কাহিনীৰ বিষয়ে আপুনি কি কয় ? ইছ্লাম ধৰ্ম্মৰ পূৰ্বে জাৰোষ্টি·য়ানবিলাকৰ ধৰ্ম্ম শাস্ত্ৰত একে ধৰণৰ কাহিনী পোৱা যায়। নাইবা একেশ্বৰবাদ ধৰ্ম্মমত ইছ্লাম ধৰ্ম্মৰ আগতেই ইহূদী ধৰ্ম্মত পোৱা গৈছিল, এই কথাই ইছ্লাম ধৰ্ম্মক অলপো ক্ষয় কৰে নে ?

**প্ৰশ্ন: ঈছাৰ সময়ত জীয়াই থকা আৰু তেওঁক অনুসৰণ কৰা উম্মতসকলে তেওঁৰ ঈশ্বৰত্বত বিশ্বাস কৰিছিল বুলি কোনো প্ৰমাণ নাই। উম্মতসকলতকৈ আপুনি ঈছাক বেছি ভালকৈ জানে নে কি ?**

**উত্তৰ:** নতুন নিয়মে আমাক জনায় যে বেহেস্তলৈ তেওঁৰ



মোকাদ্দছে ইয়াক বাৰে বাৰে শিকাইছে। এইটোৱে ভেটি য’ত আমি আমাৰ বিশ্বাস স্থাপন কৰো আৰু ই আমাক ক’বলৈ আদেশ কৰে “আল্লাহ পাকে এইদৰে কৈছে....”।

কিতাবুল মোকাদ্দছে আমাক বিশ্বাসৰ আন অৰ্থও দিয়ে। যেতিয়া আমাৰ আদি পিতৃ-মাতৃ আদম আৰু হাৱা আল্লাহৰ অবাধ্য হৈছিল, তেওঁ তেওঁলোকক প্ৰতিজ্ঞা কৰি কৈছিল *“আৰু মই তোৰে নাৰীৰে মাজত আৰু তোৰ বংশৰ নাৰীৰ বংশৰে মাজত শত্ৰুভাব উৎপন্ন কৰিম; সি তোৰ মূৰ গুড়ি কৰিব আৰু তই তাৰ গোৰোৰা গুড়ি কৰিবি”* (আদি পুস্তক ৩:১৫)।

এই প্ৰতিজ্ঞাত বিশ্বাস আল্লাহৰ সাক্ষ্যৰ ওপৰত প্ৰতিষ্ঠিত। যেতিয়া নোহে বানপানীৰ বিষয়ে অৱগত হৈছিল, আল্লাহে তেওঁক এখন নাও সাজিবলৈ আদেশ দিছি। নোহে প্ৰভূৰ বাক্যক বিশ্বাস কৰিছিল। তেওঁ নাও সাজিছিল আৰু সময়ত বাণপানী আহিলত তেওঁ সপৰিয়ালে ৰক্ষা পাইছিল। ই তেওঁৰ বিশ্বাসৰ এক নিদৰ্শন আছিল।

আল্লাহে ইব্ৰাহীমক প্ৰতিশ্ৰুতি দিছিল যে তেওঁৰ বয়সীয়াল স্ত্ৰী চাৰায় এটা ল’ৰা সন্তানৰ জন্ম দিব, এজন উত্তৰাধিকাৰী হ’বলৈ। কিতাবুল মোকাদ্দছে কৈছে ‘*বিশ্বাস হৈছে, আশা কৰা বিষয়ৰ নিশ্চয়জ্ঞান অদৃশ্য বিষয়ৰ প্ৰমাণ প্ৰাপ্তি*’ (ইব্ৰী ১১:১)। স্পষ্টৰূপে এই প্ৰতিশ্ৰুতিয়ে মানুহৰ মগজুৰ চিন্তাৰ বিৰুদ্ধে দেখুৱায় লক্ষ্য কৰাৰ আন এটি অধ্যায়। *“সেই সময়ত ইব্ৰাহীম আৰু চাৰা বুঢ়া, আৰু অতিশয় বৃদ্ধ আছিল আৰু চাৰাৰ স্ত্ৰী আচাৰো লুপ্ত হৈছিল”* (আদি পুস্তক ১৮:১১) চাৰাই নবৈ বছৰীয়া জন্মদিন পাৰ কৰিছিল আৰু যদিও এয়া প্ৰকৃতিৰ নিয়ম মতে অসম্ভৱ আছিল, চাৰাই বিশ্বাস কৰিছিল আৰু আল্লাহৰ শক্তিৰে এটি পুত্ৰৰ জন্ম দিছিল; তেওঁলোকে তেওঁক কৈছিল ইচাহাক।

সেয়ে এই ঘটনাবোৰৰ ভিত্তিত আমি সত্যক গ্ৰহণ কৰাই বিশ্বাস বুলি ব্যাখ্যা দিব পাৰো। মছীহি সকলৰ বিশ্বাস ছেন্ট আগষ্টিনৰ সৰল বিশ্বাসৰ অন্তৰ্ভুক্তি আৰু কিতাবুল মোকাদ্দছৰ শিক্ষা আৰু আল্লাহৰ কালামত সমিলমিল আছে।

**প্ৰশ্ন ঃ কোনে সন্মিলনক ঈছা, মৰিয়ম আৰু পাক ৰুহুক দেৱত্ব আৰোপৰ কতৃত্ব দিছিল? যদি সন্মিলনৰ অধিকাৰ আছিলেই তেন্ত তেওঁলোকক বঞ্চিত কৰি আনক মনোনীত কৰিব নোৱাৰিলেহেতেঁন নে? পোপক ধাৰ্মিক সজাবলৈ তেওঁলোকক কোনে কতৃত্ব দিছিল? গীৰ্জাক পাপমোচন আৰু**

**সমাজচ্যুতকৰণৰ অধিকাৰ কোনে দিছিল?**

**উত্তৰ ঃ** এই প্ৰশ্নটিৰ উত্তৰ দিয়াৰ আগতে পৱিত্ৰ কোৰান শ্বৰীফে কি কৈছে সেয়া আপোনাক মনত পেলাই দিবলৈ ইচ্ছা কৰিছো। *"ঐশীপুথিপ্ৰাপ্ত মানুহবিলাকৰ লগত যুক্তি তৰ্ক কৰিলে অতি উত্তম ভাবে কৰিবা...*(ছুৰা আন-কাবুত ৪৬ আয়াতৰ প্ৰথম অংশ) এই প্ৰশ্নটি কৰি আপুনি কোৰাণৰ শিক্ষাৰ পৰা আঁতৰি গৈছে। মনত ৰাখিব যে প্ৰতিজন মুছলমানকে কোৰাণৰ শিক্ষা অনুসৰণ কৰিবলৈ আদেশ কৰা হৈছে। আপোনাৰ প্ৰশ্নটিৰ উত্তৰ হ'ল—

**(১) মছীহি ধৰ্মত মৰিয়মত দেৱত্ব আৰোপঃ** মছীহি ধৰ্মই মৰিয়মক দেৱতাৰ দৰে পূজা কৰা নাই। মই ক'বলৈ বাধ্য হৈছো যে আপোনাৰ প্ৰশ্নটিয়ে এক কিবা এটা আৱিস্কাৰৰ তাৎপৰ্য বহন কৰা নাই। এই প্ৰশ্নটি কোৰাণত আছে। *"আল্লাহে সুধিলে, 'হে মৰিয়ম পুত্ৰ ঈছা, তুমি মানুহবিলাকক এইবুলি কৈছিলা নেকি 'আল্লাহৰ লগতে মোকো আৰু মোৰ মাকো উপাস্য কৰি লোৱা?'...*(ছুৰা আল-মায়িদা ১১৬ আয়াতৰ প্ৰথম অংশ)।

এই প্ৰশ্নটি সোধা হৈছিল ইছলামৰ আৰম্ভণিত কিছু দেৱপূজক গোষ্ঠীৰ লোকসকলক। তেওঁলোক আছিল মূৰ্তিৰ পূজাৰী। সেই পূজাৰীসকলৰ কিছুমানে গীৰ্জাৰ সতে জড়িত হ'বলৈ চেষ্টা কৰিছিল আৰু মেৰীক দেৱী বুলি কৈছিল। বুৰঞ্জীবিদসকলে কয় যে তেওঁলোকে মেৰীক দেৱী সজাইছিল তেওঁলোকৰ পূৰ্বৰ দেৱী আল-জাহৰাৰ দৰে যাক তেওঁলোকে পূজা কৰিছিল। তেওঁলোকে সেই দেৱীৰ ঠাইত মৰিয়মক স্থাপন কৰি নিজকে মৰিয়মপন্থী বুলি জাহিৰ কৰিছিল। এই মৰিয়মপন্থীসকল মছীহি ধৰ্মৰ শিক্ষাৰ পৰা আঁতৰি আহিছিল আৰু মছীহি লোকেও তেওঁলোকক সমৰ্থন নকৰে। বহুতো মছীহি তাত্বিকলোক আৰু শিষ্যসকলে পৰৱৰ্তী কালত কিতাবুল মোকদ্দছ সম্পৰ্কীয় ভুল ব্যখ্যাৰ সৈতে যুজিছিল। সোতৰ শতিকাৰ শেষৰ ফালে এই উপাসকসকল সম্পূৰ্ণৰূপে অদৃশ্য হৈছিল।

প্ৰসঙ্গক্ৰমে, মই সেই বন্ধুসকলক, যিসকলে কয় যে ইছলাম এই সকলোৰ পৰা মুক্ত আছিল বা পূজা-উপাসকসকলৰ পৰা নিজকে ৰক্ষা কৰিছিল। নহয়, ইছলামো এনে উপাসকসকলৰ পৰা নিজকে দূৰত ৰাখিব নোৱাৰিছিল। এনে উদাহৰণ বহুতো আছে; মই মাথো কেইটামানহে উল্লেখ কৰিম।

(ক) আল-শ্বেৰাইয়া ঃ আব্দল্লাহ ইব্‌নে শ্বেৱাৰ অনুসৰণকাৰী। তেওঁলোকে বিশ্বাস কৰিছিল যে আলি ইব্‌নে আবু তালিব এক আল্লাহ আছিল। যেতিয়া



*"উৰ্দ্ধলোকত আল্লাহৰ মহিমা আৰু পৃথিবীত, প্ৰীতিৰ পাত্ৰ মানুহবিলাকৰ মাজত শান্তি"* (লূক ২:১৪) এই বুলি গান কৰি কৰি বেহেস্তৰ পৰা ফিৰিস্তাসকল নামি আহিল। বেহেস্ত আৰু পৃথিবীৰ নাগৰিকবিলাকে কালামৰ অৱতাৰৰ বাবে বাট চাই আছিল, কাৰণ তেওঁলোকে আল্লাহে প্ৰস্তুত কৰা নাজাতৰ প্ৰতিজ্ঞাৰ বিষয়ে জানিছিল।

৩। শিশু ঈছাৰ মন্দিৰত প্ৰৱেশ। এয়ে হগ্‌গয়ৰ নৱুৱতী সিদ্ধ কৰিছিল, *"মই আটাই জাতিক কঁপাম; আৰু আটাই জাতিৰ বাঞ্ছনীয় বস্তু আহি'ব; বাহিনীবিলাকৰ আল্লাহে কৈছে, এই গৃহটিৰ পূৰ্ব্বৰ প্ৰতাপতকৈ তাৰ শেষৰ প্ৰতাপ অধিক হ'ব, আৰু বাহিনীবিলাকৰ আল্লাহে কৈছে, এই ঠাইতেই মই শান্তি দান কৰিম"* (হগ্‌গয় ২:৭-৯)।

**মছীহি ধৰ্ম্মৰ আগতেই পাৰস্য, গ্ৰীচ, ৰোম, ভাৰতবৰ্ষ, চীন আৰু মিচৰত দেওপূজকবিলাকৰ সেৱাত ত্ৰিত্বৰ কথা বিদিত আছিল। ইয়াৰ ৰহস্য কি?**

মছীহি ধৰ্ম্মমতৰ ত্ৰিত্ব আৰু দেওপূজকবিলাকৰ ত্ৰিত্বৰ মাজত ডাঙৰ পাৰ্থক্য আছে:

১। মিচৰ দেশীসকলে অ'চাইৰিচ, আইচিচ আৰু হ'ৰাচক লৈ এক ত্ৰিত্বত বিশ্বাস কৰিছিল, কিন্তু এওঁলোক তিনিজন দেৱতা আছিল, এজন নহয়।

২। একেদৰে, ভাৰতীয়বিলাকে বিশ্বাস কৰিছিল যে আত্ম-জ্ঞান নোহোৱাকৈ, সকলো গুণৰ পৰা মুক্ত এজন সাধাৰণ দেৱতাৰ এক সাৰভাগ আছিল। তেওঁৰ প্ৰতিনিধিত্ব কৰিবলৈ আৰু অন্য দেৱতাবোৰতকৈ শ্ৰেষ্ঠ হ'বলৈ তেওঁৰ পৰা তিনিজন দেৱতা ওলাল। প্ৰথমজন দেৱতা ব্ৰহ্ম স্ৰজন কৰোঁতা আৰু সকলোৰে উৎস আছিল। দ্বিতীয়জন দেৱতা বিষ্ণু সকলো বস্তুৰে ৰক্ষক আছিল। তৃতীয়জন দেৱতা শিৱ ধ্বংসকাৰী আছিল।

৩। পাৰ্চীবিলাকে দুজন মহান দেৱতাক বিশ্বাস কৰিছিল: প্ৰথম দেৱতাজন অ'ৰমুজ'ড' আছিল। তেওঁ মঙ্গলৰ দেৱতা আছিল। দ্বিতীয় দেৱতাজন আহ'ৰিমান আছিল। তেওঁ অমঙ্গলৰ দেৱতা

এই জাতিবোৰক ঢংকি পোৱাত সহায় কৰা এটা অতি গুৰুত্বপূৰ্ণ উপাদান আছিল কিতাবুল মোকাদ্দছক গ্ৰীক ভাষালৈ তৰ্জ্জমা কৰাটো, এই কাৰ্য্যই মছীহৰ আগমণৰ বিষয়ে নবুৱতীবোৰ লক্ষ্য কৰিবলৈ আৰু তেওঁক গ্ৰহণ কৰিবলৈ সাজু থাকিবলৈ অধাৰ্ম্মিক জগতখনক সহায় কৰিছিল। ই সঁচাকৈয়ে অতি আশ্চৰ্য্যজনক কথা যে এই আটাইকেইটা জাতিয়ে নিজে গম নোপোৱাকৈ প্ৰভুৰ পথ যুগুত কৰাত ঐক্যবদ্ধ হৈছিল।

আটাইতকৈ অদ্ভুত কথাটো আছিল মছীহৰ আগমণৰ আগতে ইহূদী লোকবিলাকৰ উৎসুকপূৰ্ণ আশা। পৰ্য্যবেক্ষকবিলাকে মন্তব্য আগবঢ়াইছে যে প্ৰায় পাঁচ শতাব্দী ধৰি দৈৱবাণী প্ৰকাশৰ প্ৰণালীত ভঙ্গ হোৱাৰ পৰাই এই আশাৰ উদয় হৈছিল। এনে ধৰণৰ পৰিস্থিতিত মানুহে পাহৰি যোৱা আৰু তেওঁলোকৰ আশা দুৰ্ব্বল হৈ অহাৰ আশা কৰা যায়। কিন্তু এনে হোৱা নাছিল, কাৰণ তেওঁলোকে বৰ্দ্ধিত উৎসাহেৰে সকলো জাতিৰ বাঞ্ছালৈ হেপাহেৰে বাট চাই আছিল।

ইয়াত কোনো সন্দেহ নাই যে কিতাবুল মোকাদ্দছ অধ্যয়ন কৰা পৰজাতিবিলাকেও ইহূদীবিলাকৰ হেপাহৰ ভাগ লৈছিল। বৈৎলেহেম নগৰৰ দানাপাত্ৰত থকা শিশু ঈছাক শ্ৰদ্ধা যাচিবলৈ পূবৰ পৰা পবিত্ৰ দেশলৈ জ্ঞানী লোকবিলাকৰ আগমণৰ পৰাই এই কথাৰ প্ৰমাণ পোৱা যায়।

উল্লেখযোগ্য যে বৈৎলেহেমৰ দানাপাত্ৰত কালামে অৱতাৰ গ্ৰহণ কৰাৰ সময়ত কিছুমান গুৰুত্বপূৰ্ণ ঘটনা ঘটিছিল, যিবোৰে প্ৰভুৰ বাবে বাট চাই থকাসকলৰ অন্তৰত আশাৰ ৰেঙনি আনিছিল। তাৰ ভিতৰত আছিল:

১। মলাখী নবীৰ পাছত ৰুদ্ধ হৈ পৰা নবুৱতী আৰু গুপ্ত কথা প্ৰকাশ কৰাৰ উদ্যমৰ পুনৰ্নাগমণ। এতিয়া যিহেতু নবীসকলক অনুপ্ৰাণিত কৰাজন ইয়ালৈ আহিল, এই বৰ পুনৰ সজীৱ হৈ উঠিল – প্ৰথমে ইমাম জখৰিয়াত, তাৰপাছত এলীচাবেতত, তাৰপাছত ঈছাৰ মাতৃ মৰিয়মত, তাৰপাছত ইউচুফত, বৃদ্ধ চিমিয়োন, নবী হান্নাত আৰু শেষতে, ইউহোন্না ডুবকত।

২। বেহেস্ত আৰু পৃথিবীত বিয়পি পৰা মহা আনন্দ।



তেওঁ সিহঁতক জ্বলনৰ দ্বাৰা শাস্তি দিছিল, সিহঁতে কৈছিল, '**আমি এতিয়া জানিলো যে আপুনি আমাৰ আল্লাহ, কাৰণ আল্লাহই জুইৰ দ্বাৰা শাস্তি দিয়ে।**”

(খ) চয়তান পন্থী ঃ মোহম্মদ ইব্নে নামানৰ অনুসৰণকাৰী। এওঁক চয়তান বোলা হৈছিল। অনুসৰণকাৰীসকলে তেওঁ চয়তান বুলি আৰাধনা কৰিছিল।

(গ) উয়িংগাৰ বা/ ডেউকা থকাসকল ঃ আব্দল্লাহ ইব্নে মোয়াৰিয়াৰ অনুসৰণকাৰী। তেওঁলোকে বিশ্বাস কৰে যে আল্লাহৰ ৰুহু প্ৰথমে আদমৰ লগত আছিল আৰু তেওঁৰ পৰা আবদুল্লাহলৈকে আহিছিল। আবদুল্লাহক কোৱা হৈছিল '**দুই ডেউকা থকা আল্লাহ**।'

(ঘ) আল-বাজিঘাহ ঃ বাজিঘ ইব্নে মাওচাৰ অনুসৰণকাৰী।

(ঙ) আল-হাইতিয়াহ ঃ আহমেদ ইব্নে হাইতৰ অনুসৰণকাৰী।

(চ) আল-মিজদাৰিয়াহ ঃ ইছাহ ইব্নে ছুভৰ অনুসৰণকাৰী। এওক আল-মিজদাৰ বুলিও কোৱা হয়।

তেওঁলোকে বিশ্বাস কৰিছিল যে আল্লাহেও ভুল কৰিব পাৰে, মিছা, নিৰ্দয় আৰু অন্যায় কৰিব পাৰে। তেওঁলোকে কৈছিল যে কোৰাণ মানুহেই সৃষ্টি কৰিছিল আৰু মানৱে ইয়াৰ দৰে সাজিব পাৰে। তেনে অনা ইছলামীয় গোষ্ঠী বা উপদল আৰু বহুতো আছে, কিন্তু আমি এই পুস্তিকাখনিত অন্তৰ্ভুক্ত কৰিব খোজা নাই।

**সেই উপাসকবোৰৰ আৱিৰ্ভাৱৰ বাবে ইছলাম দায়বদ্ধ নে? তেওঁলোকৰ উপস্থিতিয়ে মুছলমান ধৰ্মৰ পৰিবৰ্তন আনিবনে?**

**(২) 'মনোনয়ন কৰা কাম'** শব্দটি ঈছা মছীহৰ ক্ষেত্ৰত অন্যায়ভাৱে ব্যৱহৃত হৈছে, কাৰণ দেৱত্ব মানৱজাতিৰ মনোনয়নৰ আজ্ঞাধীন নহয়। যদিও আপুনি ইয়াক গ্ৰহণ নকৰে, ই সত্য যে, ঈছা মছীহ সত্য আল্লাহৰ সত্য সন্তান। তেওঁ নিজে এই সত্য প্ৰচাৰ কৰিছিল, জনসাধাৰণে তেওঁক শুনিছিল আৰু সকলো দেশৰ বৃহৎ সংখ্যকে, বিশ্বাস আৰু মানসিকতাৰে এই সাক্ষ্য পঢ়িছিল। শিষ্য, জ্ঞানী মানুহ, বিজ্ঞানী, মহান আৰু সাধাৰণ সকলো মানুহে তেওঁৰ সাক্ষ্য পঢ়িছে আৰু তেওঁলোকৰ হৃদয় আৰু চকু মুকলি কৰি তেওঁক নাজাতদাতা ৰূপে গ্ৰহণ কৰিছে। হৈ সকলোৱেই তেওঁলোকৰ অন্তৰত তেওঁৰ গৌৰৱময় কথাত মনোনিবেশ কৰিব। সকলোৱে ভক্তিভাৱেৰে তেঁত লাগি থাকি শেষ বিচাৰৰ সময়ত পাবলগীয়া পুৰস্কাৰৰ বাবে ৰৈ থাকিব।

এজন জাৰ্মান লিখকে কৈছিল, '**যদি মছীহ মাত্ৰ এজন শিক্ষক হয়, তেওঁক শুনা সকলোৱে মনোযোগ আৰু বিশ্বাস নিৰৰ্থক হৈ পৰিব। কিন্তু পৃথিৱীৰ**

**নাজাতদাতা হোৱা কাৰণে তেওঁ সেই শব্দবোৰৰ ওপৰত জোৰ দিছে, যিয়ে তেওঁৰ আচৰিত ব্যক্তিত্বক নিৰ্দেশ কৰে। যিজনে তেওঁক বিশ্বাস কৰে তেওঁৰ ‘উদ্ধাৰ হ’ব।’**

বিশ্বপ্ চাৰজিয়াছে কৈছিল, “ঈছা মছীহ অদ্বিতীয়। যেতিয়া আমি ইঞ্জিল শ্বৰীফ পঢ়ি পাও যে মছীহ য’লৈকে গৈছিল মানুহে তেওঁক প্ৰশ্ন কৰিছিল।” যেতিয়া জনসাধাৰণে তেওঁৰ শিক্ষা শুনিছিল, ধৰ্মপ্ৰচাৰ আৰু অলৌকিক কাম কৰা দেখিছিল, তেওঁলোকে কৈছিল, “এই জ্ঞান আৰু শক্তি তেওঁ ক’ৰ পৰা পায়? তেওঁ জানো কাঠমিস্ত্ৰীৰ পুত্ৰ নহয়? তেন্তে এয়া কি? এই নতুন শিক্ষা, ভূতক আদেশ দিয়াৰ ক্ষমতা আৰু তেওঁলোকে মান্য কৰা-এইবোৰ কি?

তেওঁৰ বিষয়ে এই প্ৰশ্নবোৰ কিয়? সেইবোৰে আমাক এই সাক্ষ্য নিদিয়েনে যে এতিয়ালৈ জীৱিত মানুহবোৰৰ ভিতৰত তেওঁ আটাইতকৈ বিস্ময়কৰ? তেওঁ অদ্বিতীয় আৰু আদমৰ বংশধৰ সকলৰ ভিতৰত আটাইতকৈ শ্ৰেষ্ঠ।

ঈছা মছীহৰ নিজৰ বিষয়ে সাক্ষ্য পৰ্য্যাপ্ত নহ’লহেঁতেন যদিহে তেওঁ আল্লাহৰ ৰূহ নহ’লহেঁতেন। তেওঁ নিজৰ বিষয়ে সাক্ষ্য দিছিল, কাৰণ তেওঁ সত্য আল্লাহৰ ৰূহ। তেওঁৰ দাবীৰ পৰা আমি বিচাৰি উলিয়াব পাৰো যে তেওঁ শ্ৰেষ্ঠ ক্ষমতাসম্পন্ন।

(ক) তেওঁৰ ক্ষমতা বা অধিকাৰঃ বেহেস্থ আৰু পৃথিৱীত সকলোৰে ওপৰত (মথি ২৮ঃ১৮)

(খ) আল্লাহৰ সৈতে এক বা অভিন্নঃ আল্লাহ এজনেই আৰু মছীহ তেওঁৰ অৱতাৰ (যোহন ১০:৩০; ১৪:১১; ১৪:৯)।

(গ) অনন্ত আৰু চিৰস্থায়ী ঃ (যোহন ৮:৫৮) তেওঁৰ বিষয়ে এইটোৱে আটাইতকৈ শুভ সাক্ষ্য। তেওঁৰ ‘মই হওঁ’ কথাষাৰে একেখিনিকে ব্যাখ্যা কৰিছে। যেনেদৰে তেওঁ মোচিক সম্বোধন কৰিছিল, *“মই অৱশ্যে তোমাৰ সংগী হয়; আৰু ময়েই যে তোমাক পঠালো, ইয়াৰ চিন তোমালৈ এয়ে হ’ব যে তুমি ইজিপ্তৰ পৰা লোকবিলাকক উলিয়াই আনিলে, তোমালোকে এই পৰ্বততে আল্লাহৰ ভজনা কৰিবা।’ পাছে মুচায়ে আল্লাহক ক’লে, “চাওক, মই বণি-ইস্ৰায়েলৰ ওচৰলৈ গৈ, সিবিলাকক যেতিয়া এই কথা কম, যে “তোমালোকৰ ওপৰ পিতৃ বিলাকৰ আল্লাহে মোক তোমালোকৰ ওচৰলৈ পঠালে।” তেতিয়া সিবিলাকে তেওঁৰ নাম কি বুলি যদি সোধে, তেন্তে মই সিবিলাকক কি উত্তৰ দিম? তেতিয়া আল্লাহে মোচাক ক’লে, মই যি আছোঁ, ময়েই আছোঁ। তেওঁ আৰু ক’লে, বণি-ইস্ৰায়েলবিলাকক এইদৰে ক’বা, “আছো” জনাই মোক*



দয়া, ক্ষমা আৰু প্ৰেমো মানৱ জাতিলৈ প্ৰকাশ কৰিছিল।

হয়! এনেকৈয়ে আল্লাহৰ ইচ্ছা সিদ্ধ হৈছিল। ইম্মানুৱেলে (আমাৰ লগত আল্লাহ) নাজাতৰ উদিত পোহৰক প্ৰকাশ কৰাৰ আগতে জগতে কিছু কাল বাট চাব লাগিব। কিন্তু সেই সময় কালৰ ভিতৰত, এই দুখিত আৰু হতাশ জগতৰ প্ৰতি আল্লাহ উৎসুকপূৰ্ণৰূপে উদ্বিগ্ন হৈ আছে।

ইতিহাসে আমাক জনায় যে যেতিয়া মছীহই অৱতাৰ গ্ৰহণ কৰিছিল, সেই সময়ত পৃথিৱীত তিনিটা প্ৰভাৱশালী জাতি আছিল: গ্ৰীক, ৰোমীয় আৰু ইহুদীবিলাক। গ্ৰীকবিলাক সুশিক্ষিত আৰু সভ্য, ৰোমীয়বিলাক শক্তিশালী আৰু আধিপত্যশীল, আৰু ইহুদীবিলাক আল্লাহৰ বিধিবোৰৰ জিম্মাদাৰ আছিল। এই তিনিটা জাতিয়ে নিজে নজনাকৈ মছীহৰ পথ প্ৰস্তুত কৰিবলৈ সহযোগিতা কৰিছিল। আমি বিশ্বাস কৰোঁ যে এই ইচ্ছা বিৰুদ্ধ সহযোগিতা “প্ৰভুৰ নামেৰে” অহা জনৰ বাট প্ৰস্তুত কৰাৰ উদ্দেশ্যে দৈৱিক আদেশৰ দ্বাৰাই সম্পন্ন হৈছিল।

প্ৰথমতে, পৃথিৱীৰ সভ্য অংশবোৰ একত্ৰ কৰি আৰু সকলোতে নিৰাপত্তা বিস্তাৰ কৰাৰ দ্বাৰাই বাট প্ৰস্তুত কৰিবলৈ আল্লাহে ৰোমীয়বিলাকক ব্যৱহাৰ কৰিছিল। তাৰ আগতে, চোৰ-ডকাইতবোৰে ধ্বংস বিস্তাৰ কৰি ঘূৰি ফুৰিছিল যাৰ বাবে পবিত্ৰ দেশত আৰম্ভ হোৱা যি কোনো বাতৰি সেই দেশৰ সঙ্কীৰ্ণ সীমাৰ বাহিৰত বিয়পি যোৱাটো অসম্ভৱ আছিল।

সেই একেদৰে, তেওঁলোকৰ সুন্দৰ আৰু নমনীয় ভাষা বিস্তাৰ কৰি গ্ৰীকবিলাকে মছীহৰ বাবে বাট প্ৰস্তুত কৰিবলৈ অজানিতভাৱে তেওঁলোকৰ ভূমিকা পালন কৰিছিল, কাৰণ সেই সময়ত গোটেই সাম্ৰাজ্যতে গ্ৰীক ভাষা প্ৰধান আৰু চৰকাৰী ভাষা আছিল। সভ্য জগতৰ সকলো ভাগতে ইঞ্জিল বিস্তাৰ কৰিবলৈ এই ভাষা এক উত্তম আহিলা আছিল।

আনহাতে গোটেই পৃথিৱীতে বিয়পি থকা ইহুদীবিলাকৰ ক্ষেত্ৰত, তেওঁলোকে তেওঁলোকৰ পবিত্ৰ শাস্ত্ৰবোৰ লগত কঢ়িয়াই ফুৰিছিল, কাৰণ প্ৰত্যেক শণিবাৰে (বিশ্ৰাম-বাৰ) ধৰ্ম্মধামত সেইবোৰ পাঠ কৰিবলৈ মুচা নবীয়ে তেওঁলোকক নিৰ্দ্দেশ দিছিল।

সংশোধনৰ সময়ৰ আগতে অভিশাপৰ পৰিনামবোৰ দেখা পোৱা যাব।

তাৰোপৰি, মোচা অহাৰ আগতে মছীহৰ আগমণ উপযুক্ত নহলহেঁতেন, কাৰণ প্ৰায় সৰহ'ভাগ মানুহে আল্লাহৰ বিৰুদ্ধে একেলগে বিদ্ৰোহ কৰা নাছিল। আন কথাত, তেওঁলোক সকলোৱে মূৰ্ত্তি পূজাৰ অন্ধকাৰৰ তলত নাছিল।

জলপ্লাৱণৰ আগতে বা ঠিক তাৰ পাছতে মছীহ নহাৰ এটা কাৰণ হয়তো হ'ব পাৰে যে আল্লাহে আদমৰ আগত কোৱা কথা মতে পৃথিবীখন মনুষ্যৰে পূৰ্ণ দেখা পাবলৈ বিচাৰিছিল (আদিপুস্তক ১:২৮)।

বেবিলনৰ দেশান্তৰৰ আগতে মছীহৰ আগমণ উপযুক্ত নাছিল, কাৰণ চয়তানৰ ৰাজত্বই তেতিয়াও চৰম পৰ্য্যায় পোৱা নাছিল। দেশান্তৰৰ আগতে মূৰ্ত্তিপূজকবিলাকৰ ৰাজ্য ডাঙৰ নাছিল। আৰু সেইবাবে আল্লাহে উচিত দেখিলে যে ইতিহাসে জনা আটাইতকৈ বিশাল সাম্ৰাজ্যৰ ৰাজত্বকালত মছীহ আহি'ব লাগে। সেই ৰাজ্য আছিল ৰোমান সাম্ৰাজ্য যি এই পৃথিবীত চয়তানৰ দৃশ্যমান ৰাজ্য আছিল। গৌৰৱৰ আৰু শক্তিৰ শিখৰত থকাৰ সময়ত এই মহান সাম্ৰাজ্যক জয় কৰি, মছীহই চয়তানৰ ৰাজ্যক পৰাস্ত কৰিলেহেঁতেন।

প্ৰধান কথাটো হৈছে, আমাক উদ্ধাৰ কৰিবলৈ, সময় সম্পূৰ্ণ হলত "ইম্মানুৱেল – আল্লাহ আমাৰ লগত" হ'বলৈ, **"যি কালাম আদিতে আল্লাহৰ লগত আছিল আৰু কালামেই স্বয়ং আল্লাহ আছিল",** সেই কালাম সঁচাকৈয়ে আহিছিল। চকুৰে তেওঁক দেখিব, কাণেৰে তেওঁক শুনিব আৰু হাতেৰে তেওঁক স্পৰ্শ কৰিব। চকুৰে "অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ, পিতৃৰ একমাত্ৰ পুত্ৰৰ উপযুক্ত যি প্ৰভাৱ, সেই প্ৰভাৱ" দেখিবলৈ পাব। তেওঁত বিশ্বাস কৰাবিলাকে তেওঁৰ পৰিপূৰ্ণতাৰ পৰা, আৰু অনুগ্ৰহৰ পৰা অনুগ্ৰহ লাভ কৰিছিল। অৱতাৰী কালামেই সৰ্ব্বোচ্চ প্ৰকাশ আছিল, যাৰ দ্বাৰাই আল্লাহে মানৱ জাতিৰ আগত নিজক প্ৰকাশ কৰিছিল। আল্লাহে কেৱল তেওঁৰ শক্তি আৰু মহানতাই প্ৰকাশ কৰা নাছিল, কিন্তু আল্লাহৰ প্ৰেমময় আৰু দয়ালু অন্তৰ, তেওঁৰ



*তোমালোকৰ ওচৰলৈ পঠালে"* (তৌৰাত ৩:১২-১৪)।

'ময়েই সেই মইজনা'ৰ অৰ্থ হ'ল মছীহই নিজকে প্ৰকাশ কৰি তেওঁ যে একেজন আল্লাহৰ ৰূহ তাক জাহিৰ কৰে। তেৰেই মোচিক জোপোহাবনত দেখা দিছিল।

মছীহই যোহনৰ সতে পান্ত দ্বীপত কথা পাতিছিল। *"মই আলফা আৰু ওমিগা, যিজনা বৰ্ত্তমান, ভূত, ভৱিষ্যত আৰু সৰ্বশক্তিমান, সেই প্ৰভু পৰমেশ্বৰে কৈছে"* (প্ৰকাশিত বাক্য ১:৮)। আলফা আৰু ওমিগা মানে গ্ৰীক বৰ্ণমালাৰ মতে প্ৰথম আৰু শেষ। ইয়ে যীচুখ্ৰীষ্টৰ আৰম্ভণি পৰা শেষলৈকে থকা বুজাইছে।

(ঘ) আল্লাহই ঈছা মছীহৰ মাধ্যমত কথা পাতেঃ *"মই যে পিতৃত আছো আৰু পিতৃও যে মোত আছে, ইয়াক তুমি বিশ্বাস নকৰানে? মই যি যি কথা তোমালোকক কওঁ সেইবোৰ নিজৰ পৰা নকও, কিন্তু পিতৃয়ে মোত থাকি তেওঁৰ কাৰ্যবোৰ সাধন কৰে।"* (ইউহোন্না ১৪:১০)

(ঙ) মছীহ বেহেস্থ আৰু পৃথিৱীত (ইউহোন্না ৩:১২)ঃ ইয়াত তেওঁ অকল বেহেস্থৰ পৰা অহাৰ কথাই কোৱা নাই, কিন্তু তেওঁ তাৰো পূৰ্বৰ অৱস্থিতিৰ কথাও কৈছে।

(চ) মছীহই জীৱিত আৰু মৃত্যুলোকৰ বিচাৰ পতি (মথি ২৫:৩১-৪১)। এই কথা কৈ মছীহই আমাক বুজাইছে যে তেৰেঁই একমাত্ৰ সৎ-বিচাৰপতি। তেওঁ নিজ যশস্যাৰে দেৱদূতৰ সতে উভতি আহিব (মথি ২৬:৬৩-৬৪)।

(ছ) তেওঁ সৰ্বত্ৰ বিদ্যমানঃ তেওঁ তেওঁৰ চাহাবসকলক এইদৰে দাবী কৰিছিল। মথি (২৮:২০; ১৮:২০)।

(জ) তেৰেই শ্বৰীয়তৰ ৰচোতা আৰু বা পালন কৰোতাঃ (মথি ৫:২১-৪৮)। তেওঁৰ কৰ্মই তেওঁৰ ঐশ্বৰীকত্বৰ প্ৰমাণ দিয়ে।

(১) মৃত্যুৰ পৰা পুনৰুত্থিত মছীহঃ (লুক ৭:১৩-১৫, মাৰ্ক ৫:২২; যোহন ১১:১-২৭)।

(২) পাপৰ ক্ষমা কৰোতাঃ (মাৰ্ক ২:৫-১২)।

(৩) সৰ্বজ্ঞঃ (লুক ২২:১০-১২)।

(৪) প্ৰকৃতিৰ ওপৰত শক্তি আৰু অধিকাৰঃ (লুক ৮:২২-২৫)।

(৫) পবিত্ৰ আত্মক পঠাওতাঃ (যোহন ১৫:২৬)।

(৬) তেওঁ আৰু তেওঁৰ নিমিত্তেই সকলো হ'লঃ (কলচীয়া ১:১৬)।

পিতৃয়ে তেওঁৰ পুত্ৰ ঈছা মছীহৰ দেৱত্বৰ সাক্ষ্য দিছে। তেওঁ তেওঁৰ সত্যতা

জাহিৰ কৰিছিল নবী ইশায়া লিখিত কিতাপত। ইশায়া যিচয়া ৯:৬ঃ *“কিয়নো আমালৈ এটি ল’ৰা জন্মিল আমাক এটি পুত্ৰ দান কৰা হ’ল আৰু তেওঁৰ কান্ধত শাসনভাৰ অৰ্পিত হ’ব আৰু তেওঁ আশ্চৰ্য, মন্ত্ৰী, পৰাক্ৰমী আল্লাহ, অনন্তকালস্থায়ী পিতৃ আৰু শান্তিৰাজে নামেৰে প্ৰখ্যাত হ’ব।”* ইশায়া ৭:১৪ আয়াতত এনেদৰে কৈছে, *“এই হেতুকে প্ৰভুৱে নিজে তোমালোকক এক চিন দিব, চোৱা যুৱতীজনী গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিব আৰু তেওঁৰ নাম ইম্মানুৱেল (আমাৰ লগত আল্লাহ) ৰাখিব।”* আকৌ মথি ১:২৩ এ সোঁৱৰাই দিয়ে। *“চোৱা সেই কন্যাই গৰ্ভৱতী হৈ পুত্ৰ প্ৰসৱ কৰিব আৰু লোকে তেওঁৰ নাম ইম্মানুৱেল থব (এই নামৰ অৰ্থ আমাৰ লগত আল্লাহ)।”*

চাহাবাসকলে মছীহৰ দেৱত্বৰ সাক্ষী দিছে। সেই চাহাবাসকলৰ আৰু শিষ্যসকলৰ সাক্ষ্য (যিসকলে পুৰণি ইহুদী আইন অধ্যয়ন কৰিছিল) বৰ গুৰুত্বপূৰ্ণ। তেওঁলোকৰ সাক্ষ্য মছীহৰ স’তে জড়িত হৈ থকা অভিজ্ঞতাৰ পৰা, তেওঁৰ শিক্ষা শুনি আৰু তেওঁৰ অলৌকিক ঘটনা দেখাৰ পৰা আহিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে আল্লাহ এজন, যি শিক্ষা তৌৰাত শ্ৰৰীফৰ পৰা পৃথক নাছিল। তেওঁলোকে মছীহত তেওঁলোকৰ আত্মিক জীৱনৰ জীৱিত পানীৰ উৎস পাইছিল। তেওঁলোকৰ মাজৰ অহংকাৰীবোৰে মছীহক নাজাতদাতা আৰু আল্লাহ বুলি অস্বীকাৰ কৰিছিল। ইয়াতে তেওঁলোকে মছীহৰ বিষয়ে দিয়া সাক্ষ্যৰ কিছু অংশ।

**(ক) মাৰ্কঃ** সু-সমাচাৰ লেখক। তেওঁৰ শুভবাৰ্ত্তাৰ ভূমিকাত এনেদৰে লিখিছে, “ঈছা আল-মছীহ, ইব্‌নে আল্লাহৰ শুভবাৰ্তাৰ আৰম্ভণ” আৰু ইয়াক সামৰণি মাৰিছে এনেদৰে, **“এইদৰে তেওঁলোকে সৈতে কথা হোৱাৰ পাছত, মছীহক বেহেস্তলৈ নিয়া হ’ল আৰু তেওঁ আল্লাহৰ সোঁহাতে বহিল। পাছে তেওঁলোকে ওলাই গৈ, সকলো ঠাইতে ঘোষণা কৰিলে; আৰু প্ৰভুৱে লগে লগে কাৰ্য কৰি, সেই অনুগামী চিনৰ দ্বাৰাই বাক্য সপ্ৰমাণ কৰিলে।”**

**(খ) যোহনঃ** সু-সমাচাৰ প্ৰচাৰ কৰোতা আৰু মৰমৰ শিষ্য। তেওঁৰ শুভবাৰ্ত্তা এনেদৰে আৰম্ভ কৰিছে, *“আদিতে কালাম আছিল আৰু কালাম আল্লাহৰ সৈতে আছিল আৰু কালামেই স্বয়ং আল্লাহ। তেওঁ আদিতে আল্লাহৰ সৈতে আছিল। তেওঁৰ দ্বাৰাই সকলোৱেই হ’ল আৰু যি যি হ’ল, সেইবোৰৰ এটাও তেওঁৰ বিনে নহ’ল।”* মূল গ্ৰীকত ‘কালাম’ হ’ল ‘লগছ’ (Logos)। ইয়াক এনেদৰে ব্যাখ্যা দিব পাৰি, শক্তি যি গোটেই বিশ্বৰ গৰাকী বা ‘**আল্লাহ আৰু মানুহৰ মধ্যস্থতাকাৰী**’। তেওঁৰ দ্বাৰাই বিশ্বৰ সৃষ্টি হৈছিল। সেই সকলোবোৰৰ কৰিবলৈ তেওঁ বুজাব খুজিছিল যে আল্লাহৰ বাবে দেহধাৰী অস্তিত্ব অসম্ভৱ। তেওঁ কৈছে



উঠি গল।”

৪। অন্য এটা, “ইস্ৰায়েলৰ ৰজা দায়ূদে ঈছাক বধ কৰিবলৈ এজন মানুহ পঠালে। সেই মানুহজনে লগত আৰু মানুহ লৈ আহিল। ঈছা তেওঁৰ তেৰজন উম্মতৰ লগত আছিল। তেওঁ যেতিয়া তেওঁলোক আহি পালে বুলি গম পালে, তেওঁ এজন উম্মতক দেখিবলৈ ঠিক তেওঁৰ নিচিনা বনালে। ইহুদীবিলাকে যেতিয়া সেই উম্মতজনক দেখা পালে, তেওঁলোকে তেওঁক বাহিৰলৈ লৈ গৈ সলীবত দিলে।”

ঈছাৰ সাদৃশ্যলৈ পৰিবৰ্ত্তণ কৰা মানুহজন তেন্তে কোন আছিল? তেওঁ ইহুদা নে অন্য কোনোবা আছিল? এয়ে হল কৰুণ ও হাস্যৰসযুক্ত নাটক: অৰ্থাৎ কবলৈ গলে, **আল্লাহক নিষ্ঠুৰতাৰ দোষ আৰোপ কৰা; যে তেওঁ বিশ্বাসঘাতকতা কৰিছিল আৰু এজন দুৰ্ভগীয়া নিৰ্দ্দোষী মানুহক সলীবত দিবলৈ আৰু বধ কৰিবলৈ সোধাই দিছিল। আল্লাহে কোনোজনক ছল কৰা তেওঁৰ পৰা বহু দূৰত। “তেওঁত ঈমান ৰখা মানুহক আল্লাহে ভুৱা নিদিয়ে; তেনে প্ৰতাৰণা মানুহেহে লগৰ মানুহক কৰে।”**

## প্ৰশ্ন: নাজাতৰ উপায় মছীহ অহালৈকে কিয় স্থগিত ৰখা হৈছিল? মছীহৰ নাজাতৰ আগতে মৃত্যু হোৱাবিলাকৰ ভাগ্য কি?

**উত্তৰ:** আল্লাহে তেওঁৰ পৰামৰ্শত জগতৰ উদ্ধাৰৰ বাবে এক সময়, স্থান আৰু কোৰবানী নিযুক্ত কৰিছিল। এই উপায়ৰ ভিতৰত আপুনি ব্যৱহাৰ কৰা “স্থগিত” বোলা শব্দটো নাই।

ই সত্য যে আদমৰ পতনৰ ফল স্বৰূপে জগতখন অভিশাপত পৰিছিল। আল্লাহে সিদ্ধান্ত লৈছিল যে আমাৰ প্ৰভু ঈছা মছীহৰ আগমণৰ যোগেদি সকলো আগৰ অৱস্থালৈ ঘূৰি অহাৰ আগতে এই স্বাভাৱিক গতি সিদ্ধ হ’ব লাগিব। পৃথিবীৰ আকৃতি সলনি কৰিব লগীয়া এক বিশ্বজুৰি ধ্বংসৰ অন্তত এই কাৰ্য্য হ’ব। এই ধৰণে,

আৰু তেওঁৰ বন্ধুজনে তেওঁৰ ঠাই লবলৈ উপযাচি আগবাঢ়ি আহিল। সেইবাবে আল্লাহে সেই বন্ধুজনৰ ওপৰত মছীহৰ সাদৃশ্য দিলে। ইহূদীবিলাকে তেওঁক লৈ গৈ সলীবত দিলে, কিন্তু ঈছা বেহেস্তলৈ উঠি গল।

৪। মছীহৰ এজন উম্মতে (ইহূদা) সঙ্গত্যাগ কৰিলে আৰু ঈছাক চিনাক্ত কৰি দিবলৈ ইহূদীবিলাকৰ লগত আহিল। ঈছাক ধৰিবলৈ তেওঁবিলাকৰ সৈতে ভিতৰলৈ সোমাই যোৱাৰ লগে লগে, আল্লাহে তেওঁৰ ওপৰত ঈছাৰ সাদৃশ্য ঢালিলে। তেতিয়া ইহূদীবিলাকে ইহূদাক বাহিৰলৈ লৈ গৈ তেওঁক সলীবত দিলে।

এই সাদৃশ্য বা চেহেৰা আৰোপৰ বিষয়ে ইমাম আবু-জাফাৰ আল‘-তাবাৰিয়ে “টীকা”ত কেইবাটাও কাহিনী উল্লেখ কৰিছে:

১। কিছুমানে কয়, “ইহূদীবিলাকে যেতিয়া ঈছা আৰু তেওঁৰ বন্ধুসকলক আগুৰি ধৰিছিল, তেতিয়া সকলোৱে ঈছাৰ সাদৃশ্য লৈছিল। ইহূদীবিলাক বিমোৰত পৰিছিল আৰু সেইবাবে আনবিলাকৰ মাজত এজনক হত্যা কৰিছিল (ছালমাৰ পাছত)”।

২। অন্য এটা কাহিনী: “ঈছাই লগত সোতৰজন উম্মত লৈ আহিছিল। ইহূদীবিলাকে তেওঁলোকক আগুৰি ধৰিলে। আল্লাহে উম্মতবিলাকক ঈছাৰ সাদৃশ্য কৰিলে। ইহূদীবিলাকে উম্মতবিলাকক কলে, ‘তোমালোকে আমাক মোহিনী বাণ মাৰিলা। তোমালোকে আমাক তোমালোকৰ মাজত কোনজন ঈছা কোৱাই উত্তম, নহ’লে আমি তোমালোক সকলোকে বধ কৰিম’। তেতিয়া ঈছাই উম্মতবিলাকক কলে, ‘বেহেস্তৰ বাবে আজি কোনে নিজৰ প্ৰাণ দিবলৈ ইচ্ছুক?’ এজন উম্মত আগবাঢ়ি আহিল আৰু বাহিৰলৈ ওলাই গৈ ইহূদীবিলাকক কলে, ‘ময়েই ঈছা’। তেওঁলোকে তেওঁক লৈ গৈ সলীবত দিলে।

৩। অন্য এটা বিবৰণ, “ইস্ৰায়েলৰ সন্তানবিলাকে এটা ঘৰত ঈছা আৰু উনৈশজন উম্মতক আগুৰি ধৰিলে। ঈছাই উম্মতবিলাকক কলে, ‘কোনে মোৰ সাদৃশ্য লৈ, মৰি আৰু বেহেস্তলৈ যাবলৈ ইচ্ছুক?’ এজন উম্মতে নিজক যাচিলে আৰু তেওঁক বাহিৰলৈ লৈ গৈ সলীবত দিয়া হ’ল,আনহাতে ঈছা বেহেস্তলৈ



*“সেই কালাম মাংস হ’ল আৰু অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ হৈ, আমাৰ মাজত বসতি কৰিলে তাতে পিতৃৰ একমাত্ৰ পুত্ৰৰ উপযুক্ত যি প্ৰভাৱ, সেই প্ৰভাৱ আমি দেখিলোঁ।”* (যোহনঃ১:১৪)

**(গ) ৰছুল পিতৰঃ** তেওঁ ইহুদী আৰু সম্ভ্ৰান্ত জনসাধাৰণৰ উপস্থিতিত কৈছিল, *“হে বনি-ইস্ৰায়েলীয়াসকল এই কথা শুনা। নাচৰতীয়া ঈছা পৰাক্ৰম কাৰ্য, অদ্ভুত লক্ষণ আৰু চিনবোৰৰ দ্বাৰাই তোমালোকলৈ আল্লাহৰ পৰা প্ৰমাণিত মনুষ্য; তেওঁৰ দ্বাৰাই আল্লাই তোমালোকৰ মাজত সেই সকলো কাৰ্য কৰিলে; তাক তোমালোকে পূৰ্বজ্ঞান অনুসাৰে সোধাই দিয়া হ’লত তোমালোকে অধৰ্ম্মীবোৰৰ হতুৱাই ক্ৰুচত দি বধ কৰালা, কিন্তু আল্লাহে তেওঁক মৃত্যু যন্ত্ৰণাৰ পৰা মুক্ত কৰি পুনৰায় তুলিলে; কিয়নো তেওঁৰ মৃত্যুবন্ধনত থকা অসাধ্য। কাৰণ তেওঁৰ বিষয়ে দায়ুদে কৈছিল বোলে, এই প্ৰভুক সদায় মোৰ সন্মুখত দেখিলোঁ; মই নলৰিবলৈ তেওঁ মোৰ সোঁফালে থাকে; এতেকে মোৰ মন আনন্দিত আৰু মোৰ জিবা উল্লাসিত হ’ল আৰু মোৰ শৰীৰো আশাযুক্ত হৈ বিশ্ৰাম কৰিব; কিয়নো তুমি পৰলোকত মোৰ আত্মা ত্যাগ নকৰিবা আৰু তোমাৰ পবিত্ৰ জনক ক্ষয় পাবলৈ নিদিবা। তুমি মোক জীৱনৰ পথ জনালা আৰু তোমাৰ সন্মুখত মোক আনন্দেৰে পূৰ কৰিবা। হে ভাইসকল, পিতৃকুলপতি দায়ুদৰ কথা তোমালোকৰ আগত স্পষ্টকৈ ক’ব পাৰোঁ যে, তেওঁ মৰিল আৰু তেওঁক মৈদামত থোৱা হ’ল আৰু তেওঁৰ সেই মৈদাম আজিলৈকে আমাৰ মাজত আছে। কিন্তু তেওঁ নবী হৈ আৰু তেওঁৰ বংশৰপৰা এজনক তেওঁৰ সিংহাসনত বহুৱাবলৈ আল্লায়ে শপত খাই তেওঁৰ আগত যে অংগীকাৰ কৰিছিল, তাকে জানি, ভাবী ঘটনালৈ চাই মছীহৰ পুনৰুত্থানৰ বিষয়ে ক’লে যে, তেওঁক পৰলোকত ত্যাগ কৰা নহ’ল আৰু তেওঁৰ শৰীৰো ক্ষয় নাপালে। সেই ঈছাক আল্লাহে পুনৰায় তুলিলে, তাৰ সাক্ষী আমি আছো। এতেকে তেওঁ আল্লাহৰ সোঁ হাতে ওখ পদ পাই আৰু পাক ৰুহুৰ বিষয়ে পিতৃৰ পৰা প্ৰতিজ্ঞা পাই, তোমালোকে যিহকে দেখি শুনি আছা, তাকে তেওঁ বাকী দিলে। কিয়নো দায়ুদ নবী বেহেস্তলৈ উঠা নাই; কিন্তু তেওঁ নিজে এই কথা ক’লে বোলে, ‘প্ৰভুৱে মোৰ প্ৰভুক ক’লে মই তোমাৰ শত্ৰুবোৰক তোমাৰ ভৰিপীৰা নকৰো মানে মোৰ সোঁহাতে বহি থাকা। এই কাৰণে, যি ঈছাক তোমালোকে সলীৱত দিলা, তেওঁক আল্লায় প্ৰভু আৰু মছীহ পাতিলে। ইস্ৰায়েলৰ সকলো মানুহে ইয়াক নিশ্চয়কৈ জানক”* (ৰছুলসকলৰ বিৱৰণ ২:২২-৩৬)।

**(ঘ) চাহাবা পৌলঃ** পাক ৰূহুৰ দ্বাৰা অনুপ্ৰাণিত হৈ পৌলে কৈছিল— *"তথাপি আমি সিদ্ধ লোকসকলৰ মাজত জ্ঞানৰ কথা কওঁ; সেয়ে এই যুগৰ নাইবা এই যুগৰ বিনাশৰ পাত্ৰ শাসনকৰ্তা সকলৰ জ্ঞান নহয়; কিন্তু যি জ্ঞান আল্লাহে যুগবোৰৰ পূৰ্বেই আমাৰ গৌৰৱৰ অৰ্থে নিৰূপণ কৰিলে, আমি নিগূঢ় তত্বৰ বাক্য কৈ আল্লাহৰ সেই গুপ্ত জ্ঞানৰ কথা কওঁ। সেই জ্ঞানৰ কথা এই যুগৰ শাসনকৰ্তাসকলৰ কোনেও নাজানিলে; কিয়নো জনা হ'লে, তেওঁবিলাকে প্ৰতাপৰ প্ৰভুক সলীৱত নিদিলেহেঁতেন"* (১কৰি ২:৬-৮)। মছীহই নিজকে মানুহৰ প্ৰতিমূৰ্ত্তি হিচাবে গ্ৰহণ কৰিছিল আৰু একে সময়তে তেওঁ আমালৈ আল্লাহৰ ফৰমান-অৱতাৰ ৰূহুল্লাহ।

যদি মানুহে ঈছাক প্ৰতাপৰ মহা প্ৰভু বুলি জানিলেহেঁতেন, তেওঁবিলাকে তেওঁক সলীৱত নিদিলেহেঁতেন। পৌলে কৈছিল *"তথাপি যি জনাৰ পৰা সকলো বস্তু হয় আৰু যি জনাৰ নিমিত্তে আমিও আছোঁ, আমালৈ সেই এজনা পিতৃ আল্লাহে আছে; আৰু যিজনাৰ দ্বাৰাই সকলো বস্তু হয় আৰু যি জনাৰ দ্বাৰাই আমিও আছো কেৱল সেই এক প্ৰভু ঈছা মছীহহে আছে।"* (১কৰি ৮:৬) *"....পবিত্ৰবিলাকৰ যি অধিকাৰ পোহৰত আছে, সেই অধিকাৰৰ অংশী হ'বলৈ যি পিতৃয়ে আমাক যোগ্য কৰিলে, তেওঁক ধন্যবাদ কৰা"* (কলচীয়া ১:১২)। আকৌ *"কোনেৰে যেন তোমালোকক দৰ্শন বিদ্যা আৰু প্ৰবঞ্চনাৰ দ্বাৰাই বন্দী কৰি নিনিয়ে, এই নিমিত্তে তালৈ সাৱধান হোৱা; সেয়ে মানুহবিলাকৰ পুৰুষে পুৰুষে চলি অহা বিধি আৰু জগতৰ প্ৰাথমিক বিধিৰ অনুৰূপ; মছীহৰ অনুৰূপ নহয়। কিয়নো তেওঁৰ খোদাপাকৰ সকলো সম্পূৰ্ণতা শাৰীৰিকৰূপে নিবাস কৰে আৰু তোমালোক তেওঁতেই পূৰ্ণ আছা; তেওঁ সকলো আধিপত্য আৰু ক্ষমতাৰ মূৰ"* (কলচীয়া ২:৮-১০)।

ষ্টানলী জোনচয়ে কৈছিল, **"মই বিশ্বাস কৰো যে যদি আল্লাহ পাক ঠিক ঈছা মছীহৰ দৰেই আছিল, তেন্তে তেওঁ নিশ্চয় এজন বিশ্বাসভাজন প্ৰভু।"** যেতিয়া পৃথিৱীয়ে সকলো প্ৰকাৰৰ দুৰ্যোগৰ অভিজ্ঞতা পাইছিল মানুহবোৰ আচঁৰিত হৈছিল আৰু শুধিছিল, "এই বিশ্বত এজন ভাল সৃষ্টিকৰ্তা আছেনে?" অনুৎসাহী আৰু ভয়াতুৰ মনবোৰে ঈছাৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু আশ্বাসেৰে কৈছিল, "যদি আল্লাহ যীচুৰ দৰেই হয়, তেওঁ নিশ্চয় সত্য প্ৰভু।" খ্ৰীষ্টিয়ান সকলে স্বীকাৰ কৰে যে প্ৰভু তেনেকুৱাই। তেওঁৰ সকলো বৈশিষ্ট্যৰেই তেওঁ খ্ৰীষ্টৰ দৰেই। আল্লাহৰ পবিত্ৰ গ্ৰন্থৰ বিশ্বাসী হিচাপে আমি ক'ব লাগিব আৰু আল্লাহৰ কালামেৰে একমত যে মছীহই সকলোতে থকা আল্লাহ আৰু ঈছা মছীহ হৈছে আমাৰ লগত আল্লাহ- ইম্মানুৱেল।



কৰে যে আল্লাহে তেওঁৰ গুণ আৰু তেওঁৰ আকাৰৰ যোগেদি তেওঁৰ সৃষ্টিৰ লগত থাকিব পাৰে। এই ৰহস্য মনুষ্যৰ মন আৰু জ্ঞানতকৈ ওপৰত।

তেনেহলে, মুছলমানসকলে কেনেকৈ কালামৰ অৱতাৰ, মাংসত আল্লাহৰ আবিৰ্ভাৱক মানি অহা মছীহি ধৰ্ম্মমতক গ্ৰহণ কৰিবলৈ অমান্তি হ'ব পাৰে?

**প্ৰশ্ন: যদি আদমৰ গুণাহৰ ক্ষমাৰ বাবে ইমান কৰুণ ও হাস্যৰসযুক্ত নাটকৰ দৰকাৰ, তেন্তে আদমৰ পৰা এতিয়ালৈকে সকলো মানুহৰ গুণাহ ক্ষমা কৰিবলৈ কিহৰ প্ৰয়োজন হ'ব?**

**উত্তৰ:** মই আগতেই কৈ আহিছোঁ যে মছীহৰ কোৰবানীয়ে জগতৰ গুণাহ গুচালে, গতিকে মই পুনৰ এই কথা দোহৰোৱাৰ প্ৰয়োজন নাই। আপোনাৰ হাস্যাস্পদ "নাটক"ৰ সংক্ৰান্তত, সেয়া এই দাবীত পোৱা যায় যে আল্লাহে ঈছাৰ প্ৰতিমূৰ্ত্তি আন এজনৰ ওপৰত ঢালিছিল, যাৰ পৰিচয় লৈ এনে কি মুছলমান পণ্ডিতসকলৰ মাজতো মতানৈক্য আছে, আৰু সেইজনকহে সলীবত দিয়া হৈছিল।

**তেওঁৰ পৰিচয়ৰ বিষয়ে এইবোৰ কিছুমান কল্পনা:**

১। তেওঁ তিতায়ুছ নামৰ ইহূদী আছিল, যিজনে ঈছাক আটক কৰিবলৈ এটা গৃহত সোমাইছিল। তেওঁ তেওঁক বিচাৰি নাপালে। তেতিয়া আল্লাহে তেওঁক ঈছাৰ সাদৃশ কৰিলে। যেতিয়া তেওঁ বাহিৰলৈ ওলাল, ইহূদীবিলাকে তেওঁকে ঈছা বুলি ভাবিলে আৰু তেওঁক ধৰি লৈ গৈ সলীবত দিলে।

২। ইহূদীবিলাকে যেতিয়া মছীহক আটক কৰিছিল, তেওঁলোকে তেওঁৰ ওপৰত চকু ৰাখিবলৈ এজন চন্তৰী নিযুক্ত কৰিছিল। আল্লাহে ঈছাৰ সাদৃশ্য চন্তৰীজনৰ ওপৰত ঢালিলে আৰু বেহেস্তত লৈ গ'ল। তেওঁলোকে চন্তৰীজনক লৈ যোৱাত সি "মই মছীহ নহওঁ" বুলি চিঞৰি থকা অৱস্থাত সলীবত দিলে!

৩। ঈছাই তেওঁৰ এজন বন্ধুক বেহেস্ত দিব বুলি প্ৰতিজ্ঞা কৰিছিল

আকাৰত নাথাকে।” শ্বেখ ইব্ৰাহিমে কলে: “নহয়! তেওঁ আকাৰ আৰু গুণেৰে আমাৰ লগত আছে।” আন এজন শ্বেখে সুধিলে: “আপোনালোকৰ কালামৰ কি প্ৰমাণ আছে ? ” শ্বেখ ইব্ৰাহিমে উত্তৰ দিলে: “কোৰানে কৈছে, ‘আৰু আল্লাহ তোমাৰ লগত আছে’। গতিকে আমি আল্লাহৰ ব্যক্তিগত উপস্থিতিত বিশ্বাস কৰিব লাগিব।” শ্বেখ ইব্‌ন্ আল-লাবানে কলে: “তোমালোকতকৈ আমি তেওঁৰ কাষত আছোঁ, তথাপি তোমালোকে তেওঁক দেখা নোপোৱা।” এই আয়াতটো তেওঁৰ গোলামবোৰৰ সৈতে আল্লাহৰ ঘনিষ্ঠতাৰ প্ৰমাণ। “তোমালোকে তেওঁক দেখা নোপোৱা” বুলি কোৱাৰ উদ্দেশ্য হৈছে মানুহৰ সৈতে আল্লাহৰ ঘনিষ্ঠতাৰ ওপৰত জোৰ দিয়া। তেওঁ লগতে কলে: “আমি ডিঙিৰ শিৰডালতকৈ তেওঁৰ বেছি ওচৰত।” ইয়াৰ অৰ্থ হ’ল যে তেওঁ নিশ্চয় অতিশয় ওচৰত থাকে, এনে কি সেই শিৰডালতকৈও ওচৰত। শ্বেখ ইব্ৰাহিমে কলে: “গতিকে কেৱল তেওঁৰ আকাৰৰ বাহিৰে, বাকী তেওঁৰ সকলো গুণেৰে আল্লাহ আমাৰ অতি ঘনিষ্ঠ হ’ব নোৱাৰে। সত্যতে, তেওঁৰ আকাৰ লৈয়ো তেওঁ আমাৰ ওচৰত।” শ্বেখ মহম্মদ আল্-মাঘ্ৰাবী আল্-শ্বেথলী সভালৈ আহিল আৰু তেওঁলোকৰ কথাবোৰ শুনিলে। তেওঁ কলে: “আল্লাহ চিৰস্থায়ী আৰু তেওঁৰ আৰম্ভনি নাই। এনে কি আৰম্ভনিৰ পূৰ্বৰে পৰা তেওঁ সকলো জানিছিল। অন্ত নোহোৱাকৈ আল্লাহ চিৰন্তন। আৰম্ভনিৰ পৰাই আল্লাহ তেওঁৰ সৃষ্টিৰ লগত আছে।” তেওঁলোক সকলোৱে তেওঁৰ লগত সন্মত হ’ল আৰু সভাৰ সামৰণি পৰিল। সেই সকলো পণ্ডিত আৰু বিখ্যাত শ্বেখে তেওঁৰ সকলো গুণ আৰু আকাৰৰ সৈতে আল্লাহৰ উপস্থিতিত একমত হ’ল, যিদৰে কোৰানে কৈছে: *“আৰু আল্লাহ তোমাৰ লগত”* আৰু *“আল্লাহ দয়ালুবিলাকৰ লগত”*। মথি ২৮:২০ত কিতাবুল মোকাদ্দছে কৈছে:

*“মই যি যি হুকুম তোমালোকক দিলোঁ, সেই সকলোকে পালন কৰিবলৈ তেওঁবিলাকক শিক্ষা দিয়া। আৰু চোৱা, জগতৰ শেষলৈকে মই সদায় তোমালোকৰ সঙ্গে সঙ্গে আছোঁ।”*

সামৰণিত মই কব বিচাৰোঁ যে মনুষ্যৰ আকাৰত আল্লাহৰ অৱতাৰ অতিশয় সম্ভৱ। ইছ্‌লাম ধৰ্ম্মই বিশ্বাস কৰে আৰু স্বীকাৰ



সকলো বিদ্বান ও মহান ব্যক্তি, উচ্চশিক্ষিত লোকে যদি এখন সভা আৰম্ভ কৰি আল্লাহৰ কাৰ্য্যাৱলী সম্পৰ্কে জ্ঞান লাভৰ বাবে কাক বিশ্বৰ প্ৰভু আৰু গৰাকী হিচাপে তেওঁলোকে নিৰ্বাচন কৰিব বুলি যদি প্ৰশ্ন কৰা যায়, তেন্তে তেওঁলোকে সকলো নীতিগত আৰু আধ্যাত্মিক বৈশিষ্ট্যৰে পৰিপূৰ্ণ ঈছা মছীহকহে নিৰ্বাচন কৰিলেহেঁতেন। কাৰণ ঈছা মছীহত তেওঁলোকে আল্লাহৰ প্ৰতিমূৰ্ত্তিৰ দেখা পাব।

ইয়াত কোনো সন্দেহ নাই যে মানৱজাতিৰ বাবে আটাইতকৈ ডাঙৰ খবৰটো প্ৰকাশিত হৈছিল তীমথিৰ পত্ৰত। ১তীমথিয়া ৩:১৬, *“ভক্তিৰ নিগূঢ় তত্ব নিঃসংশয়ৰূপে মহান; তেওঁক মাংসত প্ৰকাশ কৰা হ’ল, আত্মাত ধাৰ্মিক বুলি গণা হ’ল, ফিৰিস্তবিলাকৰ দ্বাৰাই দেখা পোৱা গ’ল পৰজাতি বিলাকৰ আগত ঘোষণা কৰা হ’ল, জগতত বিশ্বাস কৰা হ’ল, প্ৰতাপত তুলি নিয়া হ’ল।”* ঈছায়ীহীন বিশ্বলৈ প্ৰচাৰ কৰিবলগীয়া আটাইতকৈ ভাল খবৰটো হ’ল যে মহানশক্তিমান আল্লাহ যাৰ বিষয়ে তেওঁলোকে অলপমান জানে তেওঁ এনে মহান শক্তিমান আল্লাহ যাৰ বৈশিষ্ট্য আৰু চৰিত্ৰবোৰ ঈছা মছীহত আছে।

**(৩) ‘মনোনয়ন কৰা’ঃ** ‘মনোনয়ন’ শব্দটি পাক ৰূহুৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰি। কাৰণ পাক ৰূহু নিজেই আল্লাহ। তলৰ কিতাবুল মোকাদ্দছৰ উদ্ধৃতিবোৰে পাক ৰূহুৰ দৈৱিকতা প্ৰমাণ কৰে।

(ক) আমাৰ প্ৰভু ঈছা মছীহই চমৰীয়া তিৰোতগৰাকীক কৈছিল, *“কিন্তু যি কালত স্বৰূপ শিষ্যসকলে আত্মাৰে আৰু সত্যেৰে পিতৃৰ ভজনা কৰিব, এনে কাল আহিছে, এতিয়াও হৈছে কিয়নো পিতৃয়ে এনেকুৱা শিষ্যসকলক বিচাৰে”* (যোহনঃ৪:২৩)।

(খ) চাহাবা পিতৰে মিছা কথা কোৱা অননিয়ক কৈছিল, *“....হে অননিয়, মাটিৰ ধনৰ এভাগ নিজলৈ ৰাখি, পাক ৰূহুৰ আগত মিছা কথা ক’বলৈ, চয়তানে কিয় আমাৰ হৃদয় পূৰ কৰিলে? সেই মাটি থাকোঁতে, তোমাৰ নিজৰ নাছিলনে? আৰু বেচাৰ পাছত তাৰ মূল্যত তোমাৰ স্বত্ব নাছিলনে? তেন্তে এই কথা তোমাৰ হৃদয়ত কিয় ঠাই দিলা? তুমি মানুহৰ আগত নহয়, আল্লাহৰ আগতহে মিছা কথা কলা”* (ৰছুলসকলৰ বিৱঁৰণ ৫:৩-৪)।

এতিয়া আহো আপোনাৰ কথালৈ। খুব সম্ভৱ আপোনাৰ প্ৰতিবাদ আৰু অবিশ্বাস ইছলামিক শিক্ষাৰ ওপৰত গঢ় লৈছে যিয়ে পাক ৰূহুক জিব্ৰাইল ফিৰিস্তা বুলি দাবী কৰে। ইহুদী আৰু মছীহিসকলে এই নীতি অগ্ৰাহ্য কৰে, কাৰণ ফিৰিস্তা জিব্ৰাইলক সৃষ্টি কৰা হৈছিল, কিন্তু পাক ৰূহু স্ৰষ্টা। কিতাবুল মোকাদ্দছে আইয়ুবৰ

বৰ্ণনাত (৩৩:৪৩) কৈছে, "আল্লাহৰ ৰূহুহে মোক নিৰ্মাণ কৰিলে আৰু সৰ্বশক্তিমান জনাৰ নিশ্বাসেৰে মোক জীৱন দিছে।' আকৌ জবুৰ শ্বৰীফ ১০৪:৩০৩ কৈছে, "তুমি তোমাৰ পাক ৰূহু পঠালেই সিহঁতৰ সৃষ্টি হয় আৰু তুমি পৃথিৱীখন নতুন কৰি থাকা।" পাক ৰূহুৰ কিছুমান নামঃ

**প্ৰভুৰ ৰূহু, ঈছাৰ ৰূহু, পবিত্ৰ আল্লাহৰ ৰূহু (ৰূহুল্লাহ), সত্যৰ ৰূহু, পবিত্ৰতাৰ ৰূহু**। পাক ৰূহু পবিত্ৰ ত্ৰিত্বৰ তৃতীয় ব্যক্তি। তেওঁ তেওঁৰ সকলো বৈশিষ্টৰেই আল্লাহ।

(৪) **নিৰ্ভূল পোপঃ** প্ৰটেষ্টান্ট আৰু প্ৰচাৰক গোষ্ঠীৰ বিশ্বাসীসকলে পোপৰ পৱিত্ৰতাৰ সুত্ৰত বিশ্বাস নকৰো। ঈছা মছীহই আছিল একমাত্ৰ পৱিত্ৰ, নিৰ্ভূল আৰু পাপহীন। আমি মানুহৰ নেতৃত্ব আৰু আধিপত্যৰ অধীনত নহয়। যিকোনো মছীহি বিশ্বাসী এজনক সুধিলেই আপোনাৰ এই প্ৰশ্নৰ উপযুক্ত উত্তৰ পাব। এই নীতি পবিত্ৰ বাইবেলৰ শিক্ষাৰো বিপৰীতে যিয়ে কৈছে, *"কিয়নো একো প্ৰভেদ নাই, কাৰণ সকলোৱে পাপ কৰিলে আৰু আল্লাহৰ মহিমাৰ পৰা বঞ্চিত হৈছে"* (ৰোমীয়াঃ ৩:২৩)। *"...আমাৰ পাপ নাই বুলি যদি কওঁ, তেন্তে আমি নিজেই নিজকে ভুলাও আৰু আমাৰ অন্তৰত সত্যতা নাই। কিন্তু আমি নিজ নিজ পাপবোৰ স্বীকাৰ কৰিলে, বিশ্বাসী আৰু ধাৰ্মিক যি তেওঁ, তেওঁ আমাৰ পাপবোৰ ক্ষমা কৰে আৰু সকলো অধৰ্মৰপৰা আমাক শুচি কৰে। আমি পাপ কৰা নাই বুলি যদি কওঁ তেন্তে তেওঁক মিছলীয়া পাতো আৰু আমাৰ অন্তৰত তেওঁৰ বাক্য নাই"* (১যোহনঃ ১:৮-১০)।

(৫) **সমাজচ্যুত আৰু পাপমোচন অধিকাৰঃ** ইঞ্জিল শ্বৰীফে সমাজচ্যুত কৰণৰ কোনো শিক্ষা দিয়া নাই। কিতাবুল মোকাদ্দছে মণ্ডলীক কৈছে, 'দুষ্ট ব্যক্তিসকলক বিশ্বাসীসকলৰ সংগৰ পৰা আতঁৰাই ৰাখিবলৈ যেতিয়ালৈকে তেওঁলোকে অনুতাপ নকৰে।' 'পাপীসকল আতঁৰাই ৰখা সম্পৰ্কে কিছুমান আয়াত এইধৰণৰঃ *"কিন্তু ভাই বুলি খ্যাত হোৱা কোনো মানুহ যদি ব্যভিচাৰী, লুভীয়া, দেৱপূজক, নিন্দক, মতলীয়া বা অপহাৰক হয়, তেন্তে তেওঁৰ সৈতে আলাপ-ব্যৱহাৰ, এনে কি খোৱা-বোৱাও নকৰিবা বুলিহে লিখিছিলোঁ। কাৰণ বাহিৰা মানুহৰ সোধ-বিচাৰ কৰিবলৈ মোৰ কি কাম? মণ্ডলীৰ ভিতৰৰ মানুহৰ সোধ-বিচাৰ তোমালোকে নকৰানে? কিন্তু বাহিৰা মানুহৰ সোধ-বিচাৰ আল্লাইহে কৰে। তোমালোকৰ মাজৰ পৰা সেই পাপিষ্ঠক বাহিৰ কৰা"*(১কৰি ৫:১১-১৬)। আকৌ, *"হে ভাইবিলাক, আমাৰ প্ৰভু ঈছা মছীহৰ নামেৰে আমি তোমালোকক এই আদেশ দিছো যে যিকোনো ভায়ে অনিয়মকৈ চলে, আমাৰ পোৱা শিক্ষা অনুসাৰে নচলে, তাৰ লগ এৰা"*



মছীহই কৈছিল: "...*সেই জনাই (পিতৃয়ে) যিহকে কৰে, পুত্ৰয়ো একে দৰে তাকেহে কৰে*" (ইউহোন্না ৫:১৯)। পৌলে কৈছিল: "...*সেই দৰে আল্লাহৰ কথাও আল্লাহৰ ৰূহত বাজে, আন কোনেও নাজানে*"(১ কৰিন্থীয়া ২:১১)। এজন আল্লাহৰ ত্ৰিত্বত কোনো প্ৰভেদ নাই। পুত্ৰই অৱতাৰ গ্ৰহণ কৰিছিল আৰু নিজকে জগতৰ বাবে নাজাত স্বৰূপে আগবঢ়াইছিল। পাক ৰূহে আমাৰ অন্তৰক সজীৱ কৰে। পিতৃয়ে পুত্ৰক ত্ৰিত্বৰ সকলো সম্পূৰ্ণ গুণৰ সৈতে আল্লাহ-মানৱ স্বৰূপে পঠাইছিল। ইয়াত কোনো সন্দেহ নাই যে এইবোৰ কথা আমাৰ বোধগম্যৰ বাহিৰত। ৰোমীয়া ১১:৩৩ পদত পৌলে আল্লাহৰ বিষয়ে কৈছিল,

**"আল্লাহৰ জ্ঞান আৰু বুদ্ধিৰূপ ধন কেনে দ! তেওঁৰ বিচাৰবোৰ বোধৰ কেনে অগম্য! আৰু তেওঁৰ পথ অনুসন্ধান কৰা কেনে অসাধ্য!"**

ইছ'লাম ধৰ্ম্মই যে এই সত্যক বিশ্বাস কৰে তাত কোনো সন্দেহ নাই। "আল-বাব" (দুৱাৰখন) নামৰ এখন কিতাপৰ ৩২২ পৃষ্ঠাত শেখ' মুহ্যি আল-দীনে লিখিছিল: *"যি জনে আল্লাহৰ মনত অতি গভীৰভাৱে অনুসন্ধান কৰে, তেওঁ আল্লাহ আৰু তেওঁৰ নবীসকলৰ বিৰুদ্ধে গুণাহ কৰে। তেওঁৰ অস্তিত্বৰ জ্ঞানত গভীৰভাৱে অনুসন্ধান কৰিবলৈ আল্লাহে আমাক আদেশ দিয়া নাই। যদি দাসে এনে কি নিজকেই জানিব নোৱাৰে, তেওঁ কেনেকৈ সৰ্ব্বোপৰি জনাৰ সত্যক জানিব বা ভেদ কৰিব পাৰিব ?"*

তেওঁ আকৌ ৩৭৩ পৃষ্ঠাত কৈছে: *"ভাবনাৰ দৃষ্টিৰে আল্লাহক অনুধাৱন কৰিব নোৱাৰি। যিবিলাকে আল্লাহৰ মনক ভেদ কৰিবলৈ চেষ্টা কৰে, সেইবিলাক অতি পাপিষ্ঠ। সেইবিলাকে অজ্ঞতাৰ আটাইতকৈ নিম্ন খাপলৈ নামি আহে।"*

## ইম্মানুৱেল "আমাৰ লগত আল্লাহ"

৯০৫ খৃষ্টাব্দত এখন পত্ৰ আলোচনা কৰিবলৈ কেবাজনো শ্বেখৰ এখন সভা হৈছিল। সভাত তেওঁলোকৰ আলোচনাৰ বিষয় আছিল: "আমাৰ লগত আল্লাহ"। শ্বেখ মুৰাহ আল্দ্দিনে কলে: "আল্লাহ তেওঁৰ নাম আৰু গুণেৰে আমাৰ লগত থাকে, কিন্তু তেওঁৰ

কৰোঁতাবিলাক কহে প্ৰভাৱিত কৰা যে মছীহি ধৰ্ম্মীসকলে একমাত্ৰ আল্লাহৰ দ্বৈততা বা জটিলতাত বিশ্বাস নকৰে। মছীহি ঈমানে আমাক শিকায় যে আল্লাহ তিনিজন ব্যক্তিত বৰ্তি থাকে আৰু আল্লাহৰ সেই তিনিজন ব্যক্তি এজন আৰু একেজন আল্লাহৰ কেৱল বেলেগ বেলেগ বাহ্যিক ৰূপ নহয়। গতিকে, আল্লাহত প্ৰথমজনাৰ সৈতে দ্বিতীয়জনাৰ পুত্ৰত্ব সম্বন্ধই আমি সাধাৰণতে ভবাৰ ধৰণে এক মানৱ জন্মৰ কথা সূচনা নকৰে, কিন্তু সেই আল্লাহত দুয়োজনাৰ অনন্ত সম্বন্ধক ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰা ই এটা প্ৰকাশভঙ্গী, ঠিক যিদৰে এই প্ৰকাশভঙ্গীয়ে আল্লাহত তৃতীয়জনা আৰু প্ৰথম আৰু দ্বিতীয়জনাৰ মাজৰ অনন্ত সম্বন্ধক ব্যাখ্যা কৰে।

কিতাবুল মোকাদ্দছত মছীহক বুজোৱা আৰু পাছত ইছ্‌লাম ধৰ্ম্মত ব্যৱহাৰ কৰা “কালাম” শব্দটোৱে প্ৰথম আৰু দ্বিতীয় জনাৰ একতাক বুজাইছে। মুছলমানসকলে যদি কোৰানৰ মূল পাঠ বিশ্লেষণ কৰে, তেওঁলোকে বুজিব পাৰিব যে “আল্লাহৰ কালাম” কথাষাৰ আল্লাহৰ স্বকীয়ত্বৰ এক অনন্ত গুণ যিটো সলনি হ’ব নোৱাৰে।

সংক্ষেপে, প্ৰশ্ন কৰোঁতাজনে অনুমান কৰাৰ দৰে আল্লাহ কেৱল তিনিটা বাহ্যিক ৰূপেৰে সৈতে এজন নহয়, কিন্তু তেওঁ ক্ষমতা, গৌৰৱ আৰু মহিমাত সমতুল্য তিনিজনত একেজন। যিদৰে তেওঁৰ গুণবোৰ অসমন্বয়ৰ পৰা মুক্ত, ঠিক সেইদৰে আল্লাহত তিনিজনাও অসমন্বয়ৰ পৰা মুক্ত।

ধৰ্ম্মতত্ত্বই আমাক ধৰি লোৱাত বাধা নিদিয়ে যে অনন্ত কালামে নিজে মাংসৰ ৰূপ ধাৰণ কৰিছিল; তথাপি সীমিত বা সসীম হৈ পৰা নাছিল, কাৰণ তেওঁ এক অসীম আৰু অপৰিসীম ৰূহ যি প্ৰসাৰিত বা সঙ্কুচিত হ’ব নোৱাৰে।

গতিকে, আল্লাহে আল্লাহৰ অনন্ত আৰু বেহেস্তী গুণক সলনি বা পৰিবৰ্ত্তণ নকৰিলে, বা আল্লাহত ব্যক্তি কেইজনতো কোনো প্ৰভেদ নাই। তেওঁলোক এক, এনে কি মছীহ মানৱ হোৱাৰ সময়তো, ক্ষমতা আৰু সামৰ্থ্যত সমান। কাৰণ তেওঁলোক এক মন আৰু এক ইচ্ছাৰ সৈতে, জ্ঞানত এক।



(২থিচনীকীয়া ৩:৬)

ক্ষমাৰ ওপৰত ঈছা মছীহৰ শিক্ষা হ’লঃ *“তোমালোকে নিজলৈ সাৱধান হোৱা। তোমাৰ ভায়াই যদি অপৰাধ কৰে, তেন্তে তেওঁক অনুযোগ কৰিবা; পাছে মন পালটালে তেওঁক ক্ষমা কৰিবা। এদিনৰ ভিতৰত যদি সাতবাৰ তোমাৰ আহিতে অপৰাধ কৰে আৰু সাতবাৰলৈকে তোমালৈ ঘূৰি আহি, মন পালটাইছো বুলি কয় তেন্তে তেওঁক ক্ষমা কৰিবা”* (লূক ১৭:৩-৪)। তেওঁ আকৌ শিকাইছিল, *“কিন্তু তোমাৰ ভায়েৰাই যদি তোমাৰ আহিতে অপৰাধ কৰে তেন্তে তুমি গৈ, তেওঁ অকলে থাকোঁতে তেওঁক অনুযোগ কৰিবা। তেওঁ যদি তোমাৰ কথা শুনে, তেন্তে তোমাৰ ভায়েৰাক পালা। কিন্তু যদি নুশুনে তেন্তে, যিহেতু দুই-তিনিজন সাক্ষীৰ মুখে সকলো কথা নিশ্চয় হয়, সেই নিমিত্তে আৰু এজন বা দুজন লগতলৈ যাবা আৰু তেওঁ যদি তেওঁলোককো নামানে, তেন্তে মণ্ডলীৰ আগত জনাবা, মণ্ডলীৰ কথাও যদি নামানে, তেন্তে তেওঁ তোমালৈ পৰজাতি আৰু কৰতোলাৰ নিচিনা হওক। মই তোমালোকক স্বৰূপকৈ কওঁ, তোমালোকে পৃথিৱীত যিহকে বন্ধ কৰা, সেয়ে স্বৰ্গতো বন্ধ হ’ব আৰু পৃথিৱীত যিহকে মুকলি কৰা, সেয়ে স্বৰ্গতো মুকলি হ’ব”* (মথি ১৮:১৫-১৮)।

যাকোব, *“হে মোৰ ভাইবিলাক তোমালোকৰ মাজৰ কোনোৱে সত্যৰ পৰা ভ্ৰান্ত হ’লে, যদি কোনোবাই তেওঁক ফিৰাই আনে, তেন্তে যিজন পাপীক তেওঁৰ পথ-ভ্ৰান্তিৰ পৰা ফিৰাই আনে, তেওঁ এটি প্ৰাণক মৃত্যুৰ পৰা ৰক্ষা কৰিব আৰু পাপসমূহ ঢাকিব, ইয়াকে তেওঁ জানক”* (যাকোব ৫:১৯-২০)।

(৬) যদি মণ্ডলীবৃন্দৰ, ঈছা, মৰিয়ম আৰু পাক ৰূহক ইচ্ছামতে আল্লাহ বুলি নিৰ্বাচন কৰাৰ অধিকাৰ থাকিলেহেঁতেন, তেন্তে তেওঁলোকে এই তিনি সত্বাক ভূলুণ্ঠিত কৰাৰ অধিকাৰো থাকিলেহেতেন? কিন্তু মণ্ডলীৰ এই ধৰণৰ কোনো অধিকাৰ কিতাবুল মোকাদ্দছে দিয়া নাই। কিতাবুল মোকাদ্দছ আল্লাহৰ কালাম আৰু ইয়াত থকা দৰেই মণ্ডলীয়ে ঈছা মছীহক বে-গুণাহ আৰু সৰ্বজ্ঞানী পাক আল্লাহৰ লগত তুলনা কৰে।

আপোনাৰ প্ৰশ্নৰ এই অংশটি নিতান্তই উপহাস্য কাৰণ ইয়াৰে আল্লাহৰ কালামক গুৰুত্বহীন কৰিছে। আমি প্ৰভুৰ বাক্যক পালন কৰা উচিত যিয়ে কৈছে, *“যি মানুহে দুষ্টচাৰৰ আচলত নচলে, পাপীবোৰৰ পথত থিয় নহয় আৰু নিন্দকবোৰৰ আসনত নবহে”* (গীত ১:১)। কিতাবুল মোকাদ্দছে আমাক আদেশ দিছে উপহাসক সকলৰ লগত থকা সকলোবোৰ ব্যৱহাৰ আৰু সংগ বন্ধ কৰিবলৈ।

**প্ৰশ্ন ঃ সলীৱবিদ্ধকৰণ প্ৰক্ৰিয়াটো ত্ৰিত্বৰ আন কোনোক প্ৰভাৱিত নকৰাকৈ মাত্ৰ এজনৰ ওপৰতে পৰিছিলনে?**

**উত্তৰ ঃ** কোৰাণ শ্বৰীফ পঢ়া এজন ধৰ্মীয় মুছলমানৰ পৰা এনে এটি প্ৰশ্ন শুনিবলৈ পোৱাতো অতি আচঁৰিত। ইহুদীসকলে ঈছা মছীহক সলীৱবিদ্ধকৰণৰ কাহিনীটো কোৰাণে আমাক দিছে। কোৰানে কৈছে, *“আৰু সিহঁতে কয়-আমি আল্লাহৰ ৰছুল মৰিয়ম পুত্ৰ ঈছা মছীহক হত্যা কৰিলো। (কিন্তু আচলতে) তেওঁক হত্যাও কৰা নাছিল আৰু সলীৱবিদ্ধও কৰা নাছিল, কিন্তু সিহঁতৰ প্ৰতি তেনে সন্দেহজনক অৱস্থাৰ সৃষ্টি কৰি দিয়া হৈছিল। যিসকলে এই কথা মানিবলৈ অমান্তি হয়, সিহঁত সন্দেহৰ চিকাৰ হৈছে। এই বিষয়ে সিহঁতৰ কোনো জ্ঞান নাই, আছে মাথোন অমূলক ধাৰণাৰ অন্ধ অনুকৰণ। সন্দেহাতীত সিহঁতে তেওঁক হত্যা কৰা নাই”* (ছুৰা অন-নিছা ১৫৭ আয়াত)।

গোটেই বিশ্বক পাপৰ পৰা উদ্ধাৰৰ কাৰণে পিতৃ আৰু পুত্ৰৰ মাজৰ পাপমোচনৰ প্ৰক্ৰিয়া অনুসৰি সলীৱবিদ্ধ হোৱা ত্ৰিত্বৰ দ্বিতীয় ব্যক্তিজনৰ ওপৰতো পৰিছিল। সেই প্ৰক্ৰিয়া আমাৰ বোধশক্তিৰ বাহিৰৰ। আমি পাপোদ্ধাৰৰ এই শিক্ষা গ্ৰহণ কৰা উচিত, কাৰণ এয়ে কিতাবুল মোকাদ্দছৰ মূল শিক্ষা। আমি এজন আল্লাহত বিশ্বাস কৰো। আল্লাহৰ সকলোবোৰ চৰিত্ৰ ও বৈশিষ্ট্যৰেই আমাৰ আল্লাহ একমাত্ৰ এজন। আল্লাহত তিনিজন ব্যক্তি আছে, যিসকলৰ শক্তি আৰু যশস্যাত একে। এই মহান ৰহস্যৰ ব্যাখ্যা আমাৰ সামৰ্থ্যৰ বাহিৰত। এই শিক্ষা মছীহি ঈমানৰ মূল বৈশিষ্ট, কাৰণ মহান প্ৰভুৰ পাক কালামে এই শিক্ষা সকলো মছীহিকে শিকাইছে।

চাহাবা পৌলে কৈছিল, *“যি যি নিগূঢ় তত্ব অনাদি কালৰপৰা গুপুতে ৰখা হৈছিল, কিন্তু সম্প্ৰতি অনাদি আল্লাহৰ আজ্ঞাৰ দৰে নবীসকলে লিখা শাস্ত্ৰৰ দ্বাৰাই প্ৰকাশিতহৈ, বিশ্বাসৰ আজ্ঞাধীনতাৰ নিমিত্তে সকলো জাতিৰ আগত জনোৱা হৈছে”* (ৰোমীয়া ১৬:২৫)। *“এই কাৰণে, সকলোৰে সৃষ্টিকৰ্তা আল্লাহত আদিকালৰ পৰা লুকুৱা নিগূঢ় তত্বৰ কাৰ্য নিৰ্বাহ কি...,*(ইফিচীয়া ৩:৯) *“সেই বাক্য সম্পূৰ্ণকৈ প্ৰচাৰ কৰিবলৈ, তোমালোকৰ কাৰণে মোক আল্লাহই দিয়া ঘৰগিৰীবোৰৰ দৰে মই সেই মণ্ডলীৰ পৰিচাৰক হৈছোঁ।”* (কলচীয়া ১:২৬)।

আনকি তেওঁৰ আৰ্বিভাৱৰ আগতেই মছীহই উল্লেখ কৰিছিল যে পাপোদ্ধাৰৰ প্ৰতিজ্ঞা আল্লাহৰ আঁচনি। কিতাবুল মোকাদ্দছে পাপোদ্ধাৰৰ আঁচনি সম্পৰ্কে



জীৱন তেওঁ স্বয়ং। এইটো সম্ভৱ যে আবৌ হুজেইলে এই ধাৰণা সেই দাৰ্শনিকবিলাকৰ পৰা অনুকৰণ কৰিছিল, যিবিলাকে বহুত্ব স্বীকাৰ নকৰাকৈ বিশ্বাস কৰিছিল যে সৃষ্টিকৰ্ত্তাৰ আত্মা এক। কিন্তু তেওঁৰ আকাৰৰ পৰা গুণবোৰ পৃথক নহয়, বৰঞ্চ আকাৰেই হয়। “জ্ঞানৰ এজন জানোঁতা স্বয়ং তেওঁ নিজে” বোলা কথাষাৰৰ মাজত প্ৰভেদৰ অৰ্থ হৈছে যে প্ৰথমটোৱে আচল গুণবোৰ অস্বীকাৰ কৰে আৰু নিজত্বক দৃঢ় প্ৰতিষ্ঠা কৰাই স্বয়ং এক আচল গুণ। বা এক আচল গুণক দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাই হৈছে স্বয়ং নিজত্ব। আবৌ হুজেইলে যদি নিজত্বলৈ আচল গুণ প্ৰমাণ কৰাত সক্ষম হৈছিল, তেন্তে সেইবোৰ নিশ্চয় মছীহি ধৰ্ম্মৰ ত্ৰিত্বৰ ব্যক্তি কেইজনেই হ'ব।

ইব'ন' চিনা, যাৰ উপনাম প্ৰধান, তেওঁ কৈছে, “লাগতিয়াল অস্তিত্বই (আল্লাহ) এক মন, এক বিবেচক ব্যক্তিত্ব আৰু যুক্তি সিদ্ধতাক সূচায়। তেওঁ নিজকে অনুধাৱন কৰাৰ ওপৰিও অন্য বস্তুবোৰকো অনুধাৱন কৰে। কিন্তু তেওঁৰ নেতিবাচক আৰু ইতিবাচক গুণবোৰে অনিবাৰ্য্যৰূপে অস্তিত্বৰ বহুত্বক নুসূচায়। ই যদি নিজতে সম্পূৰ্ণ হয়, তেন্তে ই নিজৰে এক মন। তদুপৰি, লাগতিয়াল অস্তিত্ব (আল্লাহ) সম্পূৰ্ণ আৰু পদাৰ্থৰ পৰা পৃথক; গতিকে তেওঁ নিজতে এক মন। যদি আমি তেওঁৰ সম্পূৰ্ণ পৰিচয়ক স্বকীয়ত্ব বুলি ধৰি লওঁ, তেন্তে তেওঁ নিজলৈ বোধগম্য, আৰু যদি তেওঁৰ স্বকীয়ত্বৰ সম্পূৰ্ণ পৰিচয় আছে, তেন্তে তেওঁ নিজতে এক বিবেচক ব্যক্তিত্ব। এতিয়া, বিবেচক আৰু বোধগম্য ব্যক্তিত্ব হোৱাই অনিবাৰ্য্যৰূপে পৰিচয়ত বা বিচাৰ ক্ষমতাত দ্বৈততা নুসূচায়।”

ইব'ন' চিনা আৰু আৰু হাথিয়েলে এই সকলোবোৰ কোৱাৰ মুখ্য উদ্দেশ্য হৈছে যে আল্লাহেই জ্ঞান, জানোঁতা আৰু জনা-জন। মানুহৰ মনে এই কথাক বা তেওঁ যে সংযুক্ত নহয়, সেই কথাক ধৰিব নোৱাৰে। তেওঁ এক ঐকতা, বিশুদ্ধ আৰু সৰল, যৌগৰ পৰা মুক্ত।

কিছুমান মুছলমান বিদ্বান লোকৰ উদ্ধৃতি দিয়াৰ উদ্দেশ্য আল্লাহৰ ত্ৰিত্বক তেওঁলোকৰ ধাৰণাৰ সৈতে তুলনা কৰিবলৈ নহয় (কিতাবুল মোকাদ্দছে আমাক বেলেগ ধৰণে শিকায়), কিন্তু প্ৰশ্ন

অৰ্থত স্থিত আৰু পিতৃৰ আকাৰ ৰূলি কোৱা হয়। তেওঁমি যদি নিজকে ব্যক্ত কৰা ক্ষমতাৰ, অৰ্থাৎ শক্তিৰে সমৃদ্ধিশীলৰ বিষয়ে বিবেচনা কৰা, তাক পুত্ৰৰ আকাৰ বা কালাম ৰূলি কোৱা হয়। তেওঁমি যদি তেওঁৰ পৰা যি উৎপন্ন হয় তাক বিবেচনা কৰা, তেন্তে এই বিবেচনা যি উৎপন্ন হয় তাৰ উক্তি আৰু পাক ৰূহৰ আকাৰ ৰূলি কোৱা হয়। এই সংজ্ঞাবোৰৰ দ্বাৰাই ৰূদ্ধি একমাত্ৰ আল্লাহৰ উক্তি, আৰু পিতৃ তেওঁৰ সমতুল্য। বোধগম্য আল্লাহৰ এক উক্তি, যাৰ অৱয়ব স্বয়ং তেওঁৰ পৰা বোধগম্য হয়। পাক ৰূহ তেওঁৰ সমতুল্য।” তাৰপাছত তেওঁ যোগ দিছিল, “যদি এই সকলো অৰ্থ শুদ্ধ, তেন্তে শব্দৰ অৰ্থ-বিজ্ঞানত বা বক্তাবিলাকৰ জটিল বাক্যবোৰত কোনো সমস্যা নাই।”

আনহাতে ইমাম ফাক‘ৰাদ্দিন আল-ৰাজিয়ে ত্ৰিত্বৰ মছীহি ধৰ্ম্মমতক এইদৰে বৰ্ণনা কৰিছে:

“ধৰ্ম্মতত্ত্ববিদসকলে উল্লেখ কৰিছিল যে মছীহিবিলাকে কয়, এক গুণ, তিনি আকাৰ: পিতৃ, পুত্ৰ আৰু পাক ৰূহ. এই তিনি জনা এক আল্লাহ। যিদৰে সূৰ্য্যই চক্ৰাকাৰ, কিৰণ আৰু তাপক প্ৰকাশ কৰে, সেই দৰে মছীহিবিলাকে ৰূজায় সেই আকাৰ হৈছে আল্লাহ পিতৃ, পুত্ৰ হৈছে কালাম আৰু পাক ৰূহ হৈছে জীৱন। এই তিনি আকাৰ হৈছে এক আল্লাহ” (মহান টীকা, দ্বাদশ ভাগ, ১০২ পৃষ্ঠা)।

আন এজন লেখকে আলি বিন ৰাফাৰ উদ্ধৃতি দি এই ধৰণে কৈছিল, “আত্মাক এটা বস্তুৰ অৰ্থত লোৱা হয়, বহুত্বত নহয়। যেই নহওক, গুণৰ ক্ষেত্ৰত মুতাজিলাই প্ৰাচীনবিলাকে ব্যৱহাৰ কৰা এক বহুত্বৰ কথা কৈছিল। সেইটো চলিত বহুত্ব (বা দস্তুৰৰ) যিটোৱে মূল একতাক অস্বীকাৰ নকৰে, যেনে শিপাৰ সম্পৰ্কত এজোপা গছৰ ডাল বা হাতৰ তলুৱাৰ সম্পৰ্কত আঙুলিবোৰ।”

‘আল্ মিলাল্ ৱাল নিহাল’ নামৰ পুস্তকখনত, মুতাজিলাৰ শেখ্ আৰু মাদ্ৰাছাৰ নেতা আবো হুজেইল হাম্‌দানে এইদৰে উক্তি কৰা পাওঁ, “সৃষ্টিকৰ্ত্তা (তেওঁৰ প্ৰশংসা হওঁক) এজন জানোঁতা যি জনে জানে আৰু তেওঁৰ জ্ঞান স্বয়ং তেওঁ, ক্ষমতা থকা সৰ্ব্বশক্তিমান আৰু তেওঁৰ ক্ষমতা স্বয়ং তেওঁ, আৰু জীৱনৰে জীৱন্ত আৰু তেওঁৰ



আমাক এক পৰিপাটি চিত্ৰ দিছে, যাক প্ৰভু ঈছা মছীহৰ দ্বাৰা পৰিপূৰ্ণ কৰা হৈছিলঃ

(১) তেওঁ আমাৰ প্ৰকৃতি ল’লে আৰু কুমাৰীৰ পৰা জন্ম পালে। কিতাবুল মোকাদ্দছে কৈছে, *“এই কাৰণে মানুহবিলাকৰ পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ আল্লাহ সম্বন্ধীয় বিষয়ত তেওঁ যেন দয়ালু আৰু বিশ্বাসী মহাপুৰোহিত হয়, এই কাৰণে সকলো বিষয়তে ভাইবিলাকৰ নিচিনা হোৱা তেওঁৰ উচিত আছিল..... কিয়নো আমাৰ যি মহা পুৰোহিত, তেওঁ যে আমাৰ দুৰ্ব্বলতাত হোৱা দুখত দুঃখিত হ’ব নোৱাৰে, এনে নহয়; কিন্তু তেওঁ বিনাপাপে সকলো বিষয়ত আমাৰ দৰে পৰীক্ষিত হৈছিল। এতেকে আঁহা, আমি দয়া লাভ কৰিবলৈ আৰু সময়ৰ উপযুক্ত উপকাৰৰ অৰ্থে অনুগ্ৰহ পাবলৈ, সাহেৰে অনুগ্ৰহৰ সিংহাসনৰ ওচৰলৈ চাপি যাওঁহক”* (ইব্ৰীয়া ২:১৭, ৪:১৫-১৬)।

(২) শ্বৰীয়তৰ অধীনত তেওঁৰ জন্ম হৈছিল, *“তেনেকৈ আমিও শিশু কালত জগতৰ প্ৰাথমিক বিধিৰ অধীনত দাস আছিলোঁ, কিন্তু পাছে কাল সম্পূৰ্ণ হ’লত, শ্বৰীয়তৰ অধীন হোৱাবিলাকক মুক্ত কৰিবলৈ আৰু আমি তোলনীয়া পুত্ৰৰ বাব পাবলৈ, শ্বৰীয়তৰ অধীনত এজন তিৰোতাৰ পৰা তেওঁৰ জন্ম হৈছিল”*(গালাতীয়া ৪:৩৪)। *“মই শ্বৰীয়ত বা নবীসকলৰ শ্বৰীয়ত বিনষ্ট কৰিবলৈ আহিলোঁ বুলি তোমালোকে নাভাবিবা, মই বিনষ্ট কৰিবলৈ অহা নাই, কিন্তু সিদ্ধ কৰিবলৈহে আহিলোঁ। কিয়নো মই তোমালোকক স্বৰূপকৈ কওঁ, বেহেস্থ আৰু পৃথিৱী নুগুছেমানে আৰু সকলো সিদ্ধ নহয়মানে, শ্বৰীয়তৰ এটি ইকাৰ বা এক বিন্দুও কোনোৰূপে লুপ্ত নহ’ব”* (মথি ৫:১৭-১৮)।

(৩) তেওঁ নিজকে পৃথিৱীৰ সকলো পাপৰ নিখুত প্ৰায়চিত্ত হিচাপে সমৰ্পন কৰিছিলঃ *“আমাৰ শিক্ষা কোনে বিশ্বাস কৰিলে আৰু আল্লাহৰ বাহু কাৰ আগত প্ৰকাশিত হ’ল? কিয়নো তেওঁ তেওঁৰ আগত কোমল গজালিৰ দৰে আৰু শুকান মাটিত উৎপন্ন হোৱা সিপাৰ নিচিনাকৈ বাঢ়ি উঠিল; তেওঁৰ কি শোভা নাই আৰু তেওঁক দেখিলে আমি যেন তেওঁক ভাল পাব পাৰো এনে সৌন্দৰ্য তেওঁৰ নাই। তেওঁ ঘৃণিত আৰু মানুহৰ দ্বাৰাই পৰিত্যক্ত হ’ল; তেওঁ শোকাতুৰ আৰু যন্ত্ৰণা পৰিচিত আৰু যাৰ পৰা মানুহে মুখ ঢাকে, তেওঁ তাৰ নিচিনা; তেওঁক তুচ্ছ কৰা হ’ল আৰু আমি তেওঁক শ্ৰেষ্ঠ জ্ঞান কৰা নাই।*

*নিশ্চয়ে তেওঁ আমাৰ যাতনাবোৰ ল’লে, আমাৰ ৰোগৰ ভাৰ বলে, তথাপি আমি হ’লে তেওঁক আঘাতিত, আল্লাহৰ দ্বাৰাই প্ৰহাৰিত আৰু দুখিত যেন জ্ঞান কৰিলো। কিন্তু আমাৰ অধৰ্মবোৰৰ নিমিত্তে তেওঁক খোচা হ’ল, আমাৰ অপৰাধবোৰৰ নিমিত্তে তেওঁক গুৰি কৰা হ’ল, আমাৰ শান্তি জনক শাস্তি তেওঁৰ ওপৰত পৰিল আৰু তেওঁৰ গাৰ সাঁচ বহা কোবৰ দ্বাৰাই আমি সুস্থ হ’লো।*

*আমি সকলোৱে ভেড়াৰ নিচিনাকৈ অপথে গৈছিলো; প্ৰতিজনে নিজ নিজ বাট লৈছিলো আৰু আল্লাহই আমাৰ সকলোৱে অপৰাধৰ ভাৰ তেওঁৰ ওপৰত দিলে।*

*তেওঁ উপদ্ৰব পালে, তথাপি নম্ৰ হৈ তেওঁৰ মুখ নেমেলিলে ; তেওঁ কাটিবলৈ নিয়া মেৰ পোৱালিৰ বা নোম-কটিয়াৰ আগত নিজম দি থকা মাইকী মেৰৰ নিচিনা আছিল, এনে কি নিজ মুখকে নুখুলিলে। তেওঁক উপদ্ৰব আৰু দণ্ডাজ্ঞাৰ দ্বাৰাই নিয়া হ'ল, আৰু তেওঁক যে জীৱিত বিলাকৰ দেশৰ পৰা বিচ্ছেদ কৰা হ'ল, তেওঁৰ কালৰ লোকবিলাকৰ মাজত কোনে ইয়াক বিবেচনা কৰিছিল? মোৰ জাতিৰ অধৰ্মৰ কাৰণেই তেওঁ আঘাতিত হ'ল। লোকে দুষ্টবোৰৰ লগত তেওঁৰ মৈদাম নিৰূপন কৰিলে, আৰু মৃত্যুত তেওঁ ধনবানৰ লগত আছিল ; তথাপি তেওঁ কোনো অত্যাচাৰ কৰা নাছিল ; আৰু তেওঁৰ মুখত কোনো ছলৰ কথা নাছিল।*

*তথাপি তেওঁক গুড়ি কৰিবলৈ আল্লাহৰ ইচ্ছা হ'ল ; তেওঁ তেওঁক যাতনাত পেলালে। তুমি তেওঁৰ প্ৰাণ পাপাৰ্থক কোৰবাণী স্বৰূপে উৎসৰ্গ কৰাৰ পাছে তেওঁ নিজ বংশ দেখিব, তেওঁ দীৰ্ঘজীৱী হ'ব, আৰু তেওঁৰ হাতৰ দ্বাৰাই আল্লাহৰ মনোবাঞ্ছা পূৰ্ণ হ'ব। তেওঁ নিজ প্ৰাণৰ দুঃখৰ ফল দেখি তৃপ্ত হ'ব ; মোৰ ধাৰ্মিক দাসে নিজ জ্ঞানৰ দ্বাৰাই অনেকক ধাৰ্মিক কৰিব আৰু তেওঁৱেই তেওঁবিলাকৰ অপৰাধৰ ভাৰ বব। এই হেতুকে মই মহৎলোক বিলাকৰ লগত তেওঁক এক অংশ দিম, আৰু তেওঁ পৰাক্ৰমীবিলাকৰ লগত লুটদ্ৰব্য ভাগ কৰি লব, কাৰণ তেওঁ মৃত্যুলৈ নিজ প্ৰাণ ঢালি দিলে আৰু অধৰ্মীবোৰৰ লগত লেখত পৰিল। তথাপি তেওঁ অনেকৰ পাপৰ ভাৰ বলে, আৰু অধৰ্ম্মীবোৰৰ নিমিত্তে অনুৰোধ কৰিছে"* (যিচয়া ৫৩ ; ১-১২)।

আকৌ *"আমি তেওঁত আল্লাহৰ ধাৰ্মিকতাস্বৰূপ হ'বলৈ, যি জনাই পাপ জনা নাই, সেই জনকে তেওঁ আমাৰ নিমিত্তে পাপ স্বৰূপে কৰিলে"* (২ কৰিন্থিয়া ৫:২১)। *''এই কাৰণে মছীহই শ্বৰীয়তৰ গুণাহৰ পৰা আমাক মুক্ত কৰিলে, তেওঁ আমাৰ কাৰণে পাপস্বৰূপ হ'ল; কিয়নো লিখা আছে, যি জনক কাঠত অৰা হয়, তেওঁ শাপগ্ৰস্থ"*(গালাতীয়া ৩:১৪)। *'আৰু মছীহই যেনেকৈ তোমালোকক প্ৰেম কৰি, সুগন্ধৰ অঘ্ৰাণৰ অৰ্থে আল্লাহৰ উদ্দেশ্যে কোৰবাণী আৰু বলিস্বৰূপে আমাৰ কাৰণে নিজকে শোধাই দিলে, তেনেকৈ তোমালোকেও প্ৰেণ আচৰণ কৰা'* (ইফিচীয়া ৫:২)।

আল্লাহে এটি দেহ গঠন কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল। আদমৰ শৰীৰৰ দৰে এটি মন্দিৰ, দোষহীন আৰু ক্ষয়হীন এটি শৰীৰ, *"এই হেতুকে মছীহে জগতত সোমোৱা কালত কয়, তুমি কোৰবাণী আৰু নৈবেদ্যলৈ ইচ্ছা নকৰিলা কিন্তু মোলৈ*



মছীহি পণ্ডিতবিলাকৰ সাক্ষ ? ই প্ৰমাণ দিয়ে যে তেওঁলোকে এজন আল্লাহত ঈমান ৰাখে। আৰু পিতৃ, পুত্ৰ আৰু পাক ৰুহৰ নামবোৰ স্বয়ং আল্লাহৰ গুণবোৰ। মই যদি ইয়াক বিস্তাৰিত ৰূপত বৰ্ণনা কৰিব লাগে, মই বিস্তাৰিত প্ৰমাণ দিব পাৰিম। সেইবাবে, মছীহিবিলাকে যি বিশ্বাস কৰে তাৰ যুক্তিসিদ্ধতা গ্ৰহণ কৰিবলৈ মই প্ৰত্যয় হৈছোঁ। তেওঁলোকৰ ঈমানৰ সাৰমৰ্ম্ম এই: তেওঁলোকে কয় যে সম্পূৰ্ণতাৰে চৰিত্ৰ অঙ্কিত হৈ সৃষ্টিকৰ্ত্তাজন এক আচল গুণ। তেওঁৰ ব্যক্তিগত গুণ আছে যিবোৰ মছীহই উন্মুক্ত কৰিছিল। সেইবোৰ হল: পিতৃ, পুত্ৰ আৰু পাক ৰুহ। সেইবিলাকে পিতৃ বা সৃষ্টিকৰ্ত্তা স্বৰূপে সম্পূৰ্ণ মনৰ অধিকাৰী প্ৰধান ব্যক্তিজনালৈ আঙুলিয়ায়। সেইবিলাকে পুত্ৰ স্বৰূপে এক বিবেচক মনৰ অধিকাৰী সেই একে গুণবোৰলৈ আঙুলিয়ায়। আৰু সেইবিলাকে উক্তিৰ ন্যায্যতাৰ অধিকাৰী সেই একেবোৰ গুণকে, অধীন হোৱা হেতুকে, পাক ৰুহ বুলি কয়। এই সংক্ৰান্তত গুণৰ উল্লেখ হৈছে যাৰ পৰিস্থিতিৰ পৰা স্বাধীনভাৱে স্ব-অস্তিত্ব আছে।

বিখ্যাত মুছলমান পণ্ডিত ইমাম আব'-হামিদ মহম্মদ আল'-গাজালিয়ে তেওঁৰ পুস্তক আল'-ৰাদ'জ' আল'-জামীলত (সুন্দৰ জবাব) ত্ৰিত্বৰ মছীহি ধৰ্ম্মমতৰ কথা উল্লেখ কৰি লিখিছিল:

"মছীহিবিলাকে বিশ্বাস কৰে যে স্বয়ং সৃষ্টিকৰ্ত্তা গুণত এক আৰু অৰ্থ আছে: যেতিয়া এই অস্তিত্বই অন্য অস্তিত্বৰ ওপৰত নিৰ্ভৰ নকৰে, ই সৰ্ব্বপ্ৰধান বা চৰম অস্তিত্ব। ইয়াকে মছীহিবিলাকে পিতৃজনা বুলি কয়। যদি ইয়াক আন এজনৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল বুলি ধৰা যায়, যেনে জ্ঞান, যি জানোঁতা জনৰ ওপৰত নিৰ্ভৰশীল, তাক তেওঁলোকে পুত্ৰজনা বা কালাম বুলি কয়। যদি ইয়াক প্ৰাপ্ত হোৱা তেওঁৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰশীল বুলি ধৰা হয়, সেই অস্তিত্বক পাক ৰুহ জনা বুলি কোৱা হয়, কাৰণ সৃষ্টিকৰ্ত্তাৰ অস্তিত্ব তেওঁৰ যোগেদি বোধগম্য হয়। এই চলিত উক্তিৰ পৰিণাম এই যে আল্লাহৰ অস্তিত্ব সাৰত এক, যদিও ইয়াত ত্ৰিত্বৰ তিনিজনাৰ গুণ আছে।"

**তেওঁ আৰু লিখি গৈছে:**

"আল্লাহৰ আকাৰ শৰীৰ বিহীন অস্তিত্ব, প্ৰকৃত নহয়; বুদ্ধি

ইছলামে আন দুটা ধৰ্ম্মপন্থাৰ লগতো যুঁজিছিল - মানিচ্ছী আৰু দিচানিয়াহ। তেওঁলোকে দুজন আল্লাহত বিশ্বাস কৰিছিল; এজন আল্লাহ মঙ্গলৰ বাবে। তেওঁ পোহৰৰ আচল গুণ। দ্বিতীয় আল্লাহজন অমঙ্গলৰ বাবে। তেওঁ অন্ধকাৰৰ আচল গুণ। সেই ধৰ্ম্মপন্থাবোৰ ইছ'লাম ধৰ্ম্মৰ আগতে আৰু পাছত মছীহি ধৰ্ম্মৰ শত্ৰু আছিল। জামাতে এতিয়াও তেওঁবিলাকক বিধৰ্ম্মী আৰু বহিৰাগত বুলি গণ্য কৰে, যি দৰে মুছ'লিমসকলে খাৰিজিয়াক গণ্য কৰে। এইবিলাকে কোৰাণ আৰু হাদিছৰ পৰা আঁতৰি গৈছিল, উদাহৰণ স্বৰূপে যেনে আল্লাহ ফাতিমিদ শাসনকৰ্ত্তা হাকিমত বাস কৰে বুলি দাবী কৰা সেই গোটটো।

গতিকে, কিছুমানে কল্পনা কৰাৰ দৰে, ইছ'লামে মছীহি ধৰ্ম্মৰ যথাৰ্থ ত্ৰিত্ত্ব ধৰ্ম্মমতৰ সৈতে যুদ্ধ কৰা নাছিল, কিন্তু এই ধৰণৰ ধৰ্ম্মপন্থাৰ লগতহে যুঁজিছিল। সেই কাৰণত, মই মানি নলওঁ যে বহু আল্লাহত বিশ্বাস কৰাবিলাককৈ লক্ষ্য কৰি লিখা কোৰানৰ আয়াতবোৰ আচলতে অকৃত্ৰিম মছীহি ধৰ্ম্মৰ প্ৰতি উদ্দেশ্য কৰা হৈছিল।

ইছ'লাম ধৰ্ম্মীয় লেখনিত এই বিষয়টো অনুসৰণ কৰিলে আমি পাওঁ যে মুছলমান পণ্ডিতসকলে মছীহিবিলাকৰ ধৰ্ম্মমতক সন্মান কৰিছিল, কাৰণ নবীসকলে মছীহি ত্ৰিত্ত্ব ধৰ্ম্মমতক তদন্ত কৰি তাৰ প্ৰকৃত অৰ্থক হয়ভৰ দিছিল। "উছুল এদ'-দীন" (ধৰ্ম্মৰ উৎস) নামৰ পুস্তক এখনৰ পুৰণি সংস্কৰণত লিখা কথা ইয়াত উদ্ধৃতি দিয়াই যথেষ্ট হ'ব। ইমাম আবা হামিদ আল'-গাজালিৰ সময়ত বাস কৰা আবি আল'খায়েৰ ইব'ন' আল'-তায়েবে এই পুস্তকখন লিখিছিল। তেওঁ কৈছিল, "কিছুমান মছীহি ধৰ্ম্মীয়ে আবি আল'খায়েৰ ইব'ন' আল'-তায়েবক কৈছিল, "ইঞ্জিলে 'তোমালোক যোৱা, আৰু সকলো জাতিকে শিষ্য কৰি পিতৃ, পুত্ৰ আৰু পাক ৰূহৰ নামেৰে বাপ্তাইজ কৰা' বুলি কৈ তিনিজন আল্লাহত বিশ্বাস প্ৰকট কৰিছে।" ইয়াৰ উত্তৰত আল'-তায়েবে কৈছিল, "নিঃসন্দেহে পৌলৰ পত্ৰবোৰ আৰু অন্য উম্মতৰ লিখনিৰ সৈতে ইঞ্জিলবোৰ মছীহি তৌৰাতৰ সাৰ। এই লিখনিবোৰে আৰু জগতৰ বিভিন্ন প্ৰান্তৰ



*শৰীৰ যুগুত কৰিলা; হোমত আৰু পাপাৰ্থক কোৰবাণীত তুমি সন্তুষ্ট নহলা"* (ইব্ৰী ১০: ৫-৬)।

*আল্লাহে* সেই শৰীৰ পবিত্ৰ ৰূহ, কৃপা আৰু শক্তিৰে সম্পূৰ্ণ কৰিছিল। পিতৃয়ে পুত্ৰৰ সতে সকলো সময়তে থকাৰ প্ৰতিজ্ঞা কৰিছিল, আৰু অসৎসকলৰ বিপক্ষে তেওঁৰ যুদ্ধত সহায় কৰিবলৈ, আৰু চয়তান মুৰ তেওঁক ভৰিৰ তলত ৰাখিবলৈ। তেওঁ পুত্ৰক স্বৰ্গ আৰু পৃথিৱীৰ সকলো অধিকাৰ দিছিল। '*তেতিয়া ঈছাই ওচৰলৈ আহি তেওঁলোকক কলে বোলে, বেহেস্তত আৰু পৃথিৱীত সকলো ক্ষমতা মোক দিয়া হ'ল*' (মথি ২৮:১৮)।

ফিলিপীয়াত চাহাবা পৌলে কৈছে, *"তেওঁ আল্লাহ-ৰূপী থাকোতে, আল্লাহৰ সমান হোৱাকেই কাঢ়ি লোৱা বুলি নামানিলে; কিন্তু নিজকে শূণ্য কৰি, দাসৰ ৰূপ ধাৰণ কৰি মানুহৰ নিচিনা হ'ল; আৰু আকাৰ প্ৰকাৰত মানুহৰ দৰে হৈ নিজকে সৰু কৰি, মৃত্যুলৈকে, এনে কি, সলীৱিয় মৃতুলৈকে আজ্ঞাধীন হ'ল। এই হেতুকে বেহেস্তত, পৃথিৱীত আৰু পৃথিৱীৰ তলত নিৱাস কৰা সকলোৱে যেন ঈছাৰ নামত আঠুলৈয় আৰু ঈঠা মছীহ যে প্ৰভু ইয়াক যেন আল্লাহৰ গৌৰৱৰ অৰ্থে সকলো জিৱাই স্বীকাৰ কৰে, এই কাৰণে আল্লাহে তেওঁক অতি ওখ পদ দিলে আৰু সকলো নামতকৈ সেই শ্ৰেষ্ঠ নাম তেওঁক দান কৰিলে।*

*এতেকে, হে মোৰ প্ৰিয়বিলাক তোমালোকে যেনেকৈ সদায় আজ্ঞাধীন আছিলা তেনেকৈ মোৰ সাক্ষাতে যিৰূপ, কেৱল সেইদৰে নহয় কিন্তু এতিয়া মোৰ অসাক্ষাতে আৰু অধিককৈ ভয় আৰু কম্পনেৰে নিজ নিজ নাজাত সম্পন্ন কৰা, কিয়নো আল্লাহে নিজৰ হিত সংকল্পৰ কাৰণে তোমালোকৰ অন্তৰত ইচ্ছা কৰা আৰু কাৰ্য সাধনা কৰা, এই উভয়ৰ সাধনকৰ্তা হৈছে। যি কুটিল আৰু বিপথগামী লোকৰ মাজত তোমালোকে জীৱনৰ বাক্য ধাৰণ কৰি জগতত দীপ্তিস্বৰূপে প্ৰকাশ পাইছে তেওঁ বিলাকৰ মাজত তোমালোক নিৰ্দোষী আৰু শুদ্ধ হৈ ঈশ্বৰৰ নিষ্কলংক সন্তান হ'বৰ কাৰণে বিবাদ আৰু তৰ্ক-বিতৰ্ক নোহোৱাকৈ সকলো কৰ্ম্ম কৰা এয়ে মছীহৰ আগমণৰ দিনত মোলৈ শ্ৰাঘাৰ কাৰণ হ'ব, কিয়নো মই বৃথা দৌৰ মৰা নাই আৰু বৃথা পৰিশ্ৰমো কৰা নাই। কিন্তু তোমালোকৰ বিশ্বাসৰূপে যজ্ঞত আৰু সেৱাৰ কাৰ্যত যদিও মই কোৰবাণী স্বৰূপে ঢলা যাওঁ, তথাপি মই আনন্দ কৰোঁ আৰু তোমালোক সকলোৰে সৈতেও আনন্দ কৰোঁ, এই বিষয়ে তোমালোকেও আনন্দ কৰা আৰু মোৰ সৈতেও আনন্দ কৰা"* (ফিলিপীয়া ২:৬-১৮)।

যোহন ৫:২২ত কৈছে *"সকলোৱে যেনেকৈ পিতৃক সমাদৰ কৰে পুত্ৰকো তেনেকৈ যেন সমাদৰ কৰে, এই নিমিত্তে পিতৃয়ে নিজে কৰা সোধ-বিচাৰ নকৰি,*

*আটাই সোধ-বিচাৰৰ ভাৰ পুত্ৰক সোধাই দিলে।”*

বিশ্বাসীকলৰ পূৰ্ণজন্মৰ বাবে পবিত্ৰ ৰূহ পঠাই, আলোকিত কৰিবলৈ, পথ দেখুৱাবলৈ, শান্তি দিবলৈ আৰু তেওঁলোকক পাপমুক্ত কৰিবলৈ আল্লাহে পুত্ৰক সকলো শক্তি দিছিল। *“কিন্তু যেতিয়া সেই সহায়কতা আহিব আৰ্থাৎ পিতৃৰ পৰা ওলোৱা যি সত্যৰ ৰূহ পিতৃৰ ওচৰৰ পৰা মই তোমালোকলৈ পঠাম তেওঁ মোৰ বিষয়ে সাক্ষ্য দিব”* (যোহন ১৫:২৬)। *“কিন্তু সেই সত্যৰ আত্মা যেতিয়া আহিব, তেতিয়া তেওঁ আটাই সত্যলৈ তোমলোকক পথ দেখুৱাই নিব; কিয়নো তেওঁ নিজৰ পৰা নকব; কিন্তু যিহকে শুনিব তাকে ক'ব আৰু তোমালোকক ভৱিষ্যতৰ কথা জনাব”* (যোহন ১৬:২৩)।

*“তুমি পুত্ৰক যি সকলো দিলা, সেই সকলোকে পুত্ৰই অনন্ত জীৱন দিবলৈ তুমি মৰ্ত্যমাত্ৰৰেই ওপৰত তেওঁ যেনেকৈ ক্ষমতা দিলা পুত্ৰই তোমাক মহিমান্বিত কৰিবলৈ তেওঁক তেনেকৈ মহিমান্বিতো কৰা”* (যোহন ১৭:২)। *“তেওঁত বিশ্বাস কৰাবিলাকে যে পাক ৰূহ পাব তাৰ অৰ্থে তেওঁ এই কথা ক'লে, কিয়নো তেতিয়ালৈকে পাক ৰূহ দিয়া হোৱা নাছিল; কাৰণ তেতিয়ালৈকে যীচু মহিমান্বিত হোৱা নাই”* (যোহন ৭:৩৯)।

*“এতেকে তেওঁ আল্লাহৰ সোঁ হাতেৰে ওখ পদ পাই আৰু পাক ৰূহৰ বিষয়ে পিতৃৰ পৰা প্ৰতিজ্ঞা পাই, তোমালোকে যিহকে দেখি শুনি আছা, তাকে তেওঁ বাকি দিলে”* (ৰছুলসকলৰ বিৱৰণ ২:৩৩)।

পিতৃ পুত্ৰৰদ্বাৰা মহিমান্বিত হৈছিল। আল্লাহ তেওঁৰ পুত্ৰৰ জৰিয়তে আৰু পুত্ৰৰ মাজেৰে পৃথিৱীত আবিৰ্ভাৱ হৈছিল। *“এই কাৰণে যি জনাই নিজ ইচ্ছাৰ মন্ত্ৰণা অনুসাৰে সকলোকে সাধন কৰে, তেওঁৰ অভিপ্ৰায়ৰ দৰে পুৰ্বেই নিৰূপিত হৈ আমি সেই মছীহতেই আল্লাহৰ উত্তৰাধিকাৰ হ'লো”*(ইফিচীয়া ১:১২)। *“তেওঁ নিজ প্ৰাণৰ দুঃখৰ ফল দেখি তৃপ্ত হ'ব, মোৰ ধাৰ্মিক দাসে নিজ জ্ঞানৰ দ্বাৰাই আনক ধাৰ্মিক কৰিব আৰু তেৰেই তেওঁবিলাকৰ অপৰাধৰ ভাৰ বব”* (যিচয়া ৫৩:১১)।

ত্ৰিত্বৰ ব্যক্তিসকলৰ মাজত হোৱা এক ব্যৱস্থা অনুসৰি পাপমোচন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। কিতাবুল মোকাদ্দছে আছে যে পাপক্ষমাৰ পৰিকল্পনাটো আল্লাহৰ মনত ঈছা মছীহৰ আৰ্বিভাৱ হোৱাৰ আগৰে পৰাই আছিল। *“কিয়নো স্বৰ্গথ থকা আৰু পৃথিৱীত থকা সকলোকে মছীহত গোট খুৱাবৰ যি হিত-সংকল্প তেওঁ কালৰ সম্পূৰ্ণতাৰে কাৰ্য-সাধনাৰ অৰ্থে নিজতে থিৰ কৰিলে, সেই অনুসাৰে নিজ ইচ্ছাৰ নিগূঢ় তত্ব আমাক জনালে আৰু ঈছাত আগেয়ে ভাৰসা কৰা যি আমি, আমাৰ*



*“তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰণিপাত কৰা আৰু কেৱল তেওঁৰেই আৰাধনা কৰা”* (মথি ৪:১০)।

গতিকে ই পৰিস্কাৰ যে ইছ'লাম ধৰ্ম্মই মছীহি ধৰ্ম্মৰ ত্ৰিত্বৰ লগত নহয়, কিন্তু তিনিজন আল্লাহৰ মতবাদৰ সৈতে যুঁজিছিল। তেওঁলোকে অন্য এক শিক্ষা আৰু অন্য এক ধৰ্ম্মমতৰ সৈতে যুঁজিছিল।

স্পষ্টই, বহু ঈশ্বৰ-বাদৰ বিৰুদ্ধে মুছলমানসকলৰ আক্ৰমণ এক বিশেষ মতবাদক লক্ষ্য কৰি কৰা হৈছিল। মুছলমান শকাব্দৰ আৰম্ভনিত ই গা কৰি উঠিছিল আৰু এই মতবাদক কেৱল ইছ'লাম ধৰ্ম্মই আক্ৰমণ কৰা নাছিল, মছীহিবিলাকেও ইয়াক অতি প্ৰবলৰূপে আক্ৰমণ কৰিছিল আৰু মই আগতে মোৰ এটি উত্তৰত উল্লেখ কৰি অহাৰ দৰে, তেওঁলোকে ইয়াক ধ্বংস কৰিছিল।

মই আকৌ এবাৰ কওঁ, মছীহি ধৰ্ম্মই আল্লাহৰ বহুলতাৰ শিক্ষা নিদিয়ে আৰু নকয় যে মছীহ আল্লাহৰ পৰা পৃথক এজন আল্লাহ। এই ধৰ্ম্মই ইয়াকে বিশ্বাস কৰে যে পিতৃ আৰু পুত্ৰ উভয়ে পুনৰাবৃত্তি বা বিভক্ত নোহোৱাকৈ এজনেই আল্লাহ। মছীহই এই বুলি কৈ এই কথা খাটাং কৰিছিল, “মই আৰু সেই পিতৃ এক” (ইউহোন্না ১০:৩০)। মছীহি ধৰ্ম্মই ভাগ্যৱতী মৰিয়মক আল্লাহ বুলি শিক্ষা নিদিয়ে। মৰিয়মে নিজৰ বাবে ঈশ্বৰত্ব দাবী কৰা নাছিল। তেওঁ স্বীকাৰ কৰিছিল, “মোৰ প্ৰাণে প্ৰভুৰ মহিমা বৰ্ণাইছে, মোৰ আত্মাই মোৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰত উল্লাস কৰিলে” (লূক ১:৪৭)।

সেইদৰে কোৰানৰ কালামত, চুৰা আল'-মাইদাহ ৭৩: *“যিবিলাকে আল্লাহক তিনিজনৰ তৃতীয়াংশ বুলি কৈছিল, সিবিলাক নাস্তিক...”* এই উদ্ধৃতি মছীহি ধৰ্ম্মৰ শত্ৰু যেনে মাৰ্চিয়নাইটসকলে ব্যৱহাৰ কৰিছিল। লোকবিলাকক জামাতৰ পৰা ওলিয়াই পঠোৱা হৈছিল আৰু সমাজৰ বাহিৰ কৰা হৈছিল, কাৰণ তেওঁলোকে তিনিজন আল্লাহক আৰাধনা কৰিবলৈ শিকাইছিল। তেওঁলোকে সেই তিনিজনৰ নাম দিছিল:

**১। আদিল - তৌৰাত পঠোৱা আল্লাহজন**

**২। চালিহ - তৌৰাতৰ ঠাইত নতুন নিয়ম দিয়া আল্লাহজন**

**৩। পাপ - চয়তান**

**ভঙগিছিল, কবৰস্থ হৈছিল আৰু তৃতীয় দিনা পুনৰায় উঠিছিল। তেওঁ বেহেস্তলৈ উঠি গ'ল আৰু তাত পিতৃৰ সোঁহাতে বহি আছে। জীৱিত আৰু মৃতবিলাকৰ শোধ-বিচাৰ কৰিবলৈ তেওঁ মহান গৌৰৱেৰে ঘূৰি আহি'ব। তেওঁৰ ৰাজ্যৰ কেতিয়াও অন্ত নপৰিব।**

**মই পাক ৰূহত, প্ৰভুত, জীৱন দিওঁতা জনত বিশ্বাস কৰোঁ। পিতৃ আৰু পুত্ৰৰ পৰা ওলাই অহা জনত। পিতৃ আৰু পুত্ৰৰ সৈতে একেলগে তেওঁৰ আৰাধনা আৰু গৌৰৱান্বিত কৰা হয়, যি জনৰ বিষয়ে নবীসকলে কৈছিল।**

**মই বিশ্বজনীন আৰু ধৰ্ম্মপ্ৰচাৰিত এক জামাতত বিশ্বাস কৰোঁ। গুণাহৰ ক্ষমাৰ বাবে মই এক বাপ্তিস্মত বিশ্বাস কৰোঁ আৰু মৃতকৰ পুনৰুত্থান আৰু অনন্ত জীৱনৰ বাবে অপেক্ষা কৰোঁ। আমিন।"**

## ইছ'লাম ধৰ্ম্মত ত্ৰিত্ব

ই নিশ্চিত যে ইছ'লাম ধৰ্ম্মই বহু আল্লাহ বাদ শিক্ষাৰ (ত্ৰি-আল্লাহত বিশ্বাস) বিৰুদ্ধে যুঁজিছিল। তলত দিয়া শাস্ত্ৰৰ পাঠ্যবোৰৰ যোগেদি ইছ'লামে অসত্য শিক্ষাৰ বিৰুদ্ধে যুঁজিছিল:

১। *"তিনিজন বুলি নকবা…আল্লাহ এজন আল্লাহ"* (ছুৰা আন্‌-নিচা ১৭১ আয়াত)।

২। আল্লাহে কলে: *"হে ঈছা! মৰিয়মৰ পুত্ৰ, তুমি মানুহবিলাকক কৈছিলা নে কি, আল্লাহৰ ওপৰিও তোমালোকে মোক আৰু মোৰ মাতৃক আল্লাহ স্বৰূপে লোৱা ?"* (ছুৰা আল্‌-মাইদা ১১৬ আয়াত)।

৩। *"যিবিলাকে আল্লাহ তিনিজনৰ তৃতীয়াংশ বুলি কয়, তেওঁলোক নাস্তিক, এজন আল্লাহৰ বাহিৰে আৰু অন্য আল্লাহ নাই"* (আল'-মাইদা ৭৩ আয়াত)।

এই আয়াতবোৰৰ পৰা ই স্পষ্ট যে ইছ'লাম ধৰ্ম্মই আল্লাহক অন্য আল্লাহৰ সৈতে যোগ দিয়া বা বহু আল্লাহ (polytheism) বুজোৱা ধৰ্ম্মশিক্ষাবোৰৰ বিৰোধিতা কৰিছিল। মছীহি ধৰ্ম্ময়ো আল্লাহক অন্য আল্লাহৰ লগত সংযোগ কৰা বা অনেক আল্লাহৰ অস্তিত্বৰ বিষয়ে শিক্ষা দিয়া নাছিল। মছীহৰ কালামলৈ লক্ষ্য কৰক:



*পৰাই যেন তেওঁৰ প্ৰতাপৰ প্ৰশংসা জন্মে"* (ইফিচীয়া ১:৭-১১)। *"এই কাৰণে, সকলোৰে সৃষ্টিকৰ্তা আল্লাহত আদি কালৰ পৰা লুকুৱা নিগূঢ় তত্বৰ কাৰ্য নিৰ্বাহ কি তাক সকলোকে দেখুৱাবলৈ আৰু মছীহৰ অনুসন্ধান কৰিব নোৱাৰা ধনৰ শুভবাৰ্তা পৰজাতিবিলাকৰ আগত প্ৰচাৰ কৰিবলৈ সকলো পবিত্ৰবিলাকৰ মাজত সৰুতকৈয়ো সৰু যি মই, মোক সেই অনুগ্ৰহ দিয়া হ'ল"* (ইফিচীয়া ৩:৯-১১)।

আল্লাহে ক্ষমাৰ যোগেদি পাপমোচন আঁচনিৰ তাৎপৰ্যবোৰ হ'ল—

**(ৰ) কোৰবাণীক পছন্দ আৰু নিযুক্তি দিয়া।**

**(চ) তাক প্ৰাপ্ত কৰিবলৈ উপায় যুগুত কৰা।**

**(৩) চূড়ান্ত উদ্দেশ্যৰ প্ৰাপ্তিৰ বাবে উপায়ৰ ব্যৱস্থা কৰা।**

আল্লাহে সুনিয়ন্ত্ৰিত বিশ্ব এখন সৃষ্টি কৰিছিল। অজ্ঞাত লোকৰ বাবে আকাশৰ তৰাবোৰ খেলি-মেলিকৈ থাকিব পাৰে কিন্তু জ্যোৰ্তিবিদ এজনৰ বাবে সেইবোৰ এক বিস্ময়কৰ সমন্বয়ৰ প্ৰদৰ্শন। কিতাবুল মোকাদ্দছে পৰিষ্কাৰকৈ বুজাইছে যে আল্লাহৰ ব্যৱস্থাসমূহ তেওঁৰ অনুগ্ৰহৰ দ্বাৰা পৰিপূৰ্ণ। ইয়াত কোৱা হৈছে যে আল্লাহে সকলোবোৰ সজাইছে তেওঁৰ ইচ্ছাৰ মন্ত্ৰণা অনুসাৰে। *"খ্ৰীষ্টত আগেয়ে ভৰসা কৰা যি আমি, আমাৰ পৰাই যেন তেওঁৰ প্ৰতাপৰ প্ৰশংসা জন্মে, এই কাৰণে যি জনাই নিজ ইচ্ছাৰ মন্ত্ৰণা অনুসাৰে সকলোকে সাধন কৰে"* (ইফিচীয়া ১:১১)।

আমি কিতাবুল মোকাদ্দছ নিশ্চয় পঢ়িব লাগে আৰু বিচাৰি উলিয়াব লাগে আল্লাহে আধ্যাত্মিক বিষয়ত কি কৈছে তাক জানিবলৈ। ইয়াত কোনো সন্দেহ নাই যে মুক্তিৰ প্ৰয়োজন চিৰন্তন। কিতাবুল মোকাদ্দছে আমাক শিকায় অনুগ্ৰহৰ পাপমোচন কি। চাহাবা পৌলে কৈছিল *"কিয়নো একো প্ৰভেদ নাই, কাৰণ সকলোৱে পাপ কৰিলে আৰু আল্লাহৰ মহিমাৰ পৰা বঞ্চিত হৈছে"* (ৰোমীয়া ৩:২৩)।

পৌলৰ বহুদিন আগতে, আল্লাহৰ নবী দায়ুদে কৈছিল, *"সিহঁতে সকলো অপথে গ'ল, সিহঁত সকলোৱেই কলংকিত হ'ল, সৎকৰ্ম্ম কৰোঁতা কোনো নাই, এজনো নাই"* (গীতমালা ১৪:৩)। একেদৰে যিচয়া নবীয়ে লিখিছিল, *"আমি সকলোৱে ভেড়াৰ নিচিনাকৈ অপথে গৈছিলোঁ, প্ৰতিজনে নিজ নিজ বাট লৈছিলোঁ আৰু আল্লাহে আমাৰ সকলোৰে অপৰাধৰ ভাৰ তেওঁৰ ওপৰত দিলে"* (যিচয়া ৫৩:৬)।

যদি পাপ মোচনেই মানুহৰ বেহেস্তী জীৱনৰ বাবে প্ৰয়োজন, তেন্তে আমি সুধিব পাৰো- পাপ মোচন কি? আমি কিহৰ পৰা মুক্ত হ'লে বেগুণাহ হ'ব পাৰিম? এইটো পৰিষ্কাৰ যে মছীহি ঈমানেই পৃথিৱীৰ সকলোৰে বাবে নাজাতৰ একমাত্ৰ

পথ। এই ঈমানৰ ভেটী গঢ়োতা হ'ল প্ৰভু ঈছা মছীহ।

শুভবাৰ্ত্তাবোৰে এই ঘোষণা কৰে যে ইয়েই নাজাতৰ পথ। ফিৰিস্তাই কুমাৰী মৰিয়ক কৈছিল, *"তুমি এটি পুত্ৰ প্ৰসৱ কৰিবা আৰু তুমি তেওঁৰ নাম ঈছা থবা। কাৰণ তেৰেঁই নিজৰ লোকক তেওঁলোকৰ পাপবোৰৰ পৰা নাজাত কৰিব"* (মথি ১:২১)। সেয়ে যোহন বাপ্তাইজকে ঈছাৰ বৰ্ণনা দিছে, 'জগতৰ পাপ নিওতা আল্লাহৰ মেৰ পোৱালি' বুলি।

ঈছা মছীহই নিজৰ বিষয়ে কৈছে, *'কাৰণ যি হেৰাল তাক বিচাৰি ৰক্ষা কৰিবলৈ ইব্‌নে আদম পুত্ৰ আহিল"* (লুক ১৮:১০)। পৌলে লিখিছিল, *"পাপীলোকৰ নাজাত কৰিবৰ কাৰণে, ঈছা মছীহ যে জগতলৈ আহিল, এই কথা বিশ্বাসযোগ্য আৰু সকলোৰে গ্ৰাহ্য কৰিবৰ যোগ্য; সেই পাপীলোকৰ মাজত ময়েই প্ৰধান"* (তীমথিয় ১:১৫)।

কিতাবুল মোকাদ্দছে শিকাইছে যে মানুহৰ নাজাতৰ বিষয়টো পাপমোচনৰ ভেটিত গঢ় লোৱা। সেয়ে পাপমোচন একমাত্ৰ দৰ্শনেই নহয়, কিন্তু সকলো বিশ্বাসীৰ বাবে পাপক আঁতৰাই ৰখা একমাত্ৰ প্ৰকৃত পথ। এই ভেটিৰ ওপৰত গঢ় লৈ নুঠা যিকোনো মতবাদ বা শ্বৰীয়ত মিছা, মূল্যহীন আৰু দোষযুক্ত।

**প্ৰশ্ন ঃ আপুনি দাবী কৰামতে, আদম (আঃ)ৰ গুণাহৰ বাবে ইছা মছীহ কিয় দায়ী হ'ব আৰু তেওঁৰ উত্তৰাধিকাৰীৰ গুণাহৰ বাবে মছীহই কিয় প্ৰাশ্চিত্ত কৰিব লাগিব?**

**উত্তৰ ঃ** কোনোৱে সত্যটো বুজিব নোৱাৰে যেতিয়ালৈকে বস্তুটোক তাৰ প্ৰকৃত নামেৰে মতা নহয়। সেয়ে মই আপোনাক মনত পেলাই দিবলৈ ভাল পাম যে মছীহই সৰ্বোপৰি জনাৰ পৰা অহা বুলি কোৱা হৈছে। ফিৰিস্তা জিব্ৰাইলে কুমাৰী মৰিয়মক কৈছিলঃ *"আৰু চোৱা, তুমি গৰ্ভৱতী হৈ পুত্ৰ প্ৰসৱ কৰিবা আৰু তেওঁৰ নাম ঈছা থবা। তেওঁ মহান হ'ব আৰু সৰ্বোপৰি জনাৰ পুত্ৰ বুলি প্ৰখ্যাত হ'ব আৰু প্ৰভু খোদাবন্দে তেওঁৰ পিতৃ দায়ুদৰ সিংহাসন তেওঁক দিব"* (লুক ১:৩১-৩২)।

কিতাবুল মোকাদ্দছে শিকাইছে আল্লাহে মানুহ সৃষ্টি কৰিছিল তেওঁৰ নিজৰ প্ৰতিমূৰ্ত্তিৰে, ধৰ্মপৰায়ণতা আৰু পবিত্ৰতাৰে। তেওঁ মানুহক চৰ্তসাপেক্ষে অনন্ত জীৱন দিছিল এই আশয়েৰে যে মানুহে আল্লাহৰ আদেশ পালন কৰিব।



**ব্যক্তি আছে – পিতৃ - পুত্ৰ – আৰু পাক ৰূহ: অৰ্থাৎ তিনি ব্যক্তিত্বত এক গুণ। ত্ৰিত্বৰ গুণ বিভক্ত নহয়। গতিকে, তিনিজন ব্যক্তিত্বৰ প্ৰত্যেকত তাৰ কোনো বিশেষ অংশ নাই, কিন্তু প্ৰত্যেকে বাকী দুজনৰ একে গুণ উপভোগ কৰে।**

মানৱ মস্তিষ্কই এই সকলো বোধগম্য কৰিব নোৱাৰে বা তেওঁলোকৰ সম্বন্ধৰ ৰহস্য ধৰিব নোৱাৰে, কিন্তু কিতাবুল মোকাদ্দছে এই ৰহস্য আমাৰ আগত ব্যাখ্যা কৰিছে। পবিত্ৰ শাস্ত্ৰৰ বাহিৰৰ পৰা অহা প্ৰত্যেক দাৰ্শনিক চিন্তাধাৰা বা যুক্তিকৰ তৰ্ক, সেয়া দাৰ্শনিক চিন্তাধাৰাই হওক বা যুক্তিকৰ তৰ্কই হওক, শাস্ত্ৰই যি আগবঢ়াইছে তাক ব্যাখ্যা কৰিবলৈ কৰা এক দুৰ্বল প্ৰচেষ্টাহে মাথোন।

আমি ইতিহাসৰ পৰা জানোঁ যে ত্ৰিত্ব ধৰ্ম্মমতৰ সৈতে পুৰণি মছীহিসকল পৰিচিত আছিল। তেওঁলোকে অনুপ্ৰাণিত কিতাবুল মোকাদ্দছৰ পোহৰত তাক অধ্যয়ণ কৰিছিল। তেওঁলোকে ইয়াত বিশ্বাস কৰিছিল আৰু নিৰ্ভৰ কৰিছিল। তেওঁলোকে জামাতৰ শাস্ত্ৰীয় বিধানত ইয়াক বৰ্ণনা কৰিছিল। এই শাস্ত্ৰীয় বিধানবিলাকৰ ভিতৰত আটাইতকৈ বিখ্যাত হৈছে নাইচিন ধৰ্ম্মমত (Nicene Creed), যি তলত দিয়া ধৰণৰ:

**"মই এজন আল্লাহত, সৰ্ব্বশক্তিমান পিতৃ, বেহেস্ত আৰু পৃথিবী আৰু দৃশ্য আৰু অদৃশ্য সকলোৰ সৃষ্টিকৰ্ত্তাক বিশ্বাস কৰোঁ। আৰু সকলো যুগৰ পূৰ্ব্বে পিতৃৰ পৰা জন্ম পোৱা, একেজাত ইবনুল্লাহ, এজন প্ৰভু ঈছা মছীহক বিশ্বাস কৰোঁ। সেই আল্লাহৰে সেই আল্লাহ। পোহৰৰ পোহৰ। প্ৰকৃত আল্লাহৰ প্ৰকৃত আল্লাহ। জন্ম পোৱা, কিন্তু সৃষ্ট নোহোৱা, পিতৃৰ দৰেই একে ঐশ্বৰিক গুণৰ।**

**সকলো তেওঁৰেই সৃষ্টি, যি জনে আমি মানৱ জাতিৰ বাবে আৰু আমাৰ নাজাতৰ বাবে বেহেস্তৰ পৰা নামি আহিছিল আৰু পাক ৰূহৰ দ্বাৰাই অৱতাৰিত হৈছিল। পবিত্ৰ মৰিয়মৰ পৰা জন্ম হৈছিল। মানৱ শৰীৰ ধাৰণ কৰিছিল আৰু পন্টিয়াচ' পীলাতৰ তলত সলীবত দিয়া হৈছিল, যাতনা**

আৰু ইবনে-আদম।

২৪। মছীহ পিতৃৰ পৰা অহা, সকলো যুগৰ পূৰ্ব্বে জন্মা আল্লাহ। মছীহ এই জগতত পবিত্ৰা মৰিয়মৰ পৰা জন্ম লাভ কৰা মানৱ।

২৫। মছীহ সম্পূৰ্ণ আল্লাহ আৰু সম্পূৰ্ণ মানৱ। তেওঁ বিবেচক ৰূহ আৰু মানৱ শৰীৰৰ সৈতে মনুষ্য স্বৰূপে অৱতাৰ ধাৰণ কৰিছিল।

২৬। তেওঁৰ ঈশ্বৰত্বত – মছীহ পিতৃৰ সমতুল্য আৰু তেওঁৰ মানৱীয়তাত তেওঁ পিতৃৰ তলত।

২৭। ঈছা যদিও আল্লাহ আৰু মানৱ, তেওঁ কেৱল এজনহে মছীহ, দুজন নহয়।

২৮। তেওঁ এক। সেয়া ঈশ্বৰত্ব মনুষ্যলৈ ৰূপান্তৰিত হোৱাৰ দ্বাৰাই নহয়, ঈশ্বৰত্বত মানৱ শৰীৰ ধাৰণ কৰাৰ দ্বাৰাইহে।

২৯। তেওঁ এক আল্লাহ। ত্ৰিত্বৰ আচল গুণবোৰ মিহলি কৰাৰ দ্বাৰাই নহয়, কিন্তু ত্ৰিত্বৰ একতাৰ দ্বাৰাইহে।

৩০। যি দৰে আত্মা আৰু শৰীৰে মানৱ প্ৰাণী গঠন কৰে, ঠিক সেইদৰে আল্লাহ আৰু মানৱ এক মছীহত একত্ৰ হয়।

৩১। তেওঁ আমাৰ নাজাতৰ বাবে যাতনা ভুগিলে আৰু নৰকলৈ (আত্মাবোৰৰ মণ্ডললৈ) নামি গল, আৰু তৃতীয় দিনা মৃতবিলাকৰ মাজৰ পৰা পুনৰায় উঠিল।

৩২। মছীহ বেহেস্তলৈ উঠি গ'ল আৰু এতিয়া সৰ্ব্বশক্তিমান পিতৃৰ সোঁহাতে বহি আছে।

৩৩। জীৱিত আৰু মৃতবিলাকৰ শোধ-বিচাৰ কৰিবলৈ মছীহ বেহেস্তৰ পৰা আহি'ব।

৩৪। যেতিয়া মছীহ আহি'ব, সকলো মৃতই তেওঁলোকৰ শৰীৰত জী উঠিব আৰু প্ৰত্যেকে নিজৰ কাৰ্য্যৰ বিৱৰণ দিব।

৩৫। ভাল কৰ্ম্ম কৰা সকলোৱে অনন্ত জীৱন পাব আৰু বেয়া কৰ্ম্ম কৰা সকলোৱে অনন্তকলীয়া জুইলৈ যাব।

৩৬। এয়ে বিশ্বজনীন মছীহি ঈমান। ইয়াত বিশ্বস্ততা আৰু দৃঢ়তাৰে বিশ্বাস নকৰিলে কোনেও নাজাত পাব নোৱাৰে।

সংক্ষেপে, **আল্লাহ এজনেই? আল্লাহৰ ত্ৰিত্বত তিনিজন**



তৌৰাত শৰীফত কি কৈছে সেইটো লক্ষ্য কৰকঃ *"তাতে আল্লাহে নিজৰ প্ৰতিমূৰ্ত্তিৰে মানুহ সৃষ্টি কৰিলে; আল্লাহৰ প্ৰতিমূৰ্ত্তিৰেই তাক সৃষ্টি কৰিলে, পাছে আল্লাহে সিবিলাকক আশীৰ্বাদ কৰিলে; আল্লাহে সিবিলাকক ক'লে, তোমালোক বহুবংশ হোৱা আৰু বাঢ়ি বাঢ়ি পৃথিৱীখন পৰিপূৰ্ণ কৰা আৰু তাক বশীভূত কৰা আৰু সমুদ্ৰৰ মাছ, আকাশৰ চৰাই আৰু পৃথিৱীত বগাই ফুৰা সকলো জীৱ-জন্তুৰ ওপৰত অধিকাৰ চলোৱা"* (আদিপুস্তক ১:২৭-২৮)।

*"পাছে আল্লাহে মানুহক নি, এদেনত থকা বাৰীৰ বন কৰিবলৈ তাৰে তাক ৰাখিবলৈকে তাত থলে আৰু আল্লাহে মানুহক এই আজ্ঞা দিলে, বোলে তুমি বাৰীৰ সকলো বৃক্ষৰ ফল স্বচ্ছন্দে খাব পাৰা; কিন্তু ভাল বেয়া জ্ঞান দিওতা বৃক্ষৰ ফল হ'লে নেখাবা; কিয়নো যি দিনা তাক খাবা সেইদিনাই তুমি অৱশ্যে মৰিবা"* (আদি পুস্তক ২:১৫-১৭)।

আদেমে কিছুসময়ৰ বাবে বেহেস্তৰ উদ্যানত নিষ্পাপ পৰিবেশত আল্লাহৰ আধ্যাত্মিক সঙ্গ উপভোগ কৰিছিল। আধ্যাত্মিক সঙ্গই আদমৰ মন আৰু হৃদয় আনন্দৰে ভৰাই তুলিছিল।

আদম আছিল সৰল আৰু নিৰ্জু প্ৰকৃতিৰ। সৰলতাই এজনক আল্লাহৰ ওচৰলৈ নিয়ে। যদিও তেওঁ ধাৰ্মিক আছিল, আল্লাহে তেওঁক প্ৰলোভিত নহ'বলৈ আৰু তেওঁৰ আজ্ঞা পালন কৰিলেহে সেই ঠাইত থাকিব পাৰাৰ কথা কৈছিল, নহ'লে নহয়। আল্লাহৰ আজ্ঞাই আদমৰ বাবে কি সত্য আৰু কি মিছা তাৰ মাজত সীমাবদ্ধ আছিল। আন কথাত, আল্লাহৰ উদ্দেশ্য আছিল আমাৰ পূৰ্বপুৰুষসকলক শিকোৱা সত্য আৰু অসত্যৰ মাজত থকা বেৰৰ জ্ঞাণ দিয়া।

পৰীক্ষা আহিছিল চয়তানৰ পৰা যিয়ে হাৱাক এটি সাধাৰণ প্ৰশ্ন সুধিছিল। কিন্তু ই ছলনাৰে পৰিপূৰ্ণ আছিল। সি হাৱাক সুধিছিল, *'বাৰীৰ কোনো গছৰ ফল তোমালোকে নেখাবা বুলি আল্লাহে বাস্তৱিক তোমালোকক ক'লেনে?"* (আদিপুস্তক ৩:১)।

ইয়াৰ অৰ্থটো যেন আনকিবাহে আছিলঃ যি আল্লাহে তোমালোকক ভাল পায়, তেওঁৰ ভালপোৱাৰে আৰু দয়াৰে তোমালোকৰ চৌপাশ আৱৰি আছে আৰু যিয়ে তোমাক এই সকলো সুখ দিছে— সেইজনায়ে তোমালোকক দিয়া কোনো এটি গছৰ ফল খোৱাতো নিষিদ্ধ কৰিছেনে?

**হাৱাই চয়তানৰ চতুৰ কথাবোৰ শুনিলে আৰু উত্তৰ দিলে,** *"বাৰীৰ গছবোৰৰ ফল আমি খাব পাৰোঁ; কিন্তু বাৰীৰ মাজত থকা*

*যি গছ জোপা আছে তাৰ ফল হলে, আল্লাহে কৈছে, 'তোমালোকে তাক নেখাবাও, নচুবাও; তাকে কৰিলেই মৰিবা'"* (আদিপুস্তক ৩:২-৩)। আল্লাহৰ হুকুমৰ সৈতে হাৱাই কেনেকৈ নিজৰ কথা যোগ দিলে মন কৰক, **"তোমালোকে নচুবাও"**। আল্লাহে নোকোৱা কথা তাই উল্লেখ কৰিলে। চয়তানে আগতে কৈ অহা কথা বঢ়ালে যাতে আল্লাহৰ সততাৰ প্ৰতি হাৱাৰ সন্দেহ আৰু বৃদ্ধি পায়, *"কিয়নো, যি দিনা তোমালোকে তাৰ ফল খাবা, সেই দিনাই যে তোমালোকৰ চকু মুকলি হৈ তোমালোক আল্লাহৰ নিচিনা ভাল বেয়া জানোতা হবা, তাক আল্লাহে জানে"* (আদিপুস্তক ৩:৫)।

ইয়াৰ পৰিণাম হ'ল যে হাৱাই চতুৰ শত্ৰুৰ কথালৈ কাণ দিলে আৰু পতিত হল। *"তেতিয়া নাৰীয়ে সেই গছৰ ফল খাবলৈ ভাল, চকুৰ লোভজনক আৰু জ্ঞান দিয়াৰ কথাতো মনমোহা যেন দেখি, তাক ছিঙি খালে আৰু লগত থকা তেওঁৰ গিৰিয়েককো দিলে; তাতে তেৰোঁ খালে। পাছে সিবিলাক দুয়োৰো চকু মুকলি হলত, সিবিলাক যে বিবস্ত্ৰ, তাক সিবিলাকে বুজি, নিজলৈ ডিমৰু পাতেৰে কপিং সিয়াই ললে"* (আদিপুস্তক ৩:৬-৭)।

প্ৰথম পিতৃ-মাতৃৰ এনেকৈয়ে পতন হৈছিল। হাৱা পতিত হৈছিল কাৰণ তেওঁ আল্লাহৰ বিশ্বস্ততা আৰু সততাক সন্দেহ কৰিছিল আৰু তেওঁৰ আজ্ঞা অমান্য কৰিছিল। তাই নিজে আল্লাহৰ আজ্ঞা ভঙ্গ কৰিয়েই সন্তুষ্ট হোৱা নাছিল, কিন্তু নিজৰ গিৰিয়েককো জড়িত কৰিছিল আৰু আল্লাহক অমান্য কৰি দুয়ো পতিত হৈ মানৱ জাতিৰ ইতিহাসত আটাইতকৈ ডাঙৰ পাপ কৰিছিল। পাপৰ অৰ্থ হৈছে **"লক্ষ্য চ্যুত হোৱা"**। *"যি কোনোৱে পাপ-আচৰণ কৰে, তেওঁ বিধান লঙ্ঘন কৰে আৰু পাপেই বিধান লঙ্ঘন"* (১ ইউহোন্না ৩:৪)।

*"কিয়নো পাপৰ বেচ মৃত্যু; কিন্তু আল্লাই দিয়া বৰ, আমাৰ প্ৰভু ঈছা মছীহৰ দ্বাৰাই অনন্ত জীৱন"* (ৰোমীয়া ৬:২৩)। তেওঁৰ কালাম অনুসাৰে আল্লাহে তেওঁলোকক শাস্তি দিলে। *"কিন্তু ভাল বেয়া জ্ঞান দিওঁতা বৃক্ষৰ ফল হলে নেখাবা; কিয়নো যি দিনা তাক খাবা, সেই দিনাই তুমি অৱশ্যে মৰিবা"* (তৌৰাৎ ২:১৭)।

ইয়াত মৃত্যুৰ অৰ্থ কবৰৰ শাৰীৰিক মৃত্যু নহয়, কিন্তু ৰূহানী



আল্লাহ।

১২। একেদৰে পিতৃ সৰ্ব্বশক্তিমান আল্লাহ, পুত্ৰ সৰ্ব্বশক্তিমান আল্লাহ আৰু পাক ৰূহ সৰ্ব্বশক্তিমান আল্লাহ। সৰ্ব্বশক্তিমান তিনিজন আল্লাহ নহয়, কিন্তু এজনেই সৰ্ব্বশক্তিমান।

১৩। পিতৃ আল্লাহ, পুত্ৰ আল্লাহ আৰু পাক ৰূহ আল্লাহ। তেওঁলোক তিনিজন আল্লাহ নহয়, কিন্তু কেৱল এজন আল্লাহ।

১৪। পিতৃ প্ৰভু, পুত্ৰ প্ৰভু আৰু পাক ৰূহ প্ৰভু। তিনিজন প্ৰভু নহয়, কিন্তু কেৱল এজন প্ৰভু।

১৫। মছীহি সত্যই এই প্ৰত্যেকজন ব্যক্তিক আল্লাহ আৰু প্ৰভু বুলি আমাক স্বীকাৰ কৰিবলৈ দিয়াৰ লগতে আমাক এই বুলি কবলৈও নিষেধ কৰে যে তিনিজন আল্লাহ আৰু তিনিজন প্ৰভু আছে। আমি কেৱল এজন আল্লাহত বিশ্বাস কৰোঁ, আৰু তেৱেঁই প্ৰভু।

১৬। পিতৃ অন্য দুজনৰ পৰা সজা হোৱা নাই, বা তেওঁ সৃষ্টও নহয়। তেওঁৰ জন্ম হোৱা নাই। পুত্ৰ যি জন পিতৃৰ পৰা অহা, তেওঁ সজা নহয় বা সৃষ্টও নহয়। তেওঁ জন্মিত। পাক ৰূহ পিতৃ আৰু পুত্ৰৰ পৰা অহা হয়। তেওঁ সজা নহয় বা সৃষ্টও নহয়। তেওঁ জন্মিত নহয়।

১৭। গতিকে পিতৃ এজনহে, তিনিজন নহয়; এজন পুত্ৰ তিনিজন নহয় আৰু এজন পাক ৰূহ তিনিজন নহয়।

১৮। পাক ত্ৰিত্বত আনজনৰ আগত বা পাছত কোনো ব্যক্তি নাই। আনজনতকৈ ডাঙৰ বা সৰু কোনো ব্যক্তি নাই।

১৯। ত্ৰিত্বৰ তিনিজন ব্যক্তি অনন্ত আৰু সমান।

২০। গতিকে আমি পাক ত্ৰিত্বত এজন আল্লাহক আৰু এজন আল্লাহত পাক ত্ৰিত্বৰ আৰাধনা কৰা উচিত।

২১। গতিকে যি জনে নাজাত পাবলৈ ইচ্ছা কৰে, তেওঁ পাক ত্ৰিত্বত বিশ্বাস কৰা উচিত।

২২। যি জনে নাজাত পাবলৈ ইচ্ছা কৰে, তেওঁ আমাৰ প্ৰভু ইছা মছীহৰ অৱতাৰত অকপটভাৱে বিশ্বাস কৰিব লাগে।

২৩। নৈষ্ঠিক ঈমান হৈছে আমাৰ প্ৰভু ঈছা মছীহ ইবনুল্লাহ বুলি বিশ্বাস কৰা আৰু স্বীকাৰ কৰা। তেওঁ (আল্লাহ-মানৱ) আল্লাহ

ধৰ্ম্ম বিয়পি পৃথিবীত বিস্তাৰ হ'ল, আৰু কিছুমান নতুন ধৰ্ম্মমত ওলাল, পৰিস্থিতিৰ পৰিবৰ্ত্তন হ'ল। জামাতৰ বাবে চূড়ান্ত মত ঘোষণা কৰা অত্যন্ত জৰুৰী হৈ পৰিল, বিশেষকৈ যেতিয়া এৰিয়াচ' আৰু চেবেলিয়াচৰ ভুলবোৰ বিয়পি পৰিবলৈ আৰম্ভ কৰিলে। এই কেইজন মানুহে প্ৰভু ঈছা মছীহ আৰু পাক ৰূহৰ ঈশ্বৰত্বৰ বিষয়ে মছীহি ধৰ্ম্মমতবোৰৰ বিৰোধিতা কৰিছিল। মুখ্য মছীহি নেতাবিলাক উঠি আহিল আৰু এই বিধৰ্ম্মী মতবোৰ উদঙাই দেখুৱালে। তাৰ ভিতৰত আটাইতকৈ প্ৰখ্যাত আছিল সাধু এথানাচিয়াচ', যিজনে সেই ধৰ্ম্মমতবোৰৰ বিৰোধিতা কৰিছিল আৰু বিখ্যাত এথানাচিয়ান ধৰ্ম্মৰ পথ জাৰী কৰিছিল। এই ধৰ্ম্ম পথৰ সাৰ অংশ হৈছে এই:

১। যি সকলে পৰিত্ৰাণ পাবলৈ ইচ্ছা কৰে, তেওঁলোকে সৰ্ব্ব প্ৰথমে মছীহি জামাতৰ বিশ্বজনীন চাহাবা প্ৰণোদিত বিশ্বাসক গ্ৰহণ কৰিব লাগিব।

২। এই বিশ্বাস অটুট নৰখা সকলোৱে অনন্তকালৰ বাবে দণ্ডনীয় হ'ব।

৩। এই বিশ্বজনীন বিশ্বাস হৈছে তিনিজনত এজন আল্লাহক (ত্ৰিত্ব), আৰু এজন আল্লাহত তিনিজনক আৰাধনা কৰা।

৪। আমি ত্ৰিত্বৰ তিনিজনক সান-মিহলি কৰিব নালাগে আৰু তেওঁলোকৰ আচল গুণক পৃথক কৰিব নালাগে।

৫। পিতৃ এজন ব্যক্তি, পুত্ৰ এজন ব্যক্তি, আৰু পাক ৰূহ এজন ব্যক্তি।

৬। তথাপি পিতৃ, পুত্ৰ আৰু পাক ৰূহ এজন আল্লাহ। তেওঁলোকে সমান মহিমা আৰু অনন্ত গৌৰৱ উপভোগ কৰে।

৭। পিতৃ যেনে, পুত্ৰও তেনে আৰু পাক ৰূহো তেনে।

৮। পিতৃ, পুত্ৰ আৰু পাক ৰূহ সৃষ্ট নহয়।

৯। পিতৃ, পুত্ৰ আৰু পাক ৰূহ সীমিত নহয়।

১০। পিতৃ অনন্ত, পুত্ৰ অনন্ত আৰু পাক ৰূহ অনন্ত। তিনিটা অনন্ত নহয়, কিন্তু এটা অনন্ত।

১১। তেওঁলোক সৃষ্ট নোহোৱা তিনিজন নহয় আৰু অপৰিসীম তিনিজন নহয়, কিন্তু সৃষ্ট নোহোৱা এজন আল্লাহ, এজন অপৰিসীম



মৃত্যু, আল্লাহ' পাকৰ সহভাগিতাৰ পৰা ৰূহৰ পৃথকীকৰণ। ইয়াৰ পৰিণাম হল মানৱ ৰূহৰ অনন্তকলীয়া যাতনা আৰু কষ্ট। দুয়োকে শাস্তি বিহিব লগা হল। *"তেওঁ আদমক কলে, যি গছৰ ফল নেখাবা বুলি মই তোমাক নিষেধ কৰিছিলোঁ, তুমি তোমাৰ তিৰোতাৰ কথা শুনি তাক খোৱা হেতুকে, তোমাৰ কাৰণে ভূমি অভিশপ্ত হৈছে; তুমি জীৱনৰ গোটেই কালত দুখেৰে তাৰ পৰা খাবলৈ পাবা; কাঁইট আৰু কাঁইটীয়া বন সি তোমালৈ উৎপন্ন কৰিব; আৰু তুমি পথাৰৰ শস্য ভোজন কৰিবা। তুমি মাটিলৈ উলটি নোযোৱামানে, তোমাৰ মুখৰ ঘামেৰে আহাৰ কৰিবলৈ পাবা; কিয়নো তোমাক মাটিৰ পৰা লোৱা হৈছিল; কাৰণ তুমি ধূলি মাথোন, পুনৰায় ধূলিলৈকে উলটি যাবা"* (আদিপুস্তক ৩:১৭-১৯)।

অৱশেষত, আল্লাহে আদম আৰু হাৱাক এদন বাৰীৰ পৰা উলিয়াই পঠালে। তেওঁলোকে কষ্টেৰে জীয়াই থাকিল আৰু জান্নাতৰ বাহিৰত সন্তান জন্ম দিলে। তেওঁলোক নিজে কেৱল পাপী হোৱাই নহয়, কিতাবুল মোকাদ্দছে কৈছে, *"এতেকে যেনেকৈ এজন মানুহৰ দ্বাৰাই পাপ আৰু পাপৰ দ্বাৰাই মৃত্যু জগতত সোমাল, আৰু সকলোৱে পাপ কৰাত, সেই মৃত্যু সকলো মানুহলৈকে ব্যাপি গল"* (ৰোমীয়া ৫:১২)।

বৃথাই আপুনি কয় যে আদমৰ পাপ আমালৈ নামি অহা নাছিল। আদমে যেতিয়া আল্লাহৰ লগত এক'ৰাৰনামা কৰিছিল, তেতিয়া আদম জানো মনুষ্য জাতিৰ প্ৰতিনিধিত্ব কৰা নাছিল? আল্লাহে আদমক কৰা সকলো প্ৰতিজ্ঞা তেওঁৰ উত্তৰাধিকাৰীৰ বাবেও আছিল।

দায়ূদে এই কথা সমৰ্থন কৰিছিল যেতিয়া তেওঁ কৈছিল, *"অধৰ্ম্মতে মোৰ জন্ম হল; মোৰ মাতৃয়ে মোক পাপতে গৰ্ভধাৰণ কৰিলে"* (গীতমালা ৫১:৫)।

এজন বিখ্যাত ইংৰাজ লেখকে কৈছিল, **"মানুহ এতিয়াও একে, হত্যাকাৰী, উৎপীড়নকাৰী, আৰু তাৰ পাছত নিজে কৰা কৰ্ম্মৰ ওপৰত ক্ৰন্দন কৰে আৰু তাৰ বলিবোৰৰ কবৰ সাজে…**। মানুহে তাৰ নিজৰ ৰূহলৈ গভীৰৰ পৰা গভীৰতম ভাৱে দৃষ্টি কৰি, পাপৰ বিধি যে তাৰ ভিতৰতে বাস কৰে, তাক

জনাই যথেষ্ট।”

নবী দায়ূদে কৈছিল, *“অজ্ঞানে নিজ মনতে ভাবে, ‘আল্লাহ্ নাই’। সিহঁত ভ্ৰষ্ট হল; সিহঁতে ঘিণলগীয়া কৰ্ম্ম কৰিছে; সিহঁতৰ কোনেও সৎকৰ্ম্ম নকৰিলে”* (গীতমালা ১৪:১)। নবী ইছায়াই মানুহক এই বুলি বৰ্ণনা কৰিছিল, *“সিবিলাকে গঁথা জাল বস্ত্ৰ নহব আৰু সিবিলাকে কৰা বস্তুৰে নিজৰ গা নাঢাকিব; সিবিলাকৰ কাৰ্য্য অধৰ্ম্মৰ কাৰ্য্য আৰু সিবিলাকে নিজ নিজ হাতেৰে অত্যাচাৰ কৰে। সিবিলাকৰ ভৰি কুকৰ্ম্মৰ ফাললৈ বেগাই চলে আৰু সিবিলাকে নিৰ্দ্দোষীৰ ৰক্তপাত কৰিবলৈ বেগাবেগি কৰে। সিবিলাকৰ কল্পনাবোৰ অধৰ্ম্মৰ কল্পনাহে; সিবিলাকৰ পথত ধ্বংস আৰু উচ্ছন্নতা আছে। সিবিলাকে শান্তিৰ পথ নাজানে আৰু সিবিলাকৰ গতিত একো বিচাৰ নাই; সিবিলাকে নিজলৈ বেঁকাবেঁকি বাট কৰিছে; যি জনে সেই পথত চলে, সি শান্তি নাজানে”* (ইছায়া ৫৯:৬-৮)।

ক্ৰন্দনকৰোঁতা নবী যিৰিমিয়াই এইদৰে মনুষ্য অন্তৰক বৰ্ণনা কৰিছিল, *“মন সকলোত্‌কৈ কপটময় আৰু তাৰ ৰোগ সুস্থ কৰিব নোৱাৰি; কোনে তাক বুজিব পাৰে?”* (যিৰিমিয়া ১৭:৯)।

অপৰাধৰ ইতিহাসলৈ উলটি চাই এই কথা জানিলে দুখ লাগে যে মনুষ্যই তেওঁলোকৰ সু-স্বভাৱ হেৰুৱালে আৰু কাবিলে নিজ ভায়েক হাবিলৰ অহিতে কৰা প্ৰথম অপৰাধৰ পৰা নামি অহা অসৎ স্বভাৱ তেওঁলোকে নিজৰ ওপৰত ললে। কাবিলে হাবিলক কিয় বধ কৰিছিল? আমাৰ স্বভাৱ দুষ্ট হোৱা বাবে নহয় নে? এখন দেশে আন এখন দেশৰ বিৰুদ্ধে কিয় যুদ্ধত লিপ্ত হয়? এই সকলোবোৰৰ কাৰণ হৈছে মনুষ্যৰ মন পাপিষ্ঠ।

ৰছুল পৌলে কৈছিল, *“কিয়নো পাপৰ বেচ মৃত্যু; কিন্তু আল্লাহে দিয়া বৰ, আমাৰ প্ৰভু ঈছা মছীহৰ দ্বাৰাই অনন্ত জীৱন”* (ৰোমীয়া ৬:২৩)।

নবী যিহিস্কেলে কৈছিল, *“পাপ কৰা প্ৰাণীহে মৰিব; পুতেকে বাপেকৰ, বাপেকে পুতেকৰ অপৰাধৰ ভাৰ নবব; ধাৰ্ম্মিকৰ ধাৰ্ম্মিকতা ধাৰ্ম্মিকৰ গাত, আৰু দুষ্টৰ দুষ্টতা দুষ্টৰ গাত থাকিব”* (যিহিস্কেল ১৮:২০)।



*কৰিলে”* (আদিপুস্তক ১:১)। কিতাবুল মোকাদ্দছত “এল'হিম” শব্দটো বহু বচনত ব্যৱহাৰ কৰা হৈছে, যিটোৱে আল্লাহৰ ঐকতা সন্নিবিষ্ট বুজায়।

- মুচা নবীয়ে এইদৰেও লিখিছিল: *“হে ইস্ৰায়েল, শুনা, আমাৰ আল্লাহ একমাত্ৰ আল্লাহ”* (দ্বিতীয় বিবৰণ ৬:৪)। এই অংশত “**আমাৰ আল্লাহ**” কথাষাৰ বহু বচনত ঘটিছে, যিহৰ পৰা বুজিব লাগিব যে ইয়াৰ উদ্দেশ্য হৈছে তেওঁৰ একতাক গুৰুত্ব দিয়া। লক্ষ্য কৰিব লগীয়া যে আমাৰ বাবে মুচা নবীয়ে তেওঁৰ পুস্তকত লিখি থোৱা ভালেমান আয়াতত আল্লাহে নিজৰ বাবে বহু সৰ্ব্বনাম ব্যৱহাৰ কৰিছিল। তাৰ ভিতৰত তেওঁৰ কালাম: *“আমি নিজৰ প্ৰতিমূৰ্ত্তিৰ দৰে, আমাৰ সাদৃশ্যেৰে মানুহ নিৰ্ম্মাণ কৰোঁহঁক”* (আদিপুস্তক ১:২৬)। “আমি নিজৰ প্ৰতিমূৰ্ত্তিৰ দৰে, আমাৰ সাদৃশ্যেৰে” কথাষাৰ দৈহিক অৰ্থত নহয়, কিন্তু ধাৰ্ম্মিক, মানসিক আৰু আত্মিক অৰ্থতহে।

- *“মানুহ আমাৰ এজনৰ নিচিনা ভাল বেয়া জানোতা হৈছে”* (আদিপুস্তক ৩:২২)।

- *“আহাঁ, আমি নামি, সিহঁতৰ এজন আন জনৰ মাত বুজিব নোৱাৰাকৈ সেই ঠাইত সিহঁতৰ ভাষাৰ ভেদ জন্মাওঁগৈ”* (আদিপুস্তক ১১:৭)।

এই শাস্ত্ৰ অংশবোৰে এই কথাৰ ইঙ্গিত দিয়ে যে আচল গুণত আল্লাহ এজন, ব্যক্তিত্বত তিনিজন। আমি এই ধৰ্ম্মমত অধ্যয়ন বা ক্ৰমাগতৰূপে আলোচনা কৰাৰ আগতে, মছীহৰ জামাতত এই ধৰ্ম্মমতৰ ইতিহাস, আৰু ইয়াৰ অন্তিম অপৰিবৰ্ত্তনীয় আকাৰ ধাৰণ কৰাৰ আগতে ই বহন কৰা ধাৰণা বা সাধাৰণ বোধৰ সৈতে পৰিচিত হোৱাটো উচিত হ'ব।

চাহাবাবিলাকৰ সময়ত আৰু দ্বিতীয় শতাব্দীৰ আৰম্ভণিলৈকে মছীহিবিলাকে মছীহি ধৰ্ম্মমতবোৰক নিৰূপিত সূত্ৰৰ শৃঙ্খলালৈ অনাৰ কথা চিন্তা কৰা নাছিল। কিতাবুল মোকাদ্দছত বুজাই দিয়াৰ দৰেই তেওঁলোকে এই নীতিবোৰ অভ্যাস কৰি আহিছিল। অসুবিধা বা সমস্যাৰ সন্মুখীন হলে তেওঁলোকে চাহাবাবিলাক বা তেওঁলোকৰ ওৱাৰিচবিলাকৰ ওচৰলৈ ঘূৰি গৈছিল। যেই নহওক, যেতিয়া মছীহি

সেই ক্ষমাদানৰ নিশ্চয় কোনো কাৰণ থাকিব লাগিব: এনে কাৰণ যি কাৰণে আল্লাহৰ পবিত্ৰতাৰ লগে লগে তেওঁৰ ন্যায়কো সন্তুষ্ট কৰে।

পুৰণি নিয়মত তেজৰ কোৰবানী দিয়াৰ দ্বাৰাই এই সন্তুষ্টি লাভ হৈছিল, মছীহ যাৰ দৃষ্টান্ত-স্বৰূপ। এতিয়া নতুন নিয়মত মছীহৰ কোৰবানীৰ দ্বাৰাই এই সন্তুষ্টি লাভ কৰা যায়, যি জনে প্ৰত্যেক নৈতিকতাক সিদ্ধ কৰিছিল।

মছীহৰ কোৰবানীৰ এক বৈশিষ্ট্য হৈছে যে ই কেৱল মানুহৰ গুনাহকে দূৰ নকৰে, কিন্তু নৈতিক ৰোগ স্বৰূপ গুণাহৰ পৰা তেওঁক সুস্থ কৰে। কাৰণ সলীবত দিয়া মছীহক গ্ৰহণ কৰা জনে নতুন জীৱন পায়। তেওঁ গুণাহৰ ভয়ঙ্কৰ কাৰ্য্য আৰু তাৰ ভীষণ শাস্তিক দেখিবলৈ আৰম্ভ কৰে আৰু সেইবাবে তাৰ অনুশীলন নকৰে। এই কাৰণতে চাহাবাই কৈছিল, *‘যি কোনো আল্লাহৰ পৰা জন্ম পোৱা হয়, তেওঁ পাপ-আচৰণ নকৰে; কাৰণ আল্লাহৰ বীজ তেওঁৰ অন্তৰত থাকে; আৰু তেওঁ পাপ কৰিব নোৱাৰে, কাৰণ আল্লাহৰ পৰা তেওঁৰ জন্ম হল’* (১ ইউহোন্না ৩:৯)।

**প্ৰশ্ন: কিতাবুল মোকাদ্দছে মছীহৰ ঈশ্বৰত্বক প্ৰমাণ নকৰে। মুচা নবীয়ে এই কথা জানিছিল আৰু তেওঁৰ লোকবিলাকৰ পৰা গোপন কৰিছিল নে কি, বা তেওঁ এই বিষয়ে অজ্ঞ আছিল নে?**

**উত্তৰ:** আল্লাহত তিনিজন ব্যক্তিৰ বিষয়ে মুচা নবী অজ্ঞ নাছিল আৰু এই কথা তেওঁ গোপন কৰা নাছিল, কিন্তু তেওঁ লিখিবলৈ অনুপ্ৰাণিত হোৱা পাঁচখন পুস্তকৰ (যি কেইখন পাছত তৌৰাত বুলি জনাজাত হ’ল) কেইবাটাও ঠাইত তেওঁ ঘোষণা কৰিছিল; উদাহৰণ স্বৰূপে:

- অনুপ্ৰাণিত টোকাত মুচা নবীয়ে লিখা প্ৰথম আয়াতটোৱে কৈছে, *“আদিতে (এল’হিমে) আকাশ-মণ্ডল আৰু পৃথিবী সৃষ্টি*



যেতিয়া আদম আৰু হাৱা পতিত হল, তেওঁলোকে ৰূহানী মৃত্যুৰ অভিজ্ঞতা পালে। ক্লু’নিয়াচে কৈছিল, “...পতনৰ পৰিণাম স্বৰূপে আদম আৰু হাৱা আল্লাহৰ পৰা পৃথক হল। তেওঁলোকে তেওঁলোকৰ মৰমিয়াল সৃষ্টিকৰ্ত্তাৰ সৈতে ৰূহানী সহভাগিতা হেৰুৱালে। আন কি তেওঁৰ উপস্থিতিত থাকিবলৈও তেওঁলোক লজ্জিত হৈছিল।”

*“পাছে আল্লাহে দিনৰ জুৰ পৰা সময়ত বাৰীৰ মাজত অহা-যোৱা কৰা শব্দ সিবিলাকে শুনিবলৈ পালে; তাতে মানুহ আৰু তেওঁৰ তিৰোতাও, আল্লাহৰ সাক্ষাৎ নহবৰ মনেৰে, বাৰীৰ গছনিৰ মাজত লুকালগৈ”* (আদিপুস্তক ৩:৮)।

তেওঁলোক কেৱল লজ্জিতেই নহয়, ভীতো হল। *“কিন্তু তোমালোকৰ গুনাহবোৰেই তোমালোকৰ আল্লাহৰ পৰা তোমালোকক বিচ্ছেদ কৰিছে আৰু তোমালোকৰ পাপবোৰেই তোমালোকৰ পৰা তেওঁৰ মুখ ঢাকিছে, এই নিমিত্তে তেওঁ নুশুনে”* (ইছায়া ৫৯:২)।

তাৰ পৰিণাম হল আমাৰ প্ৰথম পিতৃ-মাতৃৰ বাবে ভয়ঙ্কৰ শোধবিচাৰ। *“কিন্তু ভাল বেয়া জ্ঞান দিওঁতা বৃক্ষৰ ফল হলে নেখাবা; কিয়নো যি দিনা তাক খাবা, সেই দিনাই তুমি অৱশ্যে মৰিবা”* (আদিপুস্তক ২:১৭)।

মানৱ জাতিয়ে আশা হেৰুৱালে নে? মানুহে বেহেস্ত হেৰুৱাওতে মানুহৰ আশাও মৰিল নে কি? নহয়! আশাৰ মৃত্যু হোৱা নাই। আমাৰ আল্লাহ মহব্বত আৰু তেওঁ ন্যায়ী বিচাৰকৰ্ত্তা। তেওঁৰ চিৰস্থায়ী মহব্বতৰ যোগেদি আল্লাহে আদমক মাতিলে, “আদম, তুমি কিয় মোৰ পৰা পলাই গলা? তুমি আগতে মোক লগ পাবলৈ অতি ভাল পাইছিলা।” **আল্লাহে তেওঁৰ মহান মহব্বতত মানুহক তেওঁৰ সহভাগিতাৰ সৈতে পুনৰ স্থাপিত কৰিবলৈ বিচাৰিছিল, কাৰণ তেওঁ তাক নিজৰ আকৃতিৰে সাজিছিল।**

সময়ত, আদমৰ সন্তান-সন্ততিবোৰৰ বাবে আল্লাহে নাজাত আৰু মুক্তিৰ মহান পৰিকল্পনা প্ৰস্তুত কৰিছিল। আল্লাহৰ

মহব্বতে হস্তক্ষেপ কৰিলে। আল্লাহ তেওঁৰ সকলো বৈশিষ্ট্য আৰু গুণত নিখুঁত। তেওঁ ন্যায় আৰু সত্য।

মানুহে চিৰকাল দোজখৰ জুইত শাস্তি পাব লাগিছিল। আল্লাহ কেৱল ন্যায় আৰু সত্যই নহয়, কিন্তু তেওঁ মহব্বতো। তেওঁৰ মহব্বতৰ মাফ কৰাত কোনো সীমা নাই। এই মহব্বতে মানৱজাতিৰ সকলোকে, প্ৰত্যেক জাতি আৰু ভাষাৰ পৰা আকোৱালি লয়। আমাৰ সৃষ্টিকৰ্ত্তা দয়াত অতি সমৃদ্ধ। তেওঁ যিৰিমিয়া পুস্তকত ঘোষণা কৰিছিল, *"আল্লাহই দূৰৰ পৰা দৰ্শন দি মোক কলে, 'সঁচাকৈ মই চিৰস্থায়ী মহব্বতেৰে তোমাক মহব্বত কৰোঁ; এই নিমিত্তে মই তোমাক বহুকালৰে পৰা দয়া কৰি আহিছোঁ'"* (যিৰিমিয়া ৩১:৩)।

আল্লাহৰ মহান মহব্বতে মানুহক মুক্ত কৰিবলৈ আৰু চিৰকাল গৌৰৱত বাস কৰিবলৈ নাজাত প্ৰস্তুত কৰিলে। নবী যিহিস্কেলে বিবৰণ দিছে, *"তুমি তেওঁবিলাকক কোৱা, 'প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, দুষ্টৰ মৰণত মই সন্তোষ নাপাওঁ, কিন্তু দুষ্টই যেন নিজ পথৰ পৰা ঘূৰি জীয়াই থাকে, তাত্হে মই সন্তোষ পাওঁ; ঘূৰা! তোমালোকৰ কুপথৰ পৰা তোমালোক ঘূৰা! কিয়নো হে বনী-ইস্রায়েল, তোমালোক কিয় মৰিবা'?"* (যিহিস্কেল ৩৩:১১)।

কিতাবুল মোকাদ্দছে শিকায় যে আল্লাহ ন্যায়, আৰু তেওঁৰ ন্যায়ে প্ৰত্যেক পাপীক দণ্ড দিব লাগে। আমাৰ প্ৰভু ঈছা মছীহে আমাৰ সকলো ধাৰ পৰিশোধ কৰিলে আৰু আমাৰ ঠাইত প্ৰেমময় পিতৃ আল্লাহলৈ নিজকে কোৰবানী কৰিলে। সলীবত মছীহৰ কোৰবানীৰ দ্বাৰাই, আল্লাহৰ দণ্ড বিধানে নিজৰ দিশ ললে আৰু পাপীবিলাকক দোষমুক্ত কৰিলে।

এজন বিখ্যাত উকীলে, এজন অপৰাধীৰ আত্মপক্ষ সমৰ্থন কৰি সামৰণিত কৈছিল, "মই এখন কিতাপত পঢ়িছিলোঁ যে আল্লাহে তেওঁৰ অনন্তকলীয়া পৰামৰ্শত ন্যায় আৰু সত্যক সুধিছিল, 'মই মানুহ সৃষ্টি কৰিম নে কি?' ন্যায়ে উত্তৰ দিছিল, 'নালাগে! কাৰণ মানুহে আপোনাৰ সকলো ছৰীয়ৎ ভৰিৰে গচকিব আৰু সেইবোৰক উলঙ্ঘণ কৰিব।' তাৰপাছত সত্যই কলে, 'নালাগে! তাক সৃষ্টি নকৰিব, কাৰণ সি বেয়া হব আৰু অসাৰতাৰ পাছত



এই উক্তিবোৰত, তেওঁ যি কৰিছিল তাৰ কাৰণবোৰ আমাৰ ধন্য প্ৰভুৱে ব্যাখ্যা কৰিছিল। যদিও তেওঁ পবিত্ৰ জনা আছিল, তেওঁ মনুষ্যৰ আকাৰ ধাৰণ কৰিছিল আৰু সলীবৰ ওপৰত আমাৰ গুনাহবোৰ তেওঁৰ শৰীৰত বহন কৰি যাতনা ভুগিছিল।

ৰোমীয়বিলাকলৈ লিখা পত্ৰত পৌল চাহাবাই এই প্ৰতিকল্পী দুখ-ভোগৰ প্ৰয়োজনৰ কথা স্পষ্ট কৰিছিল, *"কাৰণ মাংসৰ দৰে নহয়, আত্মাৰ দৰে চলা যি আমি, আমাত যেন বিধানৰ বিধি সিদ্ধ কৰা হয়, এই নিমিত্তে বিধানে মাংসৰ কাৰণে দুৰ্ব্বল হোৱাত যি কৰিব নোৱাৰিলে, আল্লাহে নিজৰ পুত্ৰক পাপময় মাংসৰ সাদৃশ্যেৰে পঠাই, পাপৰ অৰ্থে, মাংসত পাপৰ দণ্ডাজ্ঞা দি তাক কৰিলে"* (ৰোমীয়া ৮:৩,৪)।

আন কথাত, গুণাহৰ বেছ হিচাবে যি অনন্তকলীয়া মৃত্যু আমাৰ ওপৰত দণ্ডাজ্ঞা আছিল, সেই বেছ মছীহই আমাৰ প্ৰতিনিধি স্বৰূপে কাৰ্য্য কৰি নিজৰ ওপৰত ললে। এই কাৰ্য্য নবুৱতী কালামৰ সৈতে সংগতি ৰাখিয়েই হৈছিল, *"আমাৰ শান্তিজনক শাস্তি তেওঁৰ ওপৰত পৰিল, আৰু তেওঁৰ গাৰ সাঁচ বহা কোবৰ দ্বাৰাই আমি সুস্থ হলোঁ"* (ইছায়া ৫৩:৫)।

অনেকে কোৱা শুনা যায় যে আল্লাহে যাকে মন যায় ক্ষমা কৰে আৰু যাকে মন যায় শাস্তি দিয়ে। এই বিবৃতিৰ তেওঁৰ সাৱধানবাণী আৰু প্ৰতিজ্ঞাবোৰত প্ৰকাশ পোৱা আল্লাহৰ সত্যৰ লগত বিৰোধিতা ঘটে। ক্ষমাৰ বাবে তেওঁৰ ন্যায় বিচাৰে এক নাজাতকাৰী কোৰবানী দাবী কৰে। এই মৌলিক নীতি আৰম্ভনিৰে পৰা জনা গৈছিল; পুৰণি নিয়মৰ পৃষ্ঠাবোৰৰ মাজেদি ই এক ৰঙা ধাৰাৰ দৰে বৈ আছে। প্ৰত্যেক পুৰুষত ই ৰক্ত টোপাটোপে পেলাইছে আৰু এই বুলি কৈ চিঞৰি উঠিছে: "ৰক্ত প্ৰৱাহ নোহোৱাকৈ গুণাহৰ দণ্ড হ্ৰাস হ'ব নোৱাৰে।" সঁচা কথাত, আল্লাহ যদি তেওঁৰ সকলো গুণত নিখুঁত হ'ব লাগে, তেন্তে তেওঁৰ সত্য আৰু ন্যায় বিচাৰক উলাই কৰি মানুহৰ গুণাহক তেওঁ ক্ষমা কৰাটো শোভা নাপায়। প্ৰাচীন নবীজনে কৈছিল, *"পাপ কৰা প্ৰাণীহে মৰিব"* (যিহিস্কেল ১৮:২০)।

যদি আল্লাহে কোনো প্ৰাণক তাৰ অসাধুতা ক্ষমা কৰে, তেন্তে

মছীহৰ প্ৰায়শ্চিত্ত আল্লাহক সন্তুষ্ট আৰু তেওঁৰ ন্যায়ক সিদ্ধ কৰিবলৈ বুলি কোৱা হয়। অৰ্থাৎ, আল্লাহক সন্তুষ্ট কৰা আৰু তেওঁক তুষ্ট কৰাৰ এক উপায়। এয়ে আল্লাহৰ ক্ৰোদ্ধ দূৰ কৰাত মছীহৰ কোৰবানী আৰু পুনৰ্মিলনৰ বাবে গুনাহকাৰীক গ্ৰহণ কৰাত তেওঁৰ সন্তুষ্টিৰ পৰিনাম অভিব্যক্ত কৰে।

আন এটা দৃষ্টিভঙ্গীয়ে প্ৰকাশ কৰে যে প্ৰায়শ্চিত্ত হৈছে মছীহৰ তেজেৰে গুনাহকাৰীৰ আত্মাক ঢাকি ধৰা যাতে দণ্ডৰ বাবে তেওঁক অভিযুক্ত কৰা নহয়।

তেওঁৰ ঠাইত বধ কৰা মছীহই তেওঁৰ শাস্তিও বহন কৰিলে। এই কথা কওঁতে ইউহোন্নাই ইয়াকে অৰ্থ কৰিছিল, *"আল্লাহক যে আমি প্ৰেম কৰিলোঁ, এনে নহয়, কিন্তু তেওঁহে আমাক প্ৰেম কৰিলে আৰু আমাৰ পাপৰ প্ৰায়শ্চিত্ত হ'বলৈ নিজ পুত্ৰক পঠাই দিলে; ইয়াতেই প্ৰেম আছে"* (১ ইউহোন্না ৪:১০)।

তদুপৰি, নাজাতে আল্লাহৰ পবিত্ৰ বিধিক অৱনমিত নকৰাকৈ আল্লাহ আৰু মানুহৰ মাজত পুনৰ্মিলনৰ দুৱাৰখন মুকলি কৰি দিলে। পৌলে এই বুলি কওঁতে ইয়াকে বুজাইছিল, *"সেই মিলনৰ কথা এই, আল্লাহে মছীহত থাকি, জগতৰ অপৰাধ নিলিখি, তেওঁৰে সৈতে তেওঁবিলাকৰ মিলন কৰি আছিল; আৰু সেই মিলনৰ কথা আমালৈ গতাই দিলে'* (২ কৰিন্থীয়া ৫:১৯)।

কিতাবুল মোকাদ্দছৰ ভাষাত ঈছাৰ পৰিত্ৰাণ কাৰ্য্যক "অনুগ্ৰহ" শব্দটোৰে ব্যক্ত কৰা হৈছে। কাৰণ পাপময় মনুষ্য জাতিৰ বাবে কোৰবানীৰ ব্যৱস্থা কৰিবলৈ আমাৰ বেহেস্তী পিতৃৰ বাধ্যবাধকতা নাছিল। পুত্ৰ মাংসত আহি'বলৈ আৰু নিজৰ ওপৰত পৰিত্ৰাণৰ আঁচনি লবলৈও বাধ্য নাছিল। মহান প্ৰেম আৰু দয়াৰ ঐশ্বৰ্য্যতহে সৰ্বসিদ্ধ আল্লাহে বিধিৰ দণ্ডনীয় দাবীবোৰ অপসাৰিত কৰিলে। গুনাহকাৰীৰ ঠাইত অৱতাৰী পুত্ৰই ইচ্ছাৰে বহন কৰা প্ৰতিকল্পী যাতনাবোৰ আল্লাহে গ্ৰহণ কৰিলে। আমাৰ প্ৰভু ঈছা মছীহে এই সত্য ঘোষণা কৰিছিল যেতিয়া তেওঁ কৈছিল, *"মেৰৰ নিমিত্তে মোৰ প্ৰাণকো দিওঁ"* (ইউহোন্না ১০:১৫)। *"বন্ধুবিলাকৰ নিমিত্তে, নিজৰ প্ৰাণ দিয়াতকৈ, অধিকতৰ প্ৰেম কাৰো নাই"* (ইউহোন্না ১৫:১৩)।



যাব।' তেতিয়া মহব্বতে কলে, 'মই জানোঁ যে এই সকলোবোৰ ঘটিব, কিন্তু তাৰ সকলো দোষ আৰু দুষ্টতাৰ সৈতে, যেতিয়ালৈকে মই তাক আপোনালৈ ঘূৰাই নানোঁ, তেতিয়ালৈকে সকলো অন্ধকাৰ পথৰ মাজেদি মই তাৰ ভাৰ লবলৈ আগ্ৰহী'।"

আল্লাহে মানুহক নিখুঁত কৰি সৃষ্টি কৰিছিল, কিন্তু অবাধ্যতাৰ যোগেদি মানুহ পাপত পৰিল। আল্লাহৰ মহব্বত তেওঁৰ প্ৰতি ধৈৰ্য্যশীল, আৰু আমাৰ নাজাৎদাতা ঈছা মছীহৰ যোগেদি তেওঁ পতিত মানৱৰ বাবে এক নিখুঁত আৰু সম্পূৰ্ণ নাজাত প্ৰস্তুত কৰিলে।

আপোনাৰ প্ৰশ্নই আমাক ৰৈ পুনৰ আল্লাহৰ মহান নাজাত আৰু এই নাজাত পোৱাৰ সত্য পথৰ ওপৰত চিন্তা কৰিবলৈ বাধ্য কৰিলে। মানৱ জাতিৰ জীৱনত এই নাজাতৰ আমি এতিয়া কি দেখিবলৈ পাওঁ ? আপুনি আচল মছীহি ধৰ্ম্ম বুজি পাবলৈ হলে পতিত মানুহৰ বাবে আল্লাহৰ মুক্তিৰ উপায় আপুনি বুজি পাব লাগিব। আমি যেতিয়া আল্লাহৰ এজন মানুহ, মোচা নবীৰ আগত প্ৰকাশ কৰা তৌৰাতৰ কাহিনী পঢ়োঁ আৰু আদম আৰু হাৱাই পাপ কৰাৰ পাছত সিহঁতৰ উলঙ্গতা ঢাকিবলৈ আল্লাহে কি কৰিছিল, সেই বিষয়ে ভাবোঁ, তেতিয়া আমি আল্লাহৰ মহব্বতৰ প্ৰকৃত অৱস্থাক স্পৰ্শ কৰিম। কিতাবুল মোকাদ্দছে কৈছে, *"পাছে আল্লাহই আদম আৰু তেওঁৰ ভাৰ্য্যালৈকো ছালৰ বস্ত্ৰ কৰি সিবিলাকক পিন্ধালে"* (আদিপুস্তক ৩:২১)।

এই কাহিনীয়ে প্ৰমাণিত কৰে যে এদন বাৰীত প্ৰথম পশুবোৰ বধ কৰা হৈছিল। পতনৰ প্ৰায় ৫০০ বছৰৰ পাছত, জলপ্লাৱনৰ শেষত মানুহে পশুৰ মাংস খাবলৈ আৰম্ভ কৰিছিল (আদিপুস্তক ৯:১-৩)। পতনৰ আগতে মানুহ শাকাহাৰী আছিল। পৃথিৱীলৈ পাপ অহাৰ আগলৈকে পশু বধ কৰা হোৱা নাছিল। আদমে পাপ কৰাৰ পাছত আল্লাহে আদমক পিন্ধিবলৈ পশুৰ ছাল দিছিল, তেওঁক এই কথা শিকাবলৈ যে, *"তেজ উলিওৱা নহলে, পাপ-মোচন নহয়"* (ইব্ৰী ৯:২২)। এই ঘটনাৰ যোগেদি আল্লাহে প্ৰতিকাৰৰ কোৰবানীৰ এক্‌ৰাৰনামাৰ সংকেত দিছিল যিটো পাছত তওৰাত শ্বৰীফত পালন কৰা হৈছিল। সকলো কোৰবানী আল্লাহৰ মেৰ-পোৱালী,

ঈছা মছীহৰ প্ৰতীক আছিল, যি জনে গোটেই জগতৰ বাবে নিজৰ শৰীৰ কোৰবানী কৰিছিল।

আমি জানোঁ যে হাবিলে আগবঢ়োৱা তেজৰ কোৰবানী আহিব লগীয়া নাজাতৰ ছায়া মাথোন আছিল। সেই কোৰবানীৰ আল্লাহৰ পৰিকল্পনাৰ সৈতে সংগতি আছিল। *"আৰু হাবিলেও নিজৰ জাকৰ পৰা প্ৰথমে জগা কেইটামান পশু আৰু সেইবোৰৰ তেল উৎসৰ্গ কৰিলে। পাছে আল্লাহই হাবিলক আৰু তেওঁৰ উপহাৰ গ্ৰহণ কৰিলে"* (তওৰাত শ্বৰীফত ৪:৪)।

ইব্ৰাহীমৰ পুত্ৰ ইচ'হাকৰ মুক্তিৰ বাবে আল্লাহে যোগোৱা মতা মেৰ ছাগটো খোদাই সৃষ্টিৰ আৰম্ভনিৰে পৰা যুগুত কৰা মহান মুক্তিপণ ঈছা মছীহৰ মাথোন প্ৰতীকহে আছিল। *"এইবোৰ ঘটনাৰ পাছত, আল্লাহে অব্ৰাহামৰ পৰীক্ষা কৰি তেওঁক কলে, 'হে ইব্ৰাহীম'! তেওঁ কলে, 'চাওক, মই আছোঁ'। তেতিয়া তেওঁ কলে, 'তুমি নিজ পুত্ৰক, তুমি প্ৰেম কৰা তোমাৰ সেই একেটি পুত্ৰ ইচ'হাকক লৈ, মোৰিয়া দেশলৈ যোৱা; আৰু সেই ঠাইৰ পৰ্ব্বতবোৰৰ মাজৰ যি এটা পৰ্ব্বতৰ কথা মই তোমাক কম, তাৰ ওপৰতে তাক হোমৰ অৰ্থে কোৰবানী কৰাগৈ'। তাতে ইব্ৰাহীমে পুৱাতে উঠি, নিজৰ গাধ সজাই, নিজ দাসবিলাকৰ দুটাক আৰু নিজ পুত্ৰ ইচ'হাককো লগত ললে; আৰু হোমৰ বাবে কাঠো ফালি লৈ, আল্লাহে যি ঠাইৰ কথা তেওঁক কৈছিল, সেই ঠাইলৈকে যাত্ৰা কৰিলে। তিনি দিনৰ দিনা ইব্ৰাহীমে চকু তুলি চাই দূৰৈৰ পৰা সেই ঠাই দেখি, নিজৰ দাস দুটাক কলে, 'তোমালোকে গাধই সৈতে ইয়াতে থাকা; মই আৰু ল'ৰাই সৌখিনিলৈ গৈ সেৱা কৰোঁ। পাছে তোমালোকৰ ওচৰলৈ উলটি আহিম'। তেতিয়া ইব্ৰাহীমে হোমৰ কাঠখিনি লৈ, নিজ পুত্ৰ ইচ'হাকৰ কান্ধত দি, অগ্নি আৰু ছুৰীখন নিজৰ হাতত ললে। পাছে দুয়ো একেলগে যাওঁতে, ইচ'হাকে তেওঁৰ পিতৃ ইব্ৰাহীমক কলে, 'হে মোৰ আব্বা?' তাতে তেওঁ কলে, 'বোপা চোৱা, মই আছোঁ'। তেতিয়া সি কলে, 'চাওকচোন, জুই আৰু কাঠো আছে; কিন্তু হোমৰ অৰ্থে মেৰ পোৱালি ক'তা?' তাতে ইব্ৰাহীমে কলে, 'বোপা, আল্লাহে আপুনি হোমৰ অৰ্থে মেৰ পোৱালি যোগাব'। পাছে সিবিলাক দুয়ো একেলগে গৈ, আল্লাহে যি ঠাইৰ কথা তেওঁক*



বাপ্তাইজকৰ পাছত আহিছিল। ইছায়া নবীয়ে তেওঁৰ আগমণৰ কথা পূৰ্বেই কৈছিল যেতিয়া তেওঁ লিখিছিল, *"তোমালোকে অৰণ্যৰ মাজত খোদাৰ পথ যুগুত কৰা, আমাৰ ঈশ্বৰৰ নিমিত্তে মৰুভূমিত এটি পোন ৰাজপথ তৈয়াৰ কৰা।...আৰু যিহোৱাৰ মহিমা প্ৰকাশ কৰা হ'ব আৰু সকলো মৰ্ত্ত্যই একে সময়তে তাক দেখিব; কিয়নো যিহোৱাই নিজ মুখেৰে ইয়াকে কলে"* (ইছায়া ৪০:৩,৫)।

আমি যদি নতুন নিয়মত চাওঁ, দেখিম যে পথ যুগুত কৰাজন ইউহোন্না বাপ্তাইজক আৰু যিজন আহি'ব, যাক ইছায়াই "আমাৰ ঈশ্বৰ" বুলি কৈছে, তেওঁ সঁচাকৈয়ে ঈছা মছীহ। তেওঁৰ মন্দিৰলৈ আহি'বলৈ ধৰা প্ৰভুজন হৈছে মছীহ (মথি ১১:১০; মাৰ্ক ১:২; লূক ১:৭৬; ৭:২৭)।

## প্ৰশ্ন: মছীহৰ সলীবত মৃত্যু নোহোৱাকৈ আল্লাহে আদম আৰু তেওঁৰ বীজক ৰক্ষা কৰিব নোৱাৰিলেহেতেন নে?

**উত্তৰ:** এই প্ৰশ্নটোৱে আমাক প্ৰায়শ্চিত্তৰ বিষয়টোলৈ উভতাই লৈ যায়। কাৰণ অতীতৰ গুণাহৰ বাবে প্ৰায়শ্চিত্ত নোহোৱাকৈ নাজাত নহয়। "প্ৰায়শ্চিত্ত" শব্দটোৰ অৰ্থ হৈছে গুণাহক ঢাকা বা আঁৰ কৰা। মছীহি ধৰ্ম্মত প্ৰায়শ্চিত্ত হৈছে পিতৃৰ ইচ্ছাৰ প্ৰতি মছীহৰ সম্পূৰ্ণ বাধ্যতাৰ যোগেদি মছীহৰ কৰ্ম্ম। চমুকৈ, ছৰীয়তৰ অভিশাপৰ পৰা জগতৰ নাজাত আৰু মনুষ্যৰ পুনৰ্মিলন সলীবত আল্লাহৰ নিজৰ ৰক্তপাতৰ দ্বাৰাই সম্ভৱ হৈছিল।

বিভিন্ন দিশৰ পৰা মছীহৰ গুণবোৰলৈ চালে সহায় হয়; আল্লাহৰ সম্পৰ্কত তেওঁৰ প্ৰেম, পবিত্ৰতা আৰু ন্যায়ৰ দিশৰ পৰা, আৰু মনুষ্যৰ সম্পৰ্কত মানৱ জাতিত আৰু মানৱ জাতিৰ বাবে তেওঁৰ কৰ্ম্মৰ দিশৰ পৰা।

গতিকে কোৱা হয় যে মছীহৰ প্ৰায়শ্চিত্ত মনুষ্যৰ গুণাহৰ বাবে; ছৰীয়তৰ অভিশাপ আৰু শোধ-বিচাৰৰ পৰা গুনাহকাৰীবিলাকৰ নাজাতৰ বাবে মছীহৰ কোৰবানীৰ ই পৰিস্কাৰ অভিব্যক্তি।

কৈছে। "উৎপন্ন হোৱা"ৰ অৰ্থ হৈছে ত্ৰিত্বৰ দ্বিতীয় জনাৰ ৰূপত তেওঁৰ আবিৰ্ভাৱ, যেনেকৈ তেওঁ অঙ্গীকাৰৰ ফিৰিস্তা স্বৰূপে ইব্ৰাহীমক দেখা দিছিল (আদিপুস্তক ১৮), মোচাক (যাত্ৰাপুস্তক ৩); যিহোচূৱাক (যিহোচূৱা ১৩); গিদিয়ন (বিচাৰকৰ্ত্তাবিলাক ৬); মানোহক (বিচাৰকৰ্ত্তাবিলাক ১৩) দেখা দিছিল।

মছীহ অনন্ত, আল্লাহৰ দৰে অনন্ত (ইউহোন্না ১:১-২ চাওক)

## ৬। মলাখী নবী

যেতিয়া তেওঁ কৈছে, *"চোৱা, মই নিজ ফিৰিস্তাক পঠাম আৰু তেওঁ মোৰ আগে আগে বাট যুগুত কৰিব; আৰু যি প্ৰভুক তোমালোকে বিচাৰিছা, তেওঁ অকস্মাতে নিজ মন্দিৰলৈ আহি'ব; বাহিনীবিলাকৰ ইলাহীয়ে কৈছে, 'যি জনাত তোমালোক সন্তুষ্ট, চোৱা, নিয়মটিৰ সেই ফিৰিস্তা আহি'ব'"* (মলাখী ৩:১)।

এই মহিমাপূৰ্ণ কালামে প্ৰভু ইছা মছীহ অহাৰ পথ প্ৰস্তুত কৰিবলৈ ইউহোন্না ডুবকৰ আগমণৰ কথা কৈছে। তেৱেঁই সেইজন, যি জনে মানুহবিলাকৰ আগত এই বুলি কৈ প্ৰচাৰ কৰিছিল: *"মন পালটোৱা; কিয়নো স্বৰ্গৰাজ্য ওচৰ হ'ল"* (মথি ৩:১-২)। এক্‌ৰাৰ নামাৰ বাৰ্ত্তাবাহকজন পাক্‌ ত্ৰিত্বৰ দ্বিতীয়জনা, আল্লাহৰ প্ৰতিজ্ঞা তেওঁত সিদ্ধ হ'বৰ বাবে তেওঁক সেই নাম দিয়া হৈছিল (ইব্ৰী ৯:১৫)।

আগত কৈ অহা কথাবোৰৰ পৰা আমি লক্ষ্য কৰোঁ যে পুৰণি নিয়মৰ নবীসকলে মছীহৰ ঈশ্বৰত্বত বিশ্বাস কৰিছিল। নবীবিলাকৰ পুস্তকবোৰে ঘোষণা কৰিছিল যে পৃথিবীক উদ্ধাৰ কৰিবলৈ আল্লাহে মানৱ চৰিত্ৰৰ সাজ পিন্ধি মানুহ হিচাবে আহি'ব। তেওঁ এগৰাকী নাৰী, ইব্ৰাহীমৰ সঁচ, ইহূদা জাতি, দায়ূদৰ বংশ, এজনী নিৰ্মল নাৰীৰ পৰা জন্ম লাভ কৰিব আৰু জগতৰ গুণাহৰ বাবে তেওঁ নিজকে কোৰবানী স্বৰূপে আগবঢ়াব।

আমাৰ শক্তিশালী প্ৰমাণ আছে যে একৰাৰ'নামাৰ ফিৰিস্তাজন আল্লাহৰ দ্বিতীয়জনা আৰু পুৰণি নিয়মত তেওঁক আল্লাহৰ ফিৰিস্তা আৰু এলোহিম বা ইয়া- আল্লাহু বুলি কোৱা হয়। তেওঁ নতুন নিয়মত উল্লেখ কৰা সেই একেজন মছীহ, যিজন ইউহোন্না



*কৈছিল, সিবিলাকে সেই ঠাই পালেগৈ? ইব্ৰাহীমে সেই ঠাইতে যজ্ঞ-বেদি সাজি, তাৰ ওপৰত কাঠ সজাই, নিজ পুত্ৰ ইচ'হাকক বান্ধি যজ্ঞ-বেদিৰ কাঠৰ ওপৰত থলে। তেতিয়া ইব্ৰাহীমে নিজ পুত্ৰক বধ কৰিবলৈ হাত মেলি ছুৰীখন ললে। এনেতে আছ'মানৰ পৰা আল্লাহৰ ফিৰিস্তাই তেওঁক মাতি কলে, 'হে ইব্ৰাহীম, ইব্ৰাহীম'। তেওঁ কলে, 'চাওকচোন, মই আছোঁ।' তাতে ফিৰিস্তাই কলে, 'তুমি ল'ৰাৰ গাত হাত নিদিবা আৰু তুমি তাক একোকে নকৰিবা। কিয়নো তুমি যে আল্লাহৰ ভয়কাৰী লোক, তাক মই এতিয়া জানিছোঁ; কাৰণ তোমাৰ পুত্ৰ, তোমাৰ একেটি পুত্ৰকে মোক দিবলৈ অসন্মত নহলা'। তেতিয়া ইব্ৰাহীমে চকু তুলি চাই, নিজৰ পাছফালে আউলীয়া জোপাত শিং লাগি থকা এটা মতা মেৰ ছাগ দেখিলে। তাতে ইব্ৰাহীমে গৈ সেই মেৰটো আনি, নিজ পুত্ৰৰ সলনি তাক হোমৰ অৰ্থে কোৰবানী কৰিলে"* (আদিপুস্তক ২২:১-১৩)।

ৰছুল পৌলে লিখিছিল, *"কাৰণ আমাৰ নিস্তাৰ-পৰ্ব্বৰ মেৰ পোৱালি যি মছীহ, তেওঁক কোৰবানী কৰা হল"* (১ কৰিন্থীয়া ৫:৭খ)।

আমি ইতিহাস পৰ্য্যালোচনা কৰোঁতে দেখিবলৈ পাওঁ যে আল্লাহৰ মানুহে মোচাক দিয়া চৰীয়তৰ ছায়াত শ শ বছৰ কটাই দিছিল। সেই চৰীয়তে তেওঁলোকক পশুৰ কোৰবানী আগবঢ়াই তেওঁলোকৰ পাপৰ কাফ'ফাৰা কৰিবলৈ সুযোগ দিছিল। আল্লাহৰ বিচাৰ অতি কঠোৰ আছিল আৰু চৰীয়ত অমান্য কৰা প্ৰত্যেককে তেওঁ শাস্তি দিছিল।

কোৰবানীত আল্লাহৰ উদ্দেশ্য আছিল এজনৰ জীৱন অন্য এজন পাপী লোকৰ ঠাইত যচা; এজন দোষী মানৱৰ জীৱনৰ বাবে এটি নিষ্পাপ পশুৰ জীৱন যচা। আল্লাহে কৈছিল, *"আল্লাহে এইবোৰ কথা আয়ূবক কোৱাৰ পাছত, তেওঁ তৈমনীয়া ইলীফজক কলে, 'তোমালৈ আৰু তোমাৰ দুজন বন্ধুলৈ মোৰ ক্ৰোধ প্ৰজ্বলিত হৈছে; কাৰণ মোৰ দাস আয়ূবে কোৱাৰ দৰে তোমালোকে মোৰ বিষয়ে যথাৰ্থ কথা কোৱা নাই। এই হেতুকে তোমালোকে সাতোটা ভতৰা আৰু সাতোটা মতা মেৰ লৈ, মোৰ দাস আয়ূবৰ ওচৰলৈ গৈ নিজৰ নিমিত্তে হোম-বলি উৎসৰ্গ কৰা। তাতে মোৰ দাস আয়ূবে*

*তোমালোকৰ নিমিত্তে মোনাজাৎ কৰিব। কাৰণ তোমালোকৰ অজ্ঞানতাৰ দৰে যাতে মই তোমালোকক প্ৰতিফল নিদিম, এই নিমিত্তে মই তেওঁক্হে গ্ৰহণ কৰিম; কিয়নো তোমালোকে মোৰ দাস আয়ূবে কোৱাৰ দৰে মোৰ বিষয়ে যথাৰ্থ কথা কোৱা নাই'"* (আয়ূব ৪২:৭-৮)।

মোচাই আজ্ঞা দিয়া কোৰবানীবোৰ বিভিন্ন ধৰণৰ আছিল আৰু সকলোতে তেজৰ কাফ'ফাৰা আছিল। ইব্ৰীয়া পুস্তকে কৈছে, *"চৰীয়তৰ মতে প্ৰায় সকলোকেই তেজেৰে শুচি কৰা হয়; আৰু তেজ উলিওৱা নহলে, পাপ-মোচন নহয়"* (ইব্ৰীয়া ৯:২২)।

যাত্ৰাপুস্তকে এই বুলি কৈ এই প্ৰতীকক বৰ্ণনা কৰিছে, "পাছে মোচাই আল্লাহৰ সকলো কালাম লিখিলে। তেওঁ ৰাতিপুৱাই উঠি পৰ্ব্বতৰ তলত এটা যজ্ঞবেদি আৰু ইস্ৰায়েলৰ বাৰ ফৈদ অনুসাৰে বাৰটা স্তম্ভ নিৰ্ম্মাণ কৰিলে। পাছে তেওঁ ইস্ৰায়েলৰ সন্তানবিলাকৰ মাজৰ কেতবিলাক ডেকা লোকক পঠালত, তেওঁবিলাকে আল্লাহৰ উদ্দেশে হোমাৰ্থক আৰু মঙ্গলাৰ্থক কোৰবানী স্বৰূপে ভতৰা গৰু উৎসৰ্গ কৰিলে। তেতিয়া মোচাই তাৰ আধা তেজ লৈ, কেইটামান চৰিয়াত থলে আৰু আধা বেদিৰ ওপৰত ছটিয়াই দিলে। তেওঁ চৰিয়ত-পুস্তকখনি লৈ, লোকবিলাকে শুনাকৈ পাঠ কৰিলত, তেওঁবিলাকে কলে, *'আল্লাহই যি যি কৈছে, সেই সকলোকে আমি পালন কৰিম আৰু তেওঁৰ আজ্ঞাধীন হম'। পাছে মোচাই সেই তেজ লৈ লোকবিলাকৰ ওপৰত ছটিয়াই কলে, 'চোৱা, আল্লাহই এই সকলো কালামৰ বিষয়ে তোমালোকে সৈতে যি নিয়মটি কৰিলে, এয়ে সেই নিয়মটিৰ তেজ'"* (যাত্ৰাপুস্তক ২৪:৪-৮)।

কিতাবুল মোকাদ্দছৰ এফালৰ পৰা কোৰবানীৰ ইতিহাস পঢ়ি আহিলে আমাৰ বাবে ই স্পষ্ট হৈ পৰে যে সকলো কোৰবানী ঈছাৰ আৰু জগতৰ পাপৰ নিমিত্তে তেওঁ কৰা কোৰবানীৰ প্ৰতীক আছিল।

ইব্ৰীয়া পুস্তকে এইদৰে কৈ তাৰ সাক্ষ্য দিছে, *"প্ৰত্যেক মহা-ইমাম নজৰানা আৰু কোৰবানী উৎসৰ্গ কৰিবলৈ নিযুক্ত হৈছে; এতেকে তেৰোঁ যিহক উৎসৰ্গ কৰিব পাৰে, তেওঁৰ এনে কিবা থাকিবৰ আৱশ্যক"* (ইব্ৰীয়া ৮:৩)। ইব্ৰীয়ে ইমামৰ বিষয়েও কৈছে,



*সঙ্কটৰ কালতো তাৰ চক আৰু খাৱৈয়ে সৈতে তাক পুনৰায় নিৰ্ম্মাণ কৰা হ'ব। সেই বাষষ্টি সপ্তাহৰ শেষত এজন অভিষিক্ত লোকক উচ্ছন্ন কৰা হ'ব আৰু তেওঁৰ সম্বন্ধীয়া কোনো নাথাকিব; আৰু আহি'ব লগা অধিপতিৰ প্ৰজাবিলাকে নগৰখন আৰু ধৰ্ম্মধাম বিনষ্ট কৰিব; জলপ্লাবনৰ দ্বাৰাই সেইজনৰ শেষ হ'ব, আৰু শেষলৈকে ৰণ হ'ব; ধ্বংস নিৰূপিত হৈছে। এক সপ্তাহলৈকে সেইজনে অনেকৰ লগত এটি দৃঢ় নিয়ম কৰিব, আৰু সেই সপ্তাহৰ আধা কালত বলিদান আৰু নৈবেদ্য স্থগিত কৰিব; পাছে ঘিণলগীয়া বস্তুৰ ডেউকাৰ ওপৰত ধ্বংসক থাকিব আৰু নিৰূপিত উচ্ছন্নতালৈকে ধ্বংসকৰ ওপৰত ক্ৰোধৰূপ বৃষ্টি বৰ্ষোৱা হ'ব"* (দানিয়েল ৯:২৪-২৭)।

এইবোৰ মছীহৰ আগমণ আৰু তেওঁ সিদ্ধ কৰিব লগীয়া ঐশ্বৰিক কৰ্ম্মৰ বিষয়ে নবুৱতী। দানিয়েল নবীয়ে তেওঁৰ প্ৰথম সাক্ষ্যত মছীহক "সৰ্ব্বোপৰি পবিত্ৰ" বুলি কৈছে। দ্বিতীয়টোত তেওঁ মছীহক "মছীহ ৰজা" বুলি কৈছে। এই উপাধিবোৰ আমাৰ প্ৰভু ঈছা মছীহই নিজৰ বাবে ব্যৱহাৰ কৰিছিল: *"কিন্তু···ইবনে-আদমে সেৱা-শুশ্ৰূষা পাবলৈ নহয়, সেৱা-শুশ্ৰূষা কৰিবলৈ, আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল"* (মথি ২০:২৬)।

*"ফিলাদেল্ফিয়াত থকা মণ্ডলীৰ ফিৰিস্তালৈ এই কথা লিখা: 'যি জনা পবিত্ৰ আৰু সত্য, যি জনাৰ দায়ূদৰ চাবি আছে, যি জনাই মেলিলে কোনেও বন্ধ নকৰিব আৰু বন্ধ কৰিলে কোনেও নেমেলিব, তেওঁ এই কথা কয়"* (প্ৰকাশিত বাক্য ৩:৭)।

## ৫। মীখা নবী

তেওঁ কৈছে, *"কিন্তু হে বৈৎলেহেম-ইফ্ৰাথা, ইহূদাৰ গোষ্ঠীবোৰৰ মাজত গণ্য হ'বলৈ অতি ক্ষুদ্ৰ যি তুমি, তোমাৰ পৰা, ইস্ৰায়েলৰ অধিপতি হ'বলৈ মোৰ উদ্দেশে এজনা উৎপন্ন হ'ব; পূৰ্ব্বকালৰ পৰা, অনাদি কালৰে পৰা তেওঁৰ উৎপত্তি"* (মীখা ৫:২)।

এইটো ঈছা মছীহৰ অৱতাৰ আৰু বৈৎলেহেমত তেওঁৰ জন্মৰ বিষয়ে নবুৱতী, আৰু তেওঁৰ অনাদি কলীয়া উৎপত্তিৰ কথা

গ) *"কিয়নো আমালৈ এটি লৰা জন্মিল, আমাক এটি পুত্ৰ দান কৰা হল: তেওঁৰ কান্ধত শাসনভাৰ অৰ্পিত হ'ব আৰু তেওঁ আশ্চৰ্য্য, মন্ত্ৰী, পৰাক্ৰমী ঈশ্বৰ, অনন্তকালস্থায়ী পিতৃ আৰু শান্তিৰাজ নামেৰে প্ৰখ্যাত হ'ব"* (ইছায়া ৯:৬)।

## ৩। যিৰিমিয়া নবী

যেতিয়া তেওঁ কৈছে, *"খোদায় কৈছে, 'চোৱা, যি সময়ত মই দায়ূদৰ বংশত এক ধাৰ্ম্মিক গজালি উৎপন্ন কৰিম, এনে কাল আহিছে; তেওঁ ৰজা হৈ ৰাজত্ব কৰিব, জ্ঞানেৰে সৈতে কাৰ্য্য কৰিব আৰু দেশত বিচাৰ ও ন্যায় সিদ্ধ কৰিব। তেওঁৰ কালত ইহূদাই নাজাত পাব, ইস্ৰায়েলে নিৰাপদে বাস কৰিব আৰু 'আল্লাহই আমাৰ ধাৰ্ম্মিকতা', এই নামেৰে তেওঁ প্ৰখ্যাত হ'ব'* (যিৰিমিয়া ২৩:৫,৬)।

## ৪। দানিয়েল নবী

ক) তেওঁ কৈছে, *"মই ৰাতি দৰ্শনত চাই দেখিলোঁ, আকাশৰ মেঘত ইবনে-আদমৰ নিচিনা এজন পুৰুষ আহি সেই অনাদি কালৰ বৃদ্ধ জনাৰ গুৰিত উপস্থিত হল, সেই জনাৰ আগলৈ তেওঁক অনা হ'ল। সকলো জাতিৰ, দেশৰ আৰু ভাষাৰ লোকবিলাকে তেওঁৰ সেৱা কৰিবৰ নিমিত্তে তেওঁক ৰাজশাসন, মহিমা আৰু ৰাজ্যভাৰ দিয়া হল; তেওঁৰ ৰাজশাসন চিৰকাললৈকে থকা ৰাজশাসন, সেয়ে কেতিয়াও লুপ্ত নহ'ব; আৰু তেওঁৰ ৰাজ্য অবিনাশী"* (দানিয়েল ৭:১৩,১৪)।

খ) তেওঁ আৰু কৈছে, *"অধৰ্ম্ম শেষ কৰিবলৈ, পাপ অন্ত কৰিবলৈ, অপৰাধ মোচন কৰিবলৈ, চিৰকলীয়া ধাৰ্ম্মিকতা উপস্থিত কৰিবলৈ, দৰ্শন (ৰহী) আৰু নবুৱতী মোহৰ মাৰিবলৈ আৰু মহাপবিত্ৰস্থান অভিষেক কৰিবলৈ তোমাৰ জাতিৰ আৰু তোমাৰ পবিত্ৰ নগৰৰ নিমিত্তে সত্তৰ সপ্তাহ নিৰূপিত হ'ল। এই হেতুকে তুমি ইয়াক জ্ঞাত হোৱা আৰু বুজি লোৱা যে, যিৰূচালেমক পুনঃস্থাপন আৰু নিৰ্ম্মাণ কৰিবৰ আজ্ঞা প্ৰকাশিত হোৱাৰে পৰা, এজন অভিষিক্ত অধিপতিলৈ সাত সপ্তাহ, আৰু বাষষ্টি সপ্তাহত*



"প্ৰতিজন ইমামে থিয় হৈ দিনে দিনে সেৱাৰ কাৰ্য্য কৰি, যি প্ৰকাৰৰ কোৰবানীয়ে কেতিয়াও পাপ গুচাব নোৱাৰে, সেই একে প্ৰকাৰৰ কোৰবানী বাৰে বাৰে উৎসৰ্গ কৰি থাকে" (ইব্ৰীয়া ১০:১১)।

ইমামবিলাকে, যি জনৰ বাবে বাট চাই আছিল, অৰ্থাৎ মছীহ জনাৰ আবিৰ্ভাৱ নোহোৱালৈকে সেইবোৰ উৎসৰ্গ কৰি থাকিব লগা আছিল।

মছীহৰ কোৰবানীৰ পুনৰাবৃত্তি কৰিব নোৱাৰি, কাৰণ সেয়া তেওঁৰ নিজৰ তেজ আছিল আৰু তাৰ দ্বাৰাই তেওঁ চিৰস্থায়ী নাজাত সম্ভৱ কৰিছিল।

ইব্ৰীয়া পুস্তকে এইদৰে গুৰুত্ব আৰোপ কৰি এই কথা প্ৰমাণ কৰিছে, *"এই কাৰণেই তেওঁ নতুন নিয়মৰ মধ্যস্থ হৈছে যেন, সেই প্ৰথম নিয়ম লঙ্ঘন কৰাত হোৱা অপৰাধবোৰৰ মুক্তিৰ অৰ্থে মৃত্যু ঘটিলত, আমন্ত্ৰিতবিলাকে অনন্তকালস্থায়ী উত্তৰাধিকাৰ-বিষয়ক প্ৰতিজ্ঞাৰ ফল পাব পাৰে। কিয়নো য'ত নিয়ম-পত্ৰ হয়, তাত নিয়ম কৰা জনৰ মৃত্যুৰ প্ৰমাণ পোৱা আৱশ্যক। কাৰণ মৃত্যু ঘটিলেহে নিয়ম-পত্ৰ থিৰ হয়; এতেকে নিয়ম কৰা জন জীয়াই থাকেমানে, সেয়ে জানো সাৰ্থক হব পাৰে? এই কাৰণে সেই প্ৰথম নিয়মৰ সংস্কাৰো তেজৰ বিনে নহল। কিয়নো মোচাই চৰিয়তৰ দৰে সকলো আদেশ সকলো লোকৰ আগত কৈ এঁটাই, পানী, সেন্দুৰ বৰণীয়া মেৰৰ নোম আৰু এচোব বনেৰে সৈতে দামুৰি আৰু ছাগৰ তেজ লৈ, পুস্তকখনক আৰু সকলো মানুহক শান্তি কৰি কলে, 'আল্লাহে তোমালোকৰ উদ্দেশে? যি নিয়মৰ আদেশ কৰিলে, এয়ে সেই নিয়মৰ তেজ'। তাত বাজে তম্বু আৰু সেৱা-কাৰ্য্যৰ আটাই পাত্ৰ, সেইদৰে তেজেৰে শান্তি কৰিলে। চৰীয়তৰ মতে প্ৰায় সকলোকেই তেজেৰে শুচি কৰা হয় আৰু তেজ উলিওৱা নহলে, পাপ-মোচন নহয়। এতেকে স্বৰ্গত থকা বিষয়ৰ যি নকল, সেয়ে এইবোৰ উপায়েৰে শুচি কৰা হোৱা আৱশ্যক; কিন্তু আচল যি স্বৰ্গীয়, সেয়ে ইয়াতকৈ শ্ৰেষ্ঠ কোৰবানীৰ দ্বাৰাই শুচি কৰা হোৱা আৱশ্যক। কিয়নো প্ৰকৃতৰ প্ৰতিৰূপ-মাত্ৰ যি হাতে কৰা পবিত্ৰস্থান, তাত মছীহ নোসোমাল; কিন্তু সম্প্ৰতি আমাৰ নিমিত্তে*

*আল্লাহৰ সাক্ষাতে উপস্থিত হবলৈ বেহেস্ততেই সোমাল। কিন্তু মহা-ইমামে যেনেকৈ পৰৰ তেজ লৈ, বছৰে বছৰে পবিত্ৰস্থানত সোমায়, তেনেকৈ তেওঁ বাৰে বাৰে নিজকে উৎসৰ্গ কৰিবলৈ যে সোমাল, এনে নহয়; সেয়ে হোৱা হলে, জগত-স্থাপনৰে পৰা তেওঁ অনেকবাৰ দুখভোগ কৰিব লাগিলহেতেন; কিন্তু এতিয়া তেওঁ আত্ম-বলিৰ দ্বাৰাই পাপ-নাশৰ অৰ্থে, যুগবোৰৰ শেষত এবাৰ মাথোন প্ৰকাশিত হল"* (ইব্ৰীয়া ৯:১৫-২৬)।

নতুন নিয়মত এই বিষয়টো পৰিস্কাৰ। ইউহোন্না বাপ্তাইজকে ঈছাক দেখা পাওঁতে ঘোষনা কৰিছিল, *"জগতৰ গুণাহ নিওঁতা আল্লাহৰ মেৰ পোৱালিক চোৱা!"* (ইউহোন্না ১:২৯)। আমাৰ গুণাহৰ বাবে যি জন আল্লাহৰ কোৰবানী হব, তেওঁ সেইজনলৈ আঙুলিয়াই দিছিল। তেওঁৰ প্ৰিয় উম্মত ইউহোন্নাই কৈছিল, *"তেৱেঁই আমাৰ গুণাহৰ নাজাত; কেৱল আমাৰেই নহয়, গোটেই জগতৰো"* (১ ইউহোন্না ২:২)।

ঈছাই ছহিদৰ মৃত্যু মৰা নাছিল, কিন্তু সকলোৰে বাবে নিজকে দান কৰিছিল। ঈছাই কৈছিল, *"যি দৰে ইবনে-আদমে সেৱা-শুশ্ৰূষা পাবলৈ নহয়, সেৱা-শুশ্ৰূষা কৰিবলৈ আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল"* (মথি ২০:২৬)।

ইবনুল্লাহ ঈছা মছীহৰ আবিৰ্ভাৱৰ কেইবা শতাব্দীৰ আগতেই আল্লাহে এই কথা নবী ইছায়াৰ আগত প্ৰকাশ কৰিছিল, *"কিন্তু আমাৰ অধৰ্ম্মবোৰৰ নিমিত্তে তেওঁক খোঁচা হল, আমাৰ অপৰাধবোৰৰ নিমিত্তে গুড়ি কৰা হল, আমাৰ শান্তিজনক শাস্তি তেওঁৰ ওপৰত পৰিল, আৰু তেওঁৰ গাৰ সাঁচ বহা কোবৰ দ্বাৰাই আমি সুস্থ হলোঁ। আমি সকলোৱে ভেড়াৰ নিচিনাকৈ অপথে গৈছিলোঁ; প্ৰতিজনে নিজ নিজ বাট লৈছিলোঁ আৰু আল্লাহই আমাৰ সকলোৰে অপৰাধৰ ভাৰ তেওঁৰ ওপৰত দিলে। তেওঁ উপদ্ৰৱ পালে, তথাপি নম্ৰ হৈ তেওঁৰ মুখ নেমেলিলে; তেওঁ কাটিবলৈ নিয়া মেৰ পোৱালিৰ, বা নোম-কটিয়াৰ আগত নিজম দি থকা মাইকী মেৰৰ নিচিনা আছিল, এনে কি, নিজ মুখকে নেমেলিলে"* (ইছায়া ৫৩:৫-৭)।

পৌল চাহাবাই প্ৰায়ে মছীহৰ নাজাতৰ কথা উল্লেখ কৰিছে।



*সন্তান?' তেওঁবিলাকে তেওঁক কলে, 'দায়ূদৰ'। তাতে তেওঁ তেওঁবিলাকক কলে, 'তেনেহলে, 'প্ৰভুৱে মোৰ প্ৰভুক কলে, মই তোমাৰ শত্ৰুবোৰক তোমাৰ চৰণৰ অধীন নকৰোঁমানে, মোৰ সোঁহাতে বহি থাকা' এই বুলি, দায়ূদে কেনেকৈ আত্মাৰ দ্বাৰাই তেওঁক প্ৰভু বোলে? এতেকে দায়ূদে যদি তেওঁক প্ৰভু বোলে, তেন্তে তেওঁ কেনেকৈ তেওঁৰ সন্তান হ'ব পাৰে?' "* (মথি ২২:৪২-৪৫)।

## ২। ইছায়া নবী

ক) *"সেই দিনা ইস্ৰায়েলৰ মাজত যিবিলাকে ৰক্ষা পাব, যিহোৱাৰ পোখা তেওঁবিলাকৰ ভূষণ আৰু প্ৰতাপ হ'ব, আৰু পৃথিবীৰ উৎপন্ন ফলটি তেওঁবিলাকৰ শোভা আৰু মুকুটস্বৰূপ হ'ব'* (ইছায়া ৪:২)।

কিতাবুল মোকাদ্দছৰ ভাষাত "পোখা"ই ঈছা মছীহক বুজাইছে, আৰু নবীসকলে তেওঁক "পোখা" বা "গজালি" বুলি বুজোৱাত অভ্যস্ত আছিল। উদাহৰণ স্বৰূপে, যেতিয়া যিৰিমিয়া নবীয়ে কয়, "সেই দিনা আৰু সেই কালত মই দায়ূদৰ বংশত এক ধাৰ্ম্মিক গজালি গজাম, তেওঁ দেশত বিচাৰ আৰু ন্যায় সিদ্ধ কৰিব" (যিৰিমিয়া ৩৩:১৫)।

খ) যেতিয়া ইছায়াই কয়, "উজ্জিয়া ৰজাৰ মৃত্যু হোৱা বছৰত, মই প্ৰভুক এখন উচ্চ আৰু উন্নত সিংহাসনত বহি থকা দেখিলোঁ; তেওঁৰ ৰাজবস্ত্ৰৰ আঁচলে গোটেই মন্দিৰ জুৰি লৈছিল। তেওঁৰ ওচৰৰ উচ্চস্থানত চিৰাফবিলাক থিয় হৈ আছিল; তেওঁবিলাকৰ প্ৰতিজনৰ ছখন ছখন ডেউকা আছিল; তেওঁবিলাকে তাৰ দুখনেৰে নিজ নিজ মুখ ঢাকে, দুখনেৰে চৰণ ঢাকে আৰু দুখনেৰে উড়ি যায়। পাছে তেওঁবিলাকে পৰস্পৰে মাতি কলে, *'পবিত্ৰ, পবিত্ৰ, পবিত্ৰ, বাহিনীবিলাকৰ ইলাহী, গোটেই পৃথিবী তেওঁৰ মহিমাৰে পৰিপূৰ্ণ"* (ইছায়া ৬:১-৩)। ইয়াত নবীজনে ঈছা মছীহৰ বিষয়ে কৈছে, যি কথা ইঞ্জিলৰ পৰা প্ৰমাণিত হয়, *"ইছায়াই তেওঁৰ গৌৰৱ দেখি, তেওঁৰ বিষয়ে প্ৰচাৰ কৰি এইবোৰ কথা কলে"* (ইউহোন্না ১২:৪১)।

জন *“পবিত্ৰ, অকুটিল, নিৰ্ম্মল, পাপীবিলাকৰ পৰা পৃথক কৰা আৰু বেহেস্ততকৈয়ো ওপৰ”* (ইব্ৰীয়া ৭:২৬)।

## প্ৰশ্ন: মছীহৰ আগমণৰ আগতে অহা নবীসকলে তেওঁৰ ঈশ্বৰত্বত বিশ্বাস কৰিছিল নে? (উত্তৰটো যদি ‘হয়, কৰিছিল’, তেন্তে তাৰ প্ৰমাণ দৰকাৰ)।

**উত্তৰ:** হয়, মছীহৰ আগমণৰ পূৰ্ব্বে অহা নবীসকলে তেওঁৰ ঈশ্বৰত্বত বিশ্বাস কৰিছিল। এই কথা তেওঁলোকৰ অনুপ্ৰাণিত পুস্তকত লিপিবদ্ধ কৰি থোৱা তেওঁলোকৰ সাক্ষ্যৰ পৰা স্পষ্ট।

### ১। দায়ূদ নবী

ক) গীতমালাৰ দ্বিতীয় গীতত তেওঁ পৃথিবীৰ ৰজা আৰু শাসনকৰ্ত্তাবোৰক সম্বোধন কৰিছে, *“এতেকে এতিয়া হে ৰজাবিলাক, জ্ঞানৱন্ত হোৱা; হে পৃথিবীৰ বিচাৰকৰ্ত্তাবিলাক, সতৰ্ক হোৱা। ভয়েৰে যিহোৱাৰ সেৱা কৰা; কম্পনেৰে উল্লাস কৰা। পুত্ৰক চুমা খোৱা; নহলে তেওঁ ক্ৰুদ্ধ হ’ব আৰু তোমালোক পথত বিনষ্ট হ’বা; কিয়নো তেওঁৰ ক্ৰোধ অলপতে জ্বলি উঠিব পাৰে। তেওঁত আশ্ৰয় লোৱাবিলাক ধন্য”* (গীতমালা ২:১০-১২)।

দায়ূদে আমাক কেৱল ইবনুল্লাহক আৰাধনা কৰিবলৈয়ে নিৰ্দ্দেশ দিয়া নাছিল, লগতে তেওঁত ভাৰসা কৰা বিলাকক তেওঁ আশীৰ্ব্বাদো কৰিছিল, কিয়নো তেওঁ জানিছিল যে মানুহত ভাৰসা কৰা সকলোৱে অভিশপ্ত বুলি কিতাবুল মোকাদ্দছে স্পষ্ট কৰি দিছে।

খ) গীতমালা ১১০:১ আয়াতত কৈছে, *“খোদায় মোৰ প্ৰভুক কলে, ‘মই তোমাৰ শত্ৰুবোৰক তোমাৰ ভৰি-পীৰা নকৰোঁমানে, তুমি মোৰ সোঁহাতে বহি থাকা’।”*

আমাৰ প্ৰভু ঈছা মছীহে কিছুমান ধাৰ্ম্মিক ইহূদীৰ সৈতে কথা পাতোঁতে নিজে এই কথাখিনিৰ উদ্ধৃতি দিছিল। তেওঁ তেওঁলোকক সুধিছিল, “*‘মছীহৰ বিষয়ে তোমালোকৰ মনে কি ধৰে? তেওঁ কাৰ*



এইবোৰ কিছুমান তাৰে উল্লেখ: *“সেই প্ৰিয় জনাত আমি তেওঁৰ তেজৰ দ্বাৰাই মুক্তি, অৰ্থাৎ অপৰাধবোৰৰ মোচন তেওঁৰ অনুগ্ৰহৰূপ ধনৰ দৰে পালোঁ’*’ (ইফিচীয়া ১:৭)।

*‘যিমান মানুহ বিধানৰ কৰ্ম্মৰ, সেই সকলোৱেই পাপগ্ৰস্ত; কাৰণ লিখা আছে, ‘যি কোনোৱে বিধান-পুস্তকত লিখা সকলো কথা পালন কৰি নাথাকে, তেওঁ পাপগ্ৰস্ত’।...ইব্ৰাহীমৰ আশীৰ্ব্বাদ যেন ঈছা মছীহৰ দ্বাৰাই পৰজাতিবিলাকলৈ আহে আৰু আমি যেন অঙ্গীকৃত ৰূহ বিধানৰ দ্বাৰাই পাওঁ, এই কাৰণে মছীহই বিধানৰ গুণাহৰ পৰা আমাক মুক্ত কৰিলে; তেওঁ আমাৰ কাৰণে গুণাহ-স্বৰূপ হল; কিয়নো লিখা আছে, ‘যি জনক কাঠত অৱা হয়, তেওঁ পাপগ্ৰস্ত’ ”* (গালাতীয়া ৩:১০, ১৩-১৪)।

*“আমি তেওঁত আল্লাহী ধাৰ্ম্মিকতাস্বৰূপ হবলৈ, যি জনাই গুণাহ জনা নাই, সেই জনাকে তেওঁ আমাৰ নিমিত্তে গুণাহ-স্বৰূপ কৰিলে”* (২ কৰিন্থীয়া ৫:২১)।

এই আয়াতবোৰে মছীহৰ বিষয়ে কয়, যি জনে বিধানৰ দণ্ডক নিজে বহন কৰি সলীবৰ ওপৰত মৃত্যু বৰণ কৰি বিধানৰ দণ্ডৰ পৰা আমাক ৰক্ষা কৰিলে। তেওঁৰ মৃত্যুৰ দ্বাৰাই তেওঁ আমাক বিধানৰ অভিশাপৰ পৰা ৰক্ষা কৰিলে। নাজাতকাৰী কোৰবানী এনেকুৱাই আছিল। পৌলে কৈছে, *“আল্লাহে তেওঁৰ ধৈৰ্য্য-গুণত, পূৰ্ব্বে কৰা নানা গুণাহৰ দণ্ড নিদিয়াকৈ থকাৰ কাৰণে, নিজ ধাৰ্ম্মিকতা দেখুৱাবলৈ আৰু যিহতে ঈছাত ঈমান অনা জনক ধাৰ্ম্মিক বুলি গণিত কৰিব পাৰে, আৰু তাক কৰিও তেওঁ যেন ধাৰ্ম্মিক হৈ থাকে, এই আশয়েৰে, এই বৰ্ত্তমান কালত নিজ ধাৰ্ম্মিকতা দেখুৱাবৰ কাৰণে, ঈছা মছীহৰ তেজত হোৱা ঈমানৰ দ্বাৰাই যি নাজাত, সেই নাজাত স্বৰূপে তেওঁক প্ৰকাশ কৰিলে”* (ৰোমীয়া ৩:২৫-২৬)।

আমি এই আয়াতটো মনোযোগেৰে নিৰীক্ষণ কৰিব লাগে, কাৰণ ইয়ে আমাক শিকায়:

১। আল্লাহে সকলোৱে বাবে ঈছা মছীহক নাজাতকাৰী কোৰবানী স্বৰূপে দান কৰিলে।

২। প্ৰত্যেক মনুষ্যই মছীহত ব্যক্তিগত ঈমান ৰখাৰ দ্বাৰাই

এই নাজাত গ্ৰহণ কৰিব পাৰে। সেয়ে ঈছা মছীহত ঈমান ৰখা সকলোকে গুণাহ-মুক্ত কৰে।

৩। গুণেহগাৰবিলাকৰ প্ৰতি অনুগ্ৰহ দেখুওৱাৰ দ্বাৰাই নাজাতকাৰী কোৰবানীৰ যোগেদি আল্লাহে তেওঁৰ ধাৰ্ম্মিকতা ব্যক্ত কৰিছে। ইয়াত দেখুওৱা ধাৰ্ম্মিকতা আল্লাহৰ এটি অসাধাৰণ গুণ, যিটো ঈমানদাৰবিলাকক আল্লাহে দান কৰা ন্যায্যতাৰ পৰা পৃথক। আমি ইয়াক এই প্ৰসঙ্গৰ পৰা এইদৰে দেখিবলৈ পাওঁ: **"যিহতে ঈছাত ঈমান অনা জনক ধাৰ্ম্মিক বুলি গণিত কৰিব পাৰে, আৰু তাক কৰিও তেওঁ যেন ধাৰ্ম্মিক হৈ থাকে"**। এই উক্তিয়ে শব্দটোৰ তেনে অৰ্থ বাদ দিছে আৰু ন্যায্যৰূপে কিন্তু ধাৰ্ম্মিকতাৰে কাৰ্য্য কৰিবলৈ আল্লাহৰ আগ্ৰহক নিশ্চিত কৰিছে, কাৰণ তেওঁ আল্লাহ, বিধানৰ স্ৰষ্টা আৰু জগতৰ বিচাৰকৰ্ত্তা।

৪। সেই কোৰবানীৰ আল্লাহৰ ন্যায়ৰ চাহিদাক উলঙ্ঘন নকৰাকৈ তেওঁৰ অনুগ্ৰহক প্ৰকাশ কৰিবলৈ প্ৰয়োজন আছে। আল্লাহে যদি গুণেহগাৰক নাজাতকাৰী কোৰবানী নোহোৱাকৈ তেওঁৰ অনুগ্ৰহ দেখুৱালেহেঁতেন, তেওঁ ন্যায়পূৰ্ণ নহলাঁহেতেন। এই কাৰণে ৰছুল পৌলে কৈছে যে আল্লাহে ঈছাক নাজাতৰূপে আগবঢ়াইছিল…**"যিহতে ঈছাত ঈমান অনা জনক ধাৰ্ম্মিক বুলি গণিত কৰিব পাৰে, আৰু তাক কৰিও তেওঁ যেন ধাৰ্ম্মিক হৈ থাকে"**। আল্লাহৰ চৰিত্ৰক সলনি কৰি তেওঁক ক্ষমাশীল কৰাৰ কোনো প্ৰয়োজন নাছিল। আল্লাহ কেতিয়াও সলনি নহয়, কাৰণ তেওঁ কালি, আজি আৰু সদাকাললৈকে একে হৈ থাকে। আল্লাহৰ সাক্ষ্য কিতাবুল মোকাদ্দছৰ আধাৰ আৰু তাৰ পৰা আমি পাওঁ যে মছীহই নিজকে পিতৃৰ ওচৰত শোধাই দিছিল আৰু মানৱ প্ৰকৃতি লওতে, গুণাহগাৰবোৰৰ ঠাইত আল্লাহৰ বিধানৰ অভিশাপ বহন কৰিছিল। আমি আৰু শিকোঁ যে আল্লাহে তেওঁৰ কোৰবানী তেওঁৰ ন্যায় বিচাৰলৈ যথেষ্ট বুলি ধৰি লৈ তাক গ্ৰহণ কৰিলে। সেইবাবে তেওঁৰ পাক মহত্ত্বক আক্ৰমণ নকৰাকৈ আৰু তেওঁৰ নৈতিক বিধানক কোনো প্ৰকাৰে ভংগ নকৰাকৈ, ঈছা মছীহত ঈমান ৰখা সকলোকে তেওঁ ক্ষমা কৰিব পাৰে।



তেওঁ এজন মহৎ মহা-ইমাম আৰু সকলোৰে বিচাৰকৰ্ত্তা হ'ব পাৰে। সকলো সাধুৰ ৰূহানী জীৱনৰ উৎস হ'বলৈ, তেওঁ সেইজন হ'ব লাগিব যি জনৰ বিষয়ে কিতাবুল মোকাদ্দছে কৈছে: *"কিয়নো তেওঁত ঈশ্বৰত্বৰ সকলো সম্পূৰ্ণতা শাৰীৰিকৰূপে নিবাস কৰে"* (কলচীয়া ২:৯)।

আল্লাহ আৰু মনুষ্যৰ মাজৰ মধ্যস্থজনাৰ বাবে কিতাবুল মোকাদ্দছে প্ৰয়োজনীয় বুলি কোৱা এই সকলো গুণ ঈছা মছীহত মিলিত হৈছিল। ইয়াৰ ফল স্বৰূপে মছীহৰ মধ্যস্থতা – যি মধ্যস্থতাই মানুহৰ নাজাতৰ বাবে তেওঁ যি কৰিছিল আৰু এতিয়াও কৰি আছে তাক সাঙুৰি লয় – এক ঐশ্বৰিক ব্যক্তিগত কাৰ্য্যলৈ পৰিণত হয়। একেদৰে, মছীহৰ সকলো মধ্যস্থকাৰী কৰ্ম্ম আৰু দুখ-ভোগ এজন ঐশ্বৰিক ব্যক্তিৰহে হ'ব পাৰে। যি জনক সলীবত দিয়া হৈছিল তেওঁ গৌৰৱৰ প্ৰভু। এই সত্য তলত দিয়া বিষয় কেইটাৰ পৰা পৰিস্কাৰ হয়:

১। কিতাবুল মোকাদ্দছে তেওঁৰ কৰ্ম্ম, ব্যক্তিগত ক্ষমতা, তেওঁৰ শিক্ষাৰ নিৰ্ভুলতা, জ্ঞান আৰু তেওঁৰ দুখ-ভোগৰ মূল্য তেওঁৰ অস্তিত্বত আৰোপ কৰে: *"তেওঁক মাংসত প্ৰকাশ কৰা হল"* (১ তীমথিয় ৩:১৬)।

২। আমাৰ মধ্যস্থ জনা কেৱল মনুষ্য হোৱা হ'লে তেওঁ পতিত পাপীবিলাকক উদ্ধাৰ কৰিব নোৱাৰিলেহেঁতেন, আৰু তাৰ পৰিণাম হ'ব যে শুভবাৰ্ত্তা ক্ষমতা বা পৰ্যাপ্ত বিহীন হৈ ৰব।

৩। একমাত্ৰ আল্লাহ-মানবেহে পতিত মানৱ-জাতিক উদ্ধাৰ কৰিব পাৰে। মছীহৰ নবুৱতী দায়িত্বৰ প্ৰয়োজন যেন তেওঁৰ গাত বিচক্ষণতা আৰু জ্ঞানৰ সকলো সম্ভাৰ থাকে।

তেওঁৰ ইমামী দায়িত্বৰ প্ৰয়োজন, তেওঁৰ কৰ্ম্ম ফলপ্ৰসূ হ'বলৈ তেওঁ যেন ইবনুল্লাহ হিচাবে সন্মান পায়। মধ্যস্থ হিচাবে মছীহক বেহেস্ত আৰু পৃথিবীত যি ক্ষমতা দিয়া হৈছিল, তেনে ক্ষমতা কেৱল এজন ঐশ্বৰিক ব্যক্তিয়েহে ব্যৱহাৰ কৰিব পাৰে। একমাত্ৰ এজন ঐশ্বৰিক ব্যক্তিয়েহে পাপৰ বন্ধন আৰু তাৰ মাৰাত্মক পৰিণতিৰ পৰা আমাক নাজাত কৰিব পাৰে, মৃতকক তুলি অনন্ত জীৱন দান কৰিব পাৰে। সত্যতে, আমাক এজন নাজাতদাতা লাগে, যি

মধ্যস্থজনা তলত দিয়া গুনবোৰেৰে লক্ষণীয় হ'ব লাগিব:

১। মনুষ্য হ'ব লাগিব – *"সেই কালাম মাংস হ'ল আৰু আমাৰ মাজত বসতি কৰিলে"* (ইউহোন্না ১:১৪)। কালামে ফিৰিস্তাৰ প্ৰকৃতি নলৈ মনুষ্যৰ প্ৰকৃতি লোৱাৰ কাৰণ আছিল আমাক উদ্ধাৰ কৰা। সকলো নৈতিকতাক সিদ্ধ কৰিবলৈ, আমাৰ মনুষ্য জীৱনৰ ভাগ লবলৈ আৰু আমাৰ দুৰ্ব্বলতাবোৰৰ অভিজ্ঞতা লাভ কৰিবলৈ, আৰু তাৰ পাছত আমাৰ পাপৰ নাজাতৰ বাবে যাতনা ভুগি কোৰবানীৰ মৃত্যু বৰণ কৰিবলৈ, আমি ভঙ্গ কৰা বিধিৰ তলত জন্ম গ্ৰহণ কৰাটো তেওঁৰ বাবে আৱশ্যক আছিল।

২। তেওঁ পাপহীন হ'ব লাগিব – কাৰণ বিধি মতে, নাজাতৰ বাবে উৎসৰ্গ কৰা কোৰবানী খুঁত নথকা হ'ব লাগে। গতিকে, জগতৰ নাজাতৰ বাবে নিজক উৎসৰ্গ কৰা মধ্যস্থজনা নিজে পাপহীন হ'ব লাগিব। কাৰণ পাপৰ পৰা উদ্ধাৰকৰ্ত্তা জনৰ বাবে পাপী হোৱাটো অসম্ভৱ, কাৰণ পাপীজনে আল্লাহক ঢুকি নাপায়, আৰু পাপৰ বাবে কোৰবানী হ'বলৈ বা তেওঁৰ লোকবিলাকৰ বাবে পবিত্ৰতা আৰু অনন্ত জীৱনৰ উৎস হ'বলৈ উপযুক্ত নহয়। গতিকে, আমাৰ মহা-ইমাম, সেই মহান ত্ৰাণকৰ্ত্তাৰ বাবে *"পবিত্ৰ, অকুটিল, নিৰ্ম্মল, পাপীবিলাকৰ পৰা পৃথক কৰা"* (ইব্ৰী ৭:২৬) হৈ থকাটো আৱশ্যক আছিল।

আমি জানোঁ যে মছীহ নিষ্পাপ আছিল, কাৰণ এই কথা চাহাবাৰ কালামে প্ৰমাণিত কৰিছে: "...*কিয়নো তোমালোক যেন মছীহৰ খোজৰ অনুগামী হোৱা, এই কাৰণে তেওঁ তোমালোকৰ অৰ্থে দুখ-ভোগ কৰি, তোমালোকৰ কাৰণে এটি আৰ্হি ৰাখি গ'ল। 'তেওঁ কোনো পাপ নকৰিলে, তেওঁৰ মুখত কোনো ছলনা পোৱা নগল'*" (১ পিতৰ ২:২১-২২)।

৩। আল্লাহী হোৱা। এজন মনুষ্যৰ তেজে পাপ নোহোৱা কৰিব নোৱাৰে। মছীহ আল্লাহী হোৱা হেতুকে তেওঁ চিৰকালৰ বাবে শুচি কৰাবিলাকক সম্পূৰ্ণ কৰিলে (ইব্ৰী ৯:২৬)। একমাত্ৰ আল্লাহে চয়তানৰ শক্তিক পৰাজয় কৰিব পাৰে আৰু চয়তানে বন্দী কৰি ৰখাবিলাকক উদ্ধাৰ কৰিব পাৰে। নাজাতৰ এই সকলো কাৰ্য্য কৰিব পৰা ব্যক্তিজন সৰ্ব্বশক্তিমান, সৰ্ব্বজ্ঞানী হ'ব লাগিব, যাতে



# বিভিন্ন প্ৰকাৰৰ কোৰবানী

মছীহৰ কোৰবানীৰ নিৰীক্ষণে, মোচাৰ যোগেদি প্ৰদান কৰা বেহেস্তী ছৰীয়তৰ সৈতে সংগতি ৰাখি পুৰণি নিয়মত উৎসৰ্গ কৰা বিভিন্ন ধৰণৰ কোৰবানীয়ে আমাক দিয়ে:

১। পাপাৰ্থক বলি (লেবীয়া ৯) – মানুহক ক্ষমাৰ অৱস্থালৈ আনিবলৈ আৰু তাৰ যোগেদি অনুগ্ৰহ পাবলৈ কৰা নাজাত।

২। দোষাৰ্থক বলি (লেবীয়া ৫) - ক্ষতি পূৰণ কৰিব পৰা গুণাহ সম্বন্ধিত।

৩। হোম-বলি (লেবীয়া ১) - আল্লাহলৈ সম্পূৰ্ণৰূপে উৎসৰ্গকৃত কোনো এজনক সঁচা নিখুঁততাৰ কোৰবানী।

৪। মঙ্গলাৰ্থক বলি (লেবীয়া ৭:১১-১৬) - আল্লাহে পাব লগীয়া ধন্যবাদ দিয়া।

৫। নিস্তাৰ-পৰ্ব্বৰ বলি (যাত্ৰাপুস্তক ১২) - আল্লাহে মোচা, হাৰোণ আৰু মানুহবিলাকক দুৱাৰত, চৌকাঠৰ দুই দাঁতিৰ দুডালত আৰু ওপৰত তেজ চটিয়াবলৈ আজ্ঞা দিছিল।

৬। ৰাঙলী চেঁউৰী গৰু বলি (গণনাপুস্তক ১৯) - দগ্ধ কৰা গৰুজনীৰ ছাই অশুচিতাৰ পৰা শুচি কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল।

৭। কুষ্ঠৰোগীৰ বলি (লেবীয়া ১৪) - কুষ্ঠৰোগীক শুচি কৰাৰ লগত সম্বন্ধিত।

৮। চেঁউৰী গৰু বলি (দ্বিতীয় বিবৰণ ২১:৩) - হাৰোণৰ পুত্ৰবিলাকৰ কোনো এজনক ইমাম স্বৰূপে উৎসৰ্গ কৰোঁতে আগবঢ়োৱা হৈছিল।

মন কৰিব লগীয়া যে এই সকলোবোৰ কোৰবানী কোনো খুঁত নথকা হ'ব লাগিছিল যাতে মানুহৰ চকুত আল্লাহৰ অসন্মান নহয় (১ ৰাজা ৮:১৩-১৪)। বিশেষৰূপে, সকলোৰে উচ্চত সেই খুঁত নথকা কোৰবানী আল্লাহৰ ভেড়া-পোৱালি ঈছাৰ প্ৰতীক, যিজনে জগতৰ গুণাহৰ বাবে সলীবৰ ওপৰত নাজাতৰ বলি দিছিল। তেওঁ "নিখুঁণী আৰু নিষ্কলঙ্ক" (১ পিতৰ ১:১৯-২০)।

## কোৰবানীৰ তেজ চটিওৱা

পুৰণি নিয়মত তেজ চটিওৱা এটি অতি মহৎ ছৰীয়ত আছিল, কাৰণ ই নাজাতৰ প্ৰতীক আছিল। চটিওৱাৰ এই কাৰ্য্য আল্লাহ আৰু মানুহৰ মাজত মধ্যস্থ হিচাবে নিযুক্ত কৰা ইমামৰ কৰ্ত্তব্য আছিল। সাক্ষাত কৰা তম্বুলৈ তেজ অনাৰ পাছত তাক সাতবাৰ চটিওৱাটো (লেবীয়া ৮:১১) নাজাতৰ নিখুঁততাৰ চিহ্ন আছিল, যিহেতু সাত সংখ্যাটোৱে নিখুঁততাক বুজায়। সেইবাবে, নতুন নিয়মে ঈমানদাৰবিলাকৰ বিষয়ে কৈছে যে তেওঁলোকক ঈছা মছীহৰ ৰক্তপাতৰ দ্বাৰাই গুণাহৰ পৰা শুচি কৰা হল (ইব্ৰী ৯; ১ পিতৰ ১)।

## মছীহৰ কোৰবানীৰ সেইবিলাক প্ৰতীক আছিল

পুৰণি নিয়মত আল্লাহৰ মানুহবিলাকে মানুহৰ দুৰ্ব্বলতা আৰু তেওঁক গুণাহৰ পৰা ৰক্ষা কৰিবলৈ মোচাৰ ছৰীয়তৰ অক্ষমতাক বুজিব পাৰিছিল। তেওঁলোকে কোৰবানী আৰু হোম-বলিৰ বাহিৰে বেলেগ উপায় বিচাৰিছিল, যিটো ৰছুলজনে কৈছিল, *“আৰাধনাকাৰীক বিবেকৰ কথাত সিদ্ধ কৰিব নোৱাৰা”* আছিল (ইব্ৰী ৯:৯) আৰু যিয়ে আল্লাহক সন্তুষ্ট কৰিব নোৱাৰে। কাৰণ আমি গীতমালা ৫১:১৬-১৭ত পাওঁ:

*“তুমি বলিদানত সন্তুষ্ট নোহোৱা, নতুবা তাক দিলোহেঁতেন; হোম-বলিত তোমাৰ প্ৰীতি নাই। আল্লাহৰ বলি ভগ্ন মন; হে আল্লাহ, তুমি ভগ্ন আৰু খেদিত চিত্তক অগ্ৰাহ্য নকৰা।”*

**নবী ইছায়াই কৈছিল:**

*“আল্লাহই কৈছে, ‘তোমালোকৰ অনেক বলিদানত মোৰ প্ৰয়োজন কি? মেৰৰ আহুতিৰে আৰু পুষ্ট পশুৰ তেলেৰে মই পৰিপূৰ্ণ আছোঁ; ভতৰা, কি মেৰ, কি ছাগবোৰৰ তেজত মোৰ একো সন্তোষ নাই। তোমালোক যেতিয়া মোৰ আগত উপস্থিত হোৱা, তেতিয়া তোমালোকে যে মোৰ চোতাল কেইখন গচকা, ইয়াকে তোমালোকক কোনে খুজিছিল?’”* (ইছায়া ১:১১-১২)।

যেই হওক, এই ভুলৰ মাজত ইবনুল্লাহৰ মহ’ব্বত জিলিকি



**জাতিক উদ্ধাৰ কৰিবলৈ তেওঁৰ মৃত্যু এক অনিচ্ছাকৃত কাৰ্য্য নহয়। বৰঞ্চ, নিজকে নম্ৰ কৰাটো তেওঁৰ নিজৰ নিৰ্বাচন আছিল।** কাৰণ তেওঁ কৈছিল:

*“মই মোৰ প্ৰাণ পুনৰায় লবলৈ তাক এৰি দিওঁ; এই হেতুকে পিতৃয়ে মোক প্ৰেম কৰে। কোনোবাই মোৰ পৰা তাক কাঢ়ি নিয়ে, এনে নহয়; মই নিজেই তাক এৰি দিওঁ। তাক এৰি দিবলৈ মোৰ ক্ষমতা আছে, আৰু তাক পুনৰায় লবলৈকো মোৰ ক্ষমতা আছে; এই আদেশ মোৰ পিতৃৰ পৰা পালোঁ”* (ইউহোন্না ১০:১৭-১৮)।

ইয়াৰ অৰ্থ হ’ল নিজকে উৎসৰ্গ কৰিবলৈ মছীহক কোনেও জোৰ কৰা নাছিল; বৰঞ্চ জগতৰ পাপ গুচাবলৈ তেওঁ নিজৰ ইচ্ছাৰে তাক উৎসৰ্গ কৰিছিল। আন কথাত, আল্লাহে মনুষ্যৰ প্ৰতি থকা তেওঁৰ অভূতপূৰ্ব প্ৰেমৰ হেতুকে, তেওঁৰ একমাত্ৰ ৰুহানী পুত্ৰক দান কৰাৰ দ্বাৰাই নাজাতৰ ব্যৱস্থা কৰিলে আৰু সেই পুত্ৰ এই জগতলৈ আহিল:

*“শিশু সন্তানবিলাক তেজ আৰু মাংসৰ ভাগী হোৱাত, মৃত্যুৰ পৰাক্ৰম থকাটোক, অৰ্থাৎ চয়তানক মৃত্যুৰ দ্বাৰাই অকৰ্ম্মণ্য কৰিবলৈ, আৰু যিবিলাকে মৃত্যুৰ ভয়ত গোটেই আয়ুসৰ দিন দাসত্বৰ অধীন আছিল, তেওঁবিলাকক মুক্ত কৰিবলৈ, তেওঁ নিজেও একেদৰে সেই উভয়ৰ ভাগী হ’ল”* (ইব্ৰীয়া ২:১৪-১৫)।

কিতাবুল মোকাদ্দছে আমাক কৈছে যে মধ্যস্থজন হ’বলৈ আৰু আল্লাহৰ সৈতে মানুহৰ মিলন কৰাবলৈ মছীহই নিজ ইচ্ছাৰে শৰীৰ ধাৰণ কৰিলে। কিতাবুল মোকাদ্দছে কৈছে: *“আল্লাহে মছীহত থাকি, জগতৰ অপৰাধ নিলিখি, তেওঁৰে সৈতে তেওঁবিলাকৰ মিলন কৰি আছিল; আৰু সেই মিলনৰ কথা আমালৈ গতাই দিলে”* (২ কৰিন্থীয়া ৫:১৯)।

কিতাবুল মোকাদ্দছে আমাক শিকায় যে আল্লাহ আৰু মানুহৰ মাজত মধ্যস্থ হ’বলৈ মছীহই ইচ্ছাৰে শৰীৰ ধাৰণ কৰিছিল, যিটো অনুপ্ৰাণিত কালামে এইদৰে সূচনা কৰিছে: *“আল্লাহে মছীহত থাকি, জগতৰ অপৰাধ নিলিখি, তেওঁৰে সৈতে তেওঁবিলাকৰ মিলন কৰি আছিল”* (২ কৰিন্থীয়া ৫:১৯)। এই প্ৰিয় পুস্তকখনে আমাক স্পষ্টকৈ কৈছে যে মানুহৰ সৈতে আল্লাহক মিলন কৰিব লগা

নহয়” (ইব্ৰী ৯:২২)।

৩। গুণাহগাৰৰ ঠাই লবলৈ এক কোৰবানী আগবঢ়াই এই নাজাত সিদ্ধ হ’ব আৰু সেইজনে তেওঁৰ হৈ গুণাহৰ দণ্ড, অৰ্থাৎ মৃত্যুক সহন কৰিব।

৪। পুৰণি নিয়মৰ ইমামবিলাকে আল্লাহে নিৰূপণ কৰাৰ দৰেই পৰিচৰ্য্যা কৰিছিল, যাৰ দ্বাৰাই গুণাহগাৰে তেওঁৰ অপৰাধৰ ক্ষমা লাভ কৰিছিল। তথাপি আমি দেখিছোঁ যে গুণাহ লোপ পোৱা নাছিল। তেওঁ যদি সেই একে গুনাহতে পৰে, তেওঁ পুনৰ কোৰবানী উৎসৰ্গ কৰিব লগীয়া হৈছিল।

৫। এইদৰে হাৰুণৰ ইমামৰ পদ প্ৰকৃত ইমাম আৰু আৰম্ভনিৰে পৰা প্ৰতিজ্ঞা কৰা প্ৰকৃত কোৰবানীৰ প্ৰতীক আৰু প্ৰতিবিম্ব আছিল।

৬। মছীহ এজন প্ৰকৃত ইমাম আৰু ইমাম পদৰ বাবে প্ৰয়োজনীয় সকলো গুণ তেওঁৰ আছে। যিহেতু মছীহই মানৱ আকাৰ ললে, তেওঁ মানৱ জাতিৰ প্ৰতিনিধি হ’ল। তেওঁ কোৰবানী উৎসৰ্গ কৰিলে আৰু মানুহবিলাকৰ সৈতে তেওঁ সমব্যথা দেখুৱাব পাৰিছিল আৰু তেওঁ সঁচাকৈ ইমামৰ কৰ্ত্তব্য নিখুঁতভাৱে পৰিপূৰ্ণ কৰিব পাৰিছিল।

৭। আমাৰ মহৎ মহা-ইমাম মছীহই উৎসৰ্গ কৰা কোৰবানী পশুৰ তেজ নাছিল, কিন্তু তেওঁৰ নিজৰ তেজ আছিল।

৮। সেয়ে একমাত্ৰ উৎসগা যিয়ে পবিত্ৰ কৰাবিলাকক সদাকালৰ বাবে সিদ্ধ কৰিলে (ইব্ৰীয়া **১০:১৪**)।

৯। মছীহৰ কোৰবানীয়ে অন্য সকলো কোৰবানীৰ অন্ত পেলালে, কাৰণ সেইবোৰৰ আৰু প্ৰয়োজন নাই।

ওপৰত দিয়া ব্যাখ্যাৰ পৰা ই অতি স্পষ্ট যে মছীহৰ নাজাত আপুনি দাবী কৰাৰ দৰে কেৱল নিশ্চয়োক্তি নহয়, কিন্তু আল্লাহৰ উপদেশ আৰু মানুহৰ প্ৰতি তেওঁৰ প্ৰেমৰ ওপৰত আধাৰিত এক সত্য। এই দীঘলীয়া ব্যাখ্যাৰ পাছতো আপুনি হয়তো সুধিব পাৰে, **“মছীহক মাংসত আবিৰ্ভাৱ হ’বলৈ আৰু নাজাত কাৰ্য্যৰ ভাৰ লবলৈ কিহে বাধ্য কৰিলে?”**

তাৰ উত্তৰ: **ত্ৰিত্বৰ দ্বিতীয় ব্যক্তিৰ অৱতাৰ আৰু মানৱ**



উঠিছিল আৰু তেওঁৰ ঈমানদাৰ উম্মতবিলাকলৈ ঘোষণা কৰিছিল যে সময়ৰ সম্পূৰ্ণতাত অহা ঐশ্বৰিক মধ্যস্থ এজনৰ যোগেদি নাজাতৰ বাবে তেওঁ এক সিদ্ধান্তকাৰী কোৰবানী প্ৰস্তুত কৰিছে: *“কাৰণ তেওঁ পবিত্ৰ কৰাবিলাকক একমাত্ৰ নৈবেদ্যৰ দ্বাৰাই সদাকালৰ অৰ্থে সিদ্ধ কৰিলে”* (ইব্ৰী **১০:১৪**)।

অতিশয়ৰূপে পৰীক্ষিত আৰু পীড়িত আয়ূবে তেওঁৰ আৰু আল্লাহৰ মাজত তেনে মধ্যস্থ এজনাৰ প্ৰয়োজন বোধ কৰিছিল (আয়ূব ৯:৩৩), কাৰণ তেওঁ কৈছে, *“আমাৰ দুয়োৰো ওপৰত হাত দিব পৰা এনেকুৱা মধ্যস্থ কোনো নাই”।* তেওঁৰ ভৱিষ্যদৰ্শী দৃষ্টিৰে ঈছাক দেখি পোৱা নবী ইছায়াই তেওঁৰ নাজাতকাৰী কাৰ্য্যৰ ওপৰত বহলাই ব্যাখ্যা কৰিছে:

*“তেওঁক উপদ্ৰৱ আৰু দণ্ডাজ্ঞাৰ দ্বাৰাই নিয়া হল, আৰু তেওঁক যে জীৱিতবিলাকৰ দেশৰ পৰা বিচ্ছেদ কৰা হল, তেওঁৰ কালৰ লোকবিলাকৰ মাজত কোনে ইয়াক বিবেচনা কৰিছিল? মোৰ জাতিৰ অধৰ্ম্মৰ কাৰণেই তেওঁ আঘাতিত হ’ল। আৰু লোকে দুষ্টবোৰৰ লগত তেওঁৰ মৈদাম নিৰূপণ কৰিলে, আৰু মৃত্যুত তেওঁ ধনৱানৰ লগত আছিল; তথাপি তেওঁ কোনো অত্যাচাৰ কৰা নাছিল আৰু তেওঁৰ মুখত কোনো ছলৰ কথা নাছিল। তথাপি তেওঁক গুড়ি কৰিবলৈ আল্লাহৰ ইচ্ছা হল; তেওঁ তেওঁক যাতনাত পেলালে। তুমি তেওঁৰ প্ৰাণ পাপাৰ্থক বলিস্বৰূপে উৎসৰ্গ কৰাৰ পাছত তেওঁ নিজ বংশ দেখিব, তেওঁ দীৰ্ঘজীৱী হ’ব আৰু তেওঁৰ হাতৰ দ্বাৰাই আল্লাহৰ মনোবাঞ্ছা সিদ্ধ হ’ব। তেওঁ নিজ প্ৰাণৰ দুঃখৰ ফল দেখি তৃপ্ত হ’ব; মোৰ ধাৰ্ম্মিক দাসে নিজ জ্ঞানৰ দ্বাৰাই অনেকক ধাৰ্ম্মিক কৰিব আৰু তেওঁৱেঁই তেওঁবিলাকৰ অপৰাধৰ ভাৰ বব। এই হেতুকে মই মহৎ লোকবিলাকৰ লগত তেওঁক এক অংশ দিম আৰু তেওঁ পৰাক্ৰমীবিলাকৰ লগত লুটদ্ৰব্য ভাগ কৰি লব, কাৰণ তেওঁ মৃত্যুলৈ নিজ প্ৰাণ ঢালি দিলে আৰু অধৰ্ম্মীবোৰৰ লগত লেখত পৰিল। তথাপি তেওঁ অনেকৰ গুণাহৰ ভাৰ বলে আৰু অধৰ্ম্মীবোৰৰ নিমিত্তে অনুৰোধ কৰিলে”* (ইছায়া ৫৩:৮-১২)।

তৰ্চাছৰ চৌলে দম্মেচকৰ পথত মছীহক লগ পোৱাৰ আগলৈকে, ছৰিয়তত থকা নৈতিকতা লাভ কৰাত নিৰাশ হৈ,

নবীসকলে যিজন মধ্যস্থৰ কথা কৈছিল, সেই জনক বিচাৰি গৈছিল। সলীবত তেওঁৰ নাজাতকাৰী মৃত্যুৰ যোগেদি পাপীবিলাকক উদ্ধাৰ কৰিবলৈ মানুহৰ ৰূপ ধাৰণ কৰা মধ্যস্থ জনা বুলি পৌলে তেওঁক চিনি পাইছিল আৰু এইদৰে লিখিবলৈ অনুপ্ৰাণিত হৈছিল:

*"কিন্তু পাছে কাল সম্পূৰ্ণ হলত, ছৰিয়তৰ অধীন হোৱাবিলাকক মুক্ত কৰিবলৈ, আৰু আমি তোলনীয়া পুত্ৰৰ বাব পাবলৈ, তিৰোতাত জন্ম পোৱা আৰু ছৰিয়তৰ অধীনে জন্ম পোৱা নিজ পুত্ৰক আল্লাহে পঠাই দিলে"* (গালাতীয়া ৪:৪-৫)।

দৰাচলতে, কালামৰ অৱতাৰেই কিতাবুল মোকাদ্দছৰ মূল সাৰ, কাৰণ সেয়ে ঐশ্বৰিক নাজাতৰ আধাৰ। নাজাতদাতা স্বৰূপে তেওঁৰ দায়িত্ব পৰিপূৰ্ণ কৰাৰ ই এক পূৰ্বাৱশ্যকতা। এই কাৰণে আল্লাহৰ দ্বাৰাই অনুপ্ৰাণিত ঐশ্বৰিক পুস্তকসমূহৰ যোগেদি এলানি ঐশ্বৰিক প্ৰকাশৰ বিষয় বস্তু আছিল আল্লাহে মানুহৰ ৰূপ ধাৰণ কৰা।

এই প্ৰকাশবোৰ এজন নাজাতদাতালৈ ইংগিত কৰাৰ দ্বাৰাই আৰম্ভ হৈছিল, যি জনে মানৱ জাতিক বিধানৰ অভিশাপৰ পৰা উদ্ধাৰ কৰিবলৈ "কাল সম্পূৰ্ণ হলে" আহিব আৰু প্ৰত্যেক জাতিৰ বাবে মহান আশীৰ্ব্বাদ হ'ব। তাৰ পাছত প্ৰকাশবোৰে তেওঁৰ সম্বন্ধিত সকলো কথা আৰু অধিককৈ স্পষ্ট কৰিবলৈ ধৰিলে। "নাৰী গৰাকীৰ বীজ"ৰ উল্লেখেৰে আৰম্ভ কৰি, তাৰপাছত ইব্ৰাহীমৰ গুটি, তাৰপাছত ইহূদাৰ জাতি, তাৰপাছত দায়ূদৰ গৃহ, তাৰপাছত এগৰাকী নিৰ্মল কন্যাৰ পৰা তেওঁৰ জন্ম। এই ঘোষণাবোৰে ব্যক্ত কৰিছিল যে তেওঁৰ ঐশ্বৰিক বৈশিষ্টসূচক গুণ থাকিব আৰু তেওঁ নিজৰ বাবে এক নিৰ্বাচিত জাতিক নাজাত দান কৰিব, যাৰ ওপৰত তেওঁ শাসনকৰ্ত্তা আৰু ৰজা হ'ব (ইছায়া ৯:৬)।

আশ্চৰ্য্যজনক কথা যে এই ঘোষণাবোৰে কেৱল তেওঁৰ বৈশিষ্টপূৰ্ণ অদ্ভূত আৰু সঠিক পৰিস্থিতিবোৰ উল্লেখ কৰিছিল – এনে এক আলেখ্য যিটো আমি মানৱ সৃজনশীলতাত আৰোপ কৰিব নোৱাৰোঁ; এইবোৰৰ ভিতৰত আছে: তেওঁৰ জন্মৰ সঠিক স্থানক নিশ্চিত আৰু বিস্তৃতভাৱে উল্লেখ কৰা –



*"কিন্তু হে বৈৎলেহেম-ইফ্ৰাথা, ইহূদাৰ গোষ্ঠীবোৰৰ মাজত গণ্য হ'বলৈ অতি ক্ষুদ্ৰ যি তুমি, তোমাৰ পৰা ইস্ৰায়েলৰ অধিপতি হ'বলৈ মোৰ উদ্দেশে এজনা উৎপন্ন হ'ব; পূৰ্ব্বকালৰ পৰা, অনাদি কালৰে পৰা তেওঁৰ উৎপত্তি"* (মীখা ৫:২)।

**তেওঁ ওপজাত দৰিদ্ৰ আৰু নিম্ন, তথাপি মহিমান্বিত হ'ব:**

*"যিচয়ৰ মুঢ়াৰ পৰা এটি পোখা ওলাব আৰু তেওঁৰ শিপাৰ পৰা এটি গজালি ওলাই ফল ধৰিব। আৰু আল্লাহৰ ৰূহ, প্ৰজ্ঞা, আৰু সুবিবেচনাৰ ৰূহ, মন্ত্ৰণা আৰু পৰাক্ৰমৰ ৰূহ, জ্ঞান আৰু আল্লাহ বিষয়ক ভয় জন্মাওঁতা ৰূহ তেওঁৰ ওপৰত স্থিতি হ'ব"* (ইছায়া ১১:১-২)।

**তেওঁ ৰজা হ'ব, কিন্তু বৰ্হিমুখী মহিমা নোহোৱাকৈ:**

*"হে চিয়োন-জীয়ৰী, অতিশয় উল্লাস কৰা! হে যিৰূচালেম-জীয়ৰী, জয়ধ্বনি কৰা! চোৱা, তোমাৰ ৰজা তোমাৰ ওচৰলৈ আহিছে; তেওঁ ন্যায়, পৰিত্ৰাণযুক্ত আৰু নম্ৰ; তেওঁ গাধত, গাধীৰ পোৱালিতেই উঠি আহিছে"* (জখৰিয়া ৯:৯)।

**তেওঁ ইমাম হ'ব:**

*"যিহোৱাই এই শপত কৰিলে, তাৰ পৰা তেওঁ আৰু নুঘূৰিব, 'তুমি মল্কীচেদকৰ ৰীতি অনুসাৰে নিত্য ইমাম হোৱা'।"* (গীতমালা ১১০:৪)।

**ইয়াৰ অৰ্থ হল যে মছীহৰ নাজাতকাৰী কাৰ্য্য ইমামী কাৰ্য্য, যিহৰ পৰা কেইটিমান বিশেষ ফল আহে:**

১। ইমাম হোৱা হেতুকে তেওঁ আল্লাহে গুনাহগাৰ বুলি নিৰূপণ কৰাসকলৰ প্ৰতিনিধিত্ব কৰে আৰু তেওঁলোকে নিজে নিজৰ বাবে কৰিব নোৱাৰা কাম তেওঁলোকৰ হৈ তেওঁ কৰে। যিহেতু তেওঁলোকে তেওঁলোকৰ গুণাহ আৰু অশুচিতাৰ বাবে আল্লাহক পাব নোৱাৰে, সেইবাবে ঐশ্বৰিক প্ৰেমে তেওঁৰ সৈতে তেওঁবিলাকক মিলন কৰাবলৈ আল্লাহৰ আগত থিয় হ'বলৈ ঐশ্বৰিক ক্ষমতা-সম্পন্ন এজন ব্যক্তিক অভিষেক কৰিলে।

২। গুণাহৰ বাবে নাজাত নোহোৱাকৈ মিলন সিদ্ধ হ'ব নোৱাৰে। এইদৰে লিখা আছে, "আৰু তেজ উলিওৱা নহলে, পাপ-মোচন

তোমালোকে সত্যক জানিবা
আৰু সেই সত্যই
তোমালোকক নাজাত কৰিব
(যোহন ৮:৩১-৩২)।

সেই বাক্য মানে হ'ল আৰু
অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ
হৈ আমাৰ মাজত বসতি কৰিলে,
তাতে পিতৃৰ একমাত্ৰ পুত্ৰৰ
উপযুক্ত যি প্ৰতাপ, সেই প্ৰতাপ
আমি দেখিলো
(যোহন ১:১৪)।

# সত্যৰ জয়

